# সাহিত্য পাঠ

৪

MOTI RAM BORA BALIKA VIDYAPITH
ESTD 1963
ASSAM.



শ্ৰীৰাজবালা দাস, এম. এ

অসমৰ শিক্ষাবিভাগৰ ডিৰেক্টৰ চাহাব বাহাদুৰৰ দ্বাৰা অসমীয়া
ইংৰাজী স্কুল সমূহৰ চতুৰ্থ মানৰ বাবে মঞ্জুৰি পুথি।
( অসম গেজেট ১ ডিচেম্বৰ, ১৯৪৮ইং )

---

# সাহিত্য পাঠ

## চতুৰ্থ ভাগ

—:):*:(:—

ৰচয়িত্ৰী
শ্ৰীৰাজবালা দাস, এম. এ.
গুৱাহাটি

( সংশোধিত ৩য় তাঙৰণ )

মূল্য বাৰ অনা

প্ৰকাশক—
শ্ৰীসত্যেন্দ্ৰ নাথ চৌধুৰী
গোলাঘাট, অসম।

১৯৪৯

প্ৰিণ্টাৰ—শ্ৰীগোপালচন্দ্ৰ দে
সিটি প্ৰিণ্টাৰ্স
৩৫নং ছাতাওয়ালা গলি, কলিকতা।

# পাতনি

আজি ভালেমান দিনৰপৰা আমাৰ লৰাছোৱালীবিলাকৰ কাৰণে পাঠ্যপুথিৰ অভাৱৰ কথা শুনি আহিছোঁ। এই ক্ষুদ্র পুথিখনি অসমীয়া আৰু ইংৰাজী স্কুলৰ চতুৰ্থ মানৰ কাৰণে লিখি উলিওৱা হ'ল। পুথি বছা সভাই চতুৰ্থ মানৰ কাৰণে বাছি দিয়া কবিতাবোৰো ইয়াত দিয়া হৈছে। পাঠ্যৰ বিষয়বোৰ লৰাৰ উপযোগী কৰি বাছি লোৱা হৈছে। আগৰ দিনৰ পুৰণি কাহিনী দুই এটি এই পুথিত দিয়া হৈছে। কিয়নো আমাৰ লৰাছোৱালীবিলাকে আগৰ দিনৰ পুৰণি কথাবোৰৰ বিষয়ে একেবাৰে অনভিজ্ঞ থকা উচিত নহয়, যি পাৰে অলপ অচৰপ জনা উচিত। প্ৰত্যেক পাঠটি পঢ়িয়েই লৰাই যাতে একোটি উপদেশ পায় সেই অনুসাৰে বিষয়বোৰ বাছি লোৱা হৈছে। লৰাক সৰুকালৰেপৰা এনে পুথি পঢ়িবলৈ বাছি দিয়া উচিত—যিবোৰ পুথিয়ে সিহঁতক নিজৰ স্বভাৱ চৰিত্ৰ গঠন কৰাত সহায় কৰে। লৰাৰ কোমল প্ৰাণত সৰুকালৰেপৰা ধৰ্ম্মভাৱ অলপ অলপকৈ লৰাই বুজিব পৰাকৈ জগাই তোলা উচিত। তেহে বয়সৰ লগে লগে সেই ভাৱবো বৃদ্ধি পাব। গতিকে এই পুথিখনিত লৰাই বুজিব পৰাকৈ দুই এটি ধৰ্ম্ম সম্বন্ধীয় বিষয়ো দিয়া হৈছে। এই পুথিখনিত লৰাছোৱালীবিলাকে যাতে সকলো লাগতিয়াল বিষয়ে এটি আভাস পায়, তাৰ কাৰণে বিশেষ যত্ন লোৱা হৈছে।

এই পুথিখনি পঢ়াশালিৰ পা[illegible] আমাৰ লৰাছোৱালীবিলাকৰ বিশেষ উপ[illegible] বুলি আমি আশা কৰিছোঁ।

ইতি—

গুৱাহাটী,<br>
১৯৪৭

MOTI RAM BORA BALIKA VIDYAPITH
10 1963
P.O. NOWGONG ASSAM.

# সূচী


| | বিষয় | পিঠি |
|---|---|---|
| ১। | ঈশ্বৰ ( কবিতা ) | ১ |
| ২। | প্ৰহ্লাদ | ৩ |
| ৩। | ধন ডাঙৰ নে, মন ডাঙৰ | ৬ |
| ৪। | পিতৃভক্তি | ১১ |
| ৫। | নবাকাল ( কবিতা ) | ১৪ |
| ৬। | কালিদাস | ১৬ |
| ৭। | যীশুখ্ৰীষ্ট | ১৯ |
| ৮। | বিশ্বামিত্ৰ আৰু বশিষ্ঠ | ২৩ |
| ৯। | জোনাবাই ( কবিতা ) | ২৬ |
| ১০। | সম্পদৰ বন্ধু, বন্ধু নহয় | ২৮ |
| ১১। | শাৰীৰিক বল | ৩২ |
| ১২। | অশ্বত্থামাৰ দণ্ড | ৩৭ |
| ১৩। | ক্ৰোধ ( কবিতা ) | ৪১ |
| ১৪। | ৰমণী-গাভৰু | ৪২ |
| ১৫। | শান্তিৰাম | ৪৪ |
| ১৬। | সুখৰ ঠাই ( কবিতা ) | ৪৮ |
| ১৭। | জাহাজ | ৫০ |
| ১৮। | বুঢ়া মন্ত্ৰী | ৫৪ |
| ১৯। | যথাৰ্থ বন্ধু ( কবিতা ) | ৫৭ |
| ২০। | চেনিৰ গছ | ৫৯ |
| ২১। | উৰা জাহাজ | ৬২ |

| | বিষয় | পিঠি |
|---|---|---|
| ২২। | ভীম | ৬৫ |
| ২৩। | বজা আৰু মকৰা ( কবিতা ) | ৬৯ |
| ২৪। | ৰেলগাড়ী | ৭২ |
| ২৫। | কপাহ খেতি | ৭৭ |
| ২৬। | উপদেশ ( কবিতা ) | ৮১ |
| ২৭। | নীলা শিয়াল | ৮২ |
| ২৮। | শঙ্কৰদেৱ | ৮৭ |
| ২৯। | যত্ন কৰিলে ৰত্ন পায় ( কবিতা ) | ৯১ |
| ৩০। | গদাধৰ সিংহ | [illegible] |
| ৩১। | বান্দৰ | ৯৭ |
| ৩২। | বিনয় ( কবিতা ) | ৯৯ |
| ৩৩। | ঈশ্বৰ | ১০০ |
| ৩৪। | অতি লোভ | ১০৩ |
| ৩৫। | স্বভাৱ ( কবিতা ) | ১০৭ |
| ৩৬। | উমানন্দ | ১০৯ |
| ৩৭। | কৃতবোধ | ১১২ |
| ৩৮। | জৱহৰলাল নেহেৰু | ১১৬ |
| ৩৯। | পানী | ১১৮ |


---

# সাহিত্য পাঠ

## চতুৰ্থ ভাগ

### ঈশ্বৰ



(১)

হে ঈশ্বৰ, তুমি হোৱাঁ জীৱন-পোহৰ,
দেখোঁমানে আচৰিত বস্তু জগতৰ,
নিশাৰ জোনাকী হাঁহি, দিনৰ পোহৰ,
তোমাৰ জেউতি মাথোঁ, চিন গৌৰৱৰ।
জিলিকে জেউতি তযু যেই পিনে চাওঁ,
সুন্দৰ তোমাৰ সৃষ্টি মাথোঁ, দেখা পাওঁ।

( ২ )

সুৰুঙাৰ মাজে মাজে ৰঙা ডাৱৰৰ,
সন্ধিয়াৰ ৰঙা বেলি বিতৰে পোহৰ ;
সোণোৱালি জিলিকনি চাই একে থৰে,
ভাবোঁ আমি সেই পিনে বাট স্বৰগৰে ;
ৰাঙলী বেলিৰ সেই কোমল কিৰণ,
উজ্জ্বল জেউতি প্ৰভু, তোমাৰ সৃজন।

( ৩ )

তৰা-বছা পাখিবোৰে নিশাৰ শুৱনি,
যেতিয়া ধৰেহি ঢাকি আকাশ অৱনী,
পৰে যেন কলা এটি চৰাই ধুনীয়া,
গোট গায়ে গুটি ফুল সোণ-বৰণীয়া।
স্বৰগৰ তৰা আৰু পৱিত্ৰ আন্ধাৰ,
অলেখ অসীম মহা মহিমা তোমাৰ।

( ৪ )

গাভৰু বসন্ত আহি হলে উপস্থিত,
তোমাৰ সুদৃষ্টি পৰি ফুলে ফুলনিত,
বসন্তৰ যত ফুল ধুনীয়া ধুনীয়া,
গোন্ধতে আমোলমোল নানা বৰণীয়া।
জিলিকে জেউতি তযু যেই পিনে চাওঁ,
সুন্দৰ তোমাৰ সৃষ্টি মাথোঁ দেখা পাওঁ।

—আনন্দচন্দ্ৰ আগৰৱা

### অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—ঈশ্বৰ, সৃষ্টি, অসীম, জীৱন, সুকুণ্ডা, গুৱনি, হাঁহি, উজ্জ্বল, স্বৰগৰ, জেউতি, জিলিকনি, তৰা বছা, আমোলমোল।

২। ওপৰৰ কবিতাটিৰ পৰা কি শিক্ষা পালা নিজৰ ভাষাত লিখা।

---

## প্ৰহ্লাদ

প্ৰহ্লাদ দৈত্যৰ ৰজা হিৰণ্যকশিপুৰ পুতেক। লৰাকালৰে পৰা তেওঁ হৰিৰ উপাসক আছিল। দিনে ৰাতিয়ে তেওঁ হৰিৰ নাম কীৰ্ত্তন কৰি ভাল পাইছিল আৰু লগৰ লগৰীয়াবোৰকো হৰিনাম লবলৈ শিকাইছিল।

এদিন পিতাকে প্ৰহ্লাদক মৰম কৰি কোলাত লৈ সুধিলে, "বাপু, ইমান দিন গুৰুৰ ওচৰত কি শিকিলা ?" প্ৰহ্লাদে কলে, "পিতা, হৰিহে আচল, তেওঁৰ বাহিৰে সকলো মিছা।" পুতেকৰ কথা শুনি ৰজাৰ খং মূৰৰ চুলিৰ আগ পালেগৈ আৰু পুতেকক কলে, "আমাৰ দৈত্যৰ ধৰ্ম্ম এৰি এইবোৰ তই কি শিকিছ ? হৰি মোৰ ভাতৃ-বৈৰী, তই তাৰে পূজা কৰিছ ? পৃথিবীত মোৰ বাহিৰে আন কোনো পূজ্য নাই।" প্ৰহ্লাদে পিতাকৰ আগত নানাভাৱে ধৰ্ম্মৰ কথা কবলৈ ধৰিলে। প্ৰহ্লাদৰ কথা শুনি দৈত্যপতি খঙত জ্বলি উঠিল। গুৰুক মাতি আনি গৰ্জ্জন কৰি তেওঁ কবলৈ ধৰিলে, "মূৰ্খ, লৰাক এইবোৰ কি শিকাইছ ?" গুৰুৱে কলে, "দৈত্যপতি, আপোনাৰ লৰাক আমি এইবোৰ একো শিকোৱা নাই, সি নিজে নিজেই

শিকিছে আৰু আন লৰাবোৰকো শিকাইছে, যিহাতে আমাৰ ওপৰত কিয় খং কৰিছে ?"

পুতেকৰ নামে এনে কথা শুনি ৰজা খঙত অস্থিৰ হল আৰু নানা দুৰ্গতি কৰি তেওঁক ভয় দেখুৱাই হৰিনাম লোৱাৰ পৰা বিৰত কৰিবলৈ চেষ্টা কৰিলে। প্ৰথমতে প্ৰহ্লাদক পৰ্ব্বতৰ ওপৰত তুলি মাটিলৈ পেলোৱা হল, তাতো তেওঁ নমৰিল। সাপেৰে খোঁটালে, সাপৰ দাঁত ভাঙ্গি গল। হাতীৰে প্ৰহ্লাদক গচকোৱা হল, জুইত পেলোৱা হল, মাটিত গাঁত খানি পোতা হ'ল, একোতেই প্ৰহ্লাদ নমৰিল দেখি সকলোৱে আচৰিত মানিলে। প্ৰহ্লাদে নিৰ্ভয় মনে নম্ৰভাৱে পিতাকৰ ভৰিৰ ওচৰত থিয় হৈ ৰল। দৈত্যপতিয়ে খঙেৰে পুতেকক সুধিলে, "নৰাধম, তই যে হৰি হৰি কৰি থাক, তোৰ হৰি ক'ত আছে ক।" প্ৰহ্লাদে নম্ৰভাৱে উত্তৰ কৰিলে, "মোৰ হৰি সকলো ঠাইতে আছে, এই আগত থকা স্ফটিকৰ স্তম্ভতো মই হৰিক দেখিছোঁ।" প্ৰহ্লাদৰ কথা শুনি দৈত্যপতিয়ে ভৰিৰে গোৰ মাৰি স্তম্ভ ভাঙ্গি পেলালে। ভক্তৰ বাক্য সত্য কৰিবৰ কাৰণে হৰিয়ে নৰসিংহৰ ৰূপ ধৰি সিংহনাদ কৰি স্তম্ভৰ পৰা বাহিৰ হল। নৰসিংহৰ গৰ্জ্জন শুনি দৈত্যেন্দ্ৰৰ ভয়ত প্ৰাণ উৰি গল। নিমিষতে নৰসিংহই নখেৰে দৈত্যেন্দ্ৰৰ বুকু বিদাৰি পেলালে। হিৰণ্যকশিপুক বধ কৰি নৰসিংহই খঙত চাৰিওফালে চাবলৈ ধৰিলে। ভয়ত সকলো দৈত্য পলাই ফাঁট মাৰিলে। নৰসিংহৰ ভীষণ মূৰ্ত্তি দেখি স্বৰ্গৰ দেৱতা সকলো ভয়ত অস্থিৰ হল। ঘোৰ প্ৰলয়ৰ আশঙ্কা কৰি তেওঁবিলাকে আহি নৰসিংহক স্তুতি কৰিবলৈ ধৰিলে; কিন্তু কোনো ৰকমেই তেওঁবিলাকে নৰসিংহৰ খং মাৰ নিয়াব নোৱাৰিলে।

অৱশেষত ব্ৰহ্মাই প্ৰহ্লাদক কলে, "বাছা, তুমি নৰসিংহৰ খং মাৰ নিনিয়ালে আৰু নিৰাওঁতা আন কোনো নাই।" ব্ৰহ্মাৰ কথা শুনি প্ৰহ্লাদে ভয়ে ভয়ে নৰসিংহৰ ওচৰ চাপি তেওঁৰ ভৰিত পৰি স্তুতি কৰিবলৈ ধৰিলে। ভক্ত প্ৰহ্লাদৰ স্তুতিত হৰি সন্তুষ্ট হৈ তেওঁক কি বৰ লাগে সুধিলে।

প্ৰহ্লাদে কলে' "প্ৰভু, মোক একো নালাগে মাত্ৰ মোৰ যেন সদায় তোমাত ভক্তি আৰু বিশ্বাস থাকে। প্ৰভু, তুমি যেন মোৰ পিতৃৰ সদ্গতি কৰা, তেওঁ তোমাক নিন্দা কৰি ঘোৰ অপৰাধ কৰিলে; প্ৰভু, তুমি কৃপা কৰি তেওঁৰ আত্মাৰ কল্যাণ কৰা যেন।" নৰসিংহই হাঁহি কলে, "তুমি পিতাদেৱৰ কাৰণে ভাবিব নালাগে তুমি যাৰ পুত্ৰ, তাৰ এশ পুৰুষ উদ্ধাৰ হল। এতিয়া পিতৃৰ ৰাজ্যভাৰ তুমি গ্ৰহণ কৰা। কৰ্ম্মবিহীন জীৱন সম্পূৰ্ণ নহয়, কৰ্ম্ম কৰি জীৱন কটোৱা। তোমাৰ সংসাৰৰ কাম শেষ হলে অৱশেষত মোক পাবা।" প্ৰহ্লাদক এই বুলি উপদেশ দি নৰসিংহ অন্তৰ্দ্ধান হল।

প্ৰহ্লাদে ন্যায় ধৰ্ম্মেৰে ৰাজত্ব কৰি অন্তিমত ঈশ্বৰক লাভ কৰি কৃতাৰ্থ মানিলে।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—ধাৰ্ম্মিক, শান্ত, কীৰ্ত্তন, স্ফটিক, সংসাৰ, স্তম্ভ; ৰাক্ষস; কৰ্ম্ম, বিৰত, সদ্গতি, অন্তৰ্দ্ধান।

২। প্ৰহ্লাদৰ বিষয়ে কি জানা কোৱা?

৩। হৰিয়ে কেনেকৈ ভক্তৰ বাক্য সত্য কৰিলে?

৪। নৰসিংহৰ খং কেনেকৈ কমিল; আৰু প্ৰহ্লাদক কি উপদেশ দিলে।

# ধন ডাঙৰ নে, মন ডাঙৰ

এদিন বৈকুণ্ঠপুৰীত লক্ষ্মী আৰু নাৰায়ণে বহি কথা পাতি আছিল। হঠাৎ নাৰায়ণে অন্যমনস্ক হৈ গম্ভীৰ ভাৱ ধাৰণ কৰিলে। নাৰায়ণক তেনে কৰা দেখি লক্ষ্মীয়ে সুধিলে, "প্ৰভু, আপুনি হঠাৎ কিয় এনেকুৱা কৰিছে, আপোনাৰ কি হল?" নাৰায়ণে কলে, "মই এনেকুৱা কৰাত তুমি বেয়া নাপাবা। পৃথিবীত মোৰ ভক্তসকলে মোৰ নাম লৈছে, মই তাকে শুনিছোঁ। ভক্তসকলে যেতিয়া মোক স্মৰণ কৰে, মই তেওঁবিলাকৰ ওচৰলৈ নোযোৱাকৈ স্থিৰেৰে থাকিব নোৱাৰোঁ। যদিও এই তিনি লোকত মোক কোনেও জিনিব নোৱাৰে তথাপি ভক্তৰ গুৰিত মই সদায় পৰাজিত। মোৰ ভক্ত-সকল উদাৰ চৰিত্ৰৰ। এই পৃথিবীৰ ভিতৰত তেওঁবিলাকেই সকলোতকৈ ডাঙৰ।

স্বামীৰ কথা শুনি লক্ষ্মীদেবীয়ে কলে, "আপুনি আজি মোক এটা কথাৰ উত্তৰ দিব লাগিব। মোৰ বোধেৰে পৃথিবীৰ ভিতৰত ধনী মানুহ এটাইতকৈ ডাঙৰ। আপুনি কৈছে যাৰ মন উদাৰ তেওঁহে পৃথিবীৰ ভিতৰত ডাঙৰ মানুহ। কিন্তু আজি মোক প্ৰমাণ দি বুজাব লাগিব, যথাৰ্থতে কি ডাঙৰ, ধন নে মন।"

লক্ষ্মীৰ কথা শুনি নাৰায়ণে অলপ পৰ টলকা মাৰি বৈ থাকি কলে "মই কওঁ মনহে ডাঙৰ, কিয়নো ভাবি চোৱাঁচোন মুনি ঋষি সকলৰ ধন সম্পত্তি একো নাই, তথাপি মনৰ উদাৰতাৰ কাৰণেই তেওঁবিলাক, সকলোৰে পূজনীয়। ৰজায়ো মুনিক সম্মান কৰে।" লক্ষ্মীয়ে কিন্তু

স্বামীৰ কথা মানি নললে। তেওঁ কলে, "ধনহে সকলোতকৈ ডাঙৰ; যাৰ ধন আছে তাক সকলোৱে সম্মান কৰে; তেওঁৰ যি ইচ্ছা যায় তাকে কৰিব পাৰে; তেওঁ দুখীয়াৰ দুখ গুচাব পাৰে আৰু সকলোৰে উপকাৰ সাধন কৰিব পাৰে। যাৰ ধনৰ অভাৱ তেওঁ কোনো ডাঙৰ কাম কৰিব নোৱাৰে, তেওঁৰ মনৰ ইচ্ছা মনতে মাৰ যায়। তাৰ উপৰিও নিৰ্ধনীক সকলোৱে অনাদৰ কৰে।"

নাৰায়ণে দেখিলে যে, এই বিষয়ে দৃষ্টান্তৰ দ্বাৰা প্ৰমাণ দিব নোৱাৰিলে লক্ষ্মীয়ে বিশ্বাস নকৰে। তেওঁ লক্ষ্মীদেৱীক কলে," ব'লা আমি পৃথিবীলৈ গৈ এই কথাৰ মীমাংসা কৰোঁ। পৃথিবীত কাক তুমি ডাঙৰ বুলি ভাবা আগেয়ে তেওঁৰ তালৈকে যাওঁ ব'লা।"

লক্ষ্মীয়ে কলে, "ধনীৰাম সদাগৰ মোৰ বৰ ভক্ত, তেওঁৰ সমান ধনী কোনো নাই। পৃথিবীত তেৱেঁই সকলোতকৈ ডাঙৰ, ব'লক আমি তেওঁৰ ঘৰলৈ যাওঁ।" তেওঁবিলাক দুয়োজনে ভিক্ষুকৰ বেশ ধৰি ধনীৰামৰ দুৱাৰত থিয় দিলেহি। ধনী সদাগৰৰ ঘৰ দুৱাৰ দেখিলে মানুহৰ মন প্ৰাণ হৰে। লৰা-ছোৱালীয়ে, বন্দী-বেটীয়ে, গাড়ী-ঘোঁৰাই ধনে-সম্পত্তিয়ে ধনী সদাগৰৰ ঘৰ নদন-বদন। ইমান ধন-সম্পত্তি থকা সত্বেও সদাগৰে সদায় সৰু-সুৰা কথাবিলাকলৈও কাণ দিছিল। সৰু লৰা এটি আহি সদাগৰক কলে, "দেউতা, দুৱাৰ মুখত এযোৰা মগনীয়া বৈ আছে। এটা পুৰুষ', এজনী তিৰোতা; পুৰুষটো কণা, তিৰোতা জনীয়ে তাক ধৰি আনিছে।" লৰাটোৰ কথাত বাধা দি সদাগৰে কলে "ইমানবোৰ কথা নালাগেচোন, চাউল দুটামান দি সিহঁতক পঠিয়াই দেগৈ।" "মই চাউল দিছিলোঁ, সিহঁতে নললে; সিহঁতে বোলে আজি তিনদিন একোকে খোৱা নাই, সিহঁতৰ বৰ ভোক লাগিছে বোলে, ভাত

লাগে।" পিতাকে কলে, "ক'ত ইয়াত ভাত পাব? চাউল দি পঠিয়াই দেগৈ। পুতেকে কলে, "সিহঁত নাযায়, আজি ভাত নিদিলে হেনো সিহঁত আমাৰ ইয়াতে থাকিব।" পিতাকে কলে—"এই লৰাটোৱে কি মিছা-মিছিকৈ আমনি কৰি থাকে, চাউল নলয় যদি খেদাই দিব পায় সিহঁতক কি লাগে কি নালাগে কোনে সুধি থাকিব? মগনীয়াক যিমান পায় সিমানে লাগে। চাওঁ, ক'ত আছে তোৰ মগনীয়া, মই এতিয়াই সিহঁতক হুড়ু:খেদা দিম।" এই বুলি কৈ সদাগৰে ভোঁ ভোঁ কৰে বাহিৰৰ ফালে ওলাই গল। যাওঁতে তেওঁ মুখেৰে বকি যাবলৈ ধৰিলে—"এইবোৰে কাম কাজ নকৰি কেৱল মাগি খাবলৈহে আছে। কোনোবাই যেন সিহঁতলৈ ভাত ৰান্ধিহে থৈছে; চাউল কিটা যে মিলে তাকে বহুত বুলি ভাবিব লাগে, দিনে দিনে মগনীয়াৰ সাহ বাঢ়িহে গৈছে। ইহঁতৰ দৌৰাত্ম্যত মানুহ থাকিব নোৱাৰা হল" ইত্যাদি কথা বলকি তেওঁ যেতিয়া দুৱাৰ মুখ পালেহি, কাকো ক'তো নেদেখি পুতেকক সুধিলে, "কতা তোৰ মগনীয়া?" লৰাটোৱে কলে, "সিহঁত গুচি গল হব পায়।" পিতাকে কলে, "আগলৈকো মগনীয়াৰ লগত এনেকৈ কথা পাতি সিহঁতক আশয় নিদিবি। কথা সুধিলে সিহঁতে বৰ চল পায়।" এই বুলি কৈ তেওঁ ঘৰৰ ভিতৰলৈ সোমাই গল।

ধনীৰ দুৱাৰ মুখৰপৰা সেইদৰে খেদা খাই নাৰায়ণে কলে, "এতিয়া ব'লা মোৰ ভক্ত উদাৰচৰিত্ৰ য'ত আছে তালৈ যাওঁ।" দুয়ো এজন বৰ দুখীয়া অৱস্থাৰ মানুহৰ ঘৰৰ দুৱাৰ মুখত থিয় হলহি। মানুহজন বৰ দুখীয়া, ঘৈণীয়েকৰ বাহিৰে আৰু তেওঁৰ কোনো নাছিল।

কোনো ৰকমে তেওঁবিলাকে দুবেলা দুসাজ খাবলৈ পাইছিল। তেওঁ বিলাকৰ মনত কোনো দুখ কষ্ট নাছিল; নিজৰ অৱস্থাতে সদায় সুখী আছিল। দুপৰীয়া ঘৈণীয়েকে মজিয়াত ভাত বাঢ়ি গিৰীয়েক আহিবৰ কাৰণে বাট চাই আছে। গিৰীয়েকেও গা-পা ধুই ভাত খাবৰ কাৰণে মজিয়াৰ ফালে খোজ লৈছে, এনেতে দুৱাৰ মুখত মানুহৰ মাত শুনি তেওঁ বাহিৰলৈ ওলাই আহিল। তেওঁ দেখিলে এজন পুৰুষ আৰু এজনী তিৰোতা তেওঁৰ দুৱাৰ মুখত থিয় হৈ আছে। তেওঁক দেখামাত্রকে তিৰোতাজনীয়ে কলে, "দেউতা, আজি আমি বৰ বিপদত পৰি এইখিনি পাইছোঁহি। আজি তিন দিন আমি অনাহাৰে আছোঁ, কত ঠাই ঘূৰিলো; কোনেও দয়া কৰি ভাত এমুঠি খাবলৈ নিদিলে। আপুনি যদি আজি ভাত এমুঠি দি আমাৰ প্ৰাণ ৰক্ষা নকৰে আমি মৰিম।"

মগনীয়াৰ দুখৰ কথা শুনি তেওঁৰ মনত বৰ কষ্ট লাগিল। তেওঁ ভালকৈ বুজিছিল, তেওঁবিলাকলৈ ৰন্ধা ভাতকিটাৰ বাহিৰে ঘৰত আৰু একো বস্তুৱেই নাই। তথাপি তেওঁ মগনীয়া দুজনক নিৰাশ নকৰিলে। সিহঁতক বাহিৰতে বহুৱাই থৈ ভিতৰলৈ আহি তেওঁ ঘৈণীয়েকৰ আগত সকলো কথা কলে। তেওঁ কলে, "আজি আৰু আমি ভাত নাখাওঁৱেই দিয়া, দুজন মগনীয়া আহিছে, তেওঁবিলাকে বোলে আজি তিন দিন একো খাবলৈ নাপাই মৰিবলগীয়া হৈছে। আমালৈ ৰন্ধা ভাতকিটাকে তেওঁলোকক খাবলৈ দিয়া।" ঘৈণীয়েকে কলে, "এৰা, দুপৰীয়াৰ মগনীয়া বিমুখ কৰিব নাপায়, আমি এসাজ নাখালে একো নহয়।" গৃহস্থ, গৃহস্থনী দুয়োজনে বৰ আনন্দ মনেৰে মগনীয়া দুজনক ভাত খুৱালে। ভাতপানী খাই উঠি ছদ্মবেশী মগনীয়াই কলে, "আজি ভাত

মুঠি খাই বৰ তৃপ্তি পালোঁ, এইদৰে আগ্ৰহৰে নিজৰ মুখৰ ভাতকিটা মগনীয়াক খাবলৈ দিয়া কেইজন মানুহ আছে ? আপোনালোকক ঈশ্বৰে মঙ্গল কৰক।" এই বুলি আশীৰ্ব্বাদ দি তেওঁবিলাক তাৰপৰা গুচি গল। সেই দিনাৰ পিচৰেপৰা দুখীয়া মানুহজনৰ অৱস্থা দিনক দিনে ভাল হৈ আহিবলৈ ধৰিলে।

নাৰায়ণে লক্ষ্মীকে সুধিলে, "এতিয়া কোৱাচোন, মন ডাঙৰ নে ধন ডাঙৰ ? লক্ষ্মীয়ে কলে, "আপোনাৰ কথাই সঁচা, ধনতকৈ মনহে ডাঙৰ। ধন থাকিলেই নহয়, মন নহলে ধন থাকিলেও একো ডাঙৰ কাম কৰিব নোৱাৰি।"

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—

লক্ষ্মী, দৃষ্টান্ত, অন্যমনস্ক, দৌৰাত্ম্য, গম্ভীৰ, গৃহ, আনন্দ।

তিনিলোক—স্বৰ্গ, মৰ্ত্ত্য, আৰু পাতাল।

২। ধন আৰু মনৰ ভিতৰত কোন ডাঙৰ ?

# পিতৃভক্তি

বঙ্গদেশৰ শেহ নবাব মীৰকাছিমৰ দুটি যঁজা লৰা ছোৱালী আছিল। লৰাটিৰ নাম গুল আৰু ছোৱালীটিৰ নাম বাহাৰ থৈছিল। ‘গুল’ শব্দৰ অৰ্থ ফুল আৰু ‘বাহাৰ’ শব্দৰ অৰ্থ সৌন্দৰ্য্য। লৰা ছোৱালী দুয়োটি সঙ্গীত বিদ্যাত বৰ পাৰ্গত আছিল। তেওঁবিলাকে এনে সুৰলা গীত গাব পাৰিছিল যে যেয়ে তেওঁবিলাকৰ গীত শুনিছিল সেয়ে মোহিত হৈছিল।

মীৰকাছিমৰ লগত ইংৰাজৰ বিবাদ হয়। এই বিবাদ লাহে লাহে বাঢ়ি গৈ দুয়োদলৰে ভিতৰত এখন ডাঙৰ যুঁজ হয়। ইংৰাজে বলেৰে মুঙ্গেৰৰ দুৰ্গ আক্ৰমণ কৰে। ইংৰাজৰ হাতত কোনো ৰকমে ৰক্ষা পোৱাৰ আশা নেদেখি নবাব মীৰকাছিমে লৰা ছোৱালী দুয়োটিকে দুৰ্গ এৰি কোনো নিৰাপদ ঠাইলে যাবলৈ উপদেশ দিলে। পিতৃৰ আদেশত ককায়েক ভনীয়েক দুয়োজনে দুৰ্গ এৰিবলৈ সাজু হল। দুৰ্গৰ অলপ দূৰত এখন নিৰ্জ্জন সমাধিক্ষেত্ৰ আছিল; নবাবে তাত লুকাই থাকিলগৈ। লৰা ছোৱালী দুটিয়ে পিতাক লুকাই থকা সমাধি ক্ষেত্ৰৰ ওচৰৰ গাওঁ এখনত থাকিল।

নিতৌ ৰাতি গুল আৰু বাহাৰে গোপনে পিতাকক আহাৰ যোগাবলৈ ধৰিলে আৰু সুমধুৰ বাঁহীৰ মাতেৰে পিতাকৰ মনৰ কষ্ট দূৰ কৰিবলৈ চেষ্টা কৰিলে।

ইংৰাজৰ সেনাবিলাকে এদিন এই দুপৰ নিশা এনেকুৱা সুলিলত বাঁহীৰ মাত শুনি বৰ আচৰিত মানিলে; কিন্তু ইয়াৰ

কাৰণ বিচাৰি উলিয়াবলৈ এই ঘোৰ নিশা কোনেও সমাধি ভূমিলৈ যাবলৈ সাহ নকৰিলে। অৱশেষত কলিকতাৰ ইংৰাজ শাসনকৰ্ত্তা ক্লাইব চাহাবৰ ওচৰলৈ এই খবৰ পঠোৱা হল। খবৰ পাই তেওঁ দুৰ্গত উপস্থিত হলহি। তেওঁ দুপৰ নিশা আগৰ দৰেই সেই সুমধুৰ বাঁহীৰ মাত শুনিবলৈ পালে।

ক্লাইব চাহাব বৰ সাহিয়াল পুৰুষ আছিল। যিফালৰপৰা বাঁহীৰ মাত আহিছিল, সেইফালে অনুমান কৰি তেওঁ আগুৱাই যাবলৈ ধৰিলে সমাধি ক্ষেত্ৰৰ ওচৰ পাই তেওঁ বাঘ এটা লৰ মাৰি যোৱা যেন দেখিবলৈ পালে। তেওঁ ততালিকে সেই বাঘৰ ফাললৈ বন্দুক মাৰিলে। নিমিষতে বাঘটো মাটিতে লুটিখাই পৰিল। ক্লাইব ওচৰলৈ গৈ দেখিলে বাঘৰ ছালেৰে ঢকা এটি সুন্দৰ লৰা। লৰাটিক দেখি ক্লাইব বৰ আঁচৰিত হল।
লৰাটিৰ এখন হাতত এটি বাঁহী আৰু আনখন হাতত এটি খোৱা বস্তুৰ পাত্ৰ আছিল। লৰাটিৰ প্ৰাণৰক্ষাৰ কাৰণে ক্লাইবে বহুত যত্ন কৰিলে, কিন্তু একো ফল নহল। কি কাৰণে বা লৰাটিয়ে মাজ নিশা হাতত খোৱা বস্তু লৈ সমাধি ক্ষেত্ৰলৈ গৈছিল তাৰ কাৰণ কোনেও বুজিব নোৱাৰিলে। ক্লাইবৰ আদেশত গঙ্গাৰ পাৰত লৰাটিক সমাধি দিয়া হল।

পিচদিনা ৰাতি আকৌ বাঁহীৰ মাত শুনিবলৈ পোৱা গল। সেই দিনাও এজন সৈন্যই এটা বাঘৰ নিচিনা জন্তু দেখি গুলী কৰিলে। ততালিকে বাঘটো মাটিত বাগৰি পৰিল। এইবাৰো ওচৰলৈ গৈ দেখে যে এইটো বাঘ নহয় বাঘৰ ছালেৰ ঢকা সুন্দৰী ছোৱালীহে। ছোৱালীটিৰ প্ৰাণবায়ু সেই মুহূৰ্ত্তে বাহিৰ হৈছিল।

ছোৱালীটিৰ এহাতে এটা বাঁহী আৰু আনখন হাতত কিছুমান খোৱা বস্তু আছিল। ছোৱালীটিৰ আকৃতিৰপৰা সকলোৰে তেওঁক আগৰ গুলী খাই মৰা লৰাটিৰ ভনীয়েক বুলি বুজিব পাৰিলে। সেই লৰাছোৱালী দুটিৰ অঁাতিগুৰি জানিবৰ কাৰণে বহুত চেষ্টা কৰাৰ পিচত বুজিব পৰা গল যে তেওঁবিলাক দুয়ো নবাব মীৰকাছিমৰ মৰমৰ যঁজা সন্তান 'গুল' আৰু 'বাহাৰ'। লৰা ছোৱালী দুটিয়ে সমাধি ক্ষেত্ৰত লুকাই থকা পিতাকলৈ সেইদৰে ৰাতি বাঁহী বজাই খোৱা বস্তু লৈ গৈছিল। লৰা ছোৱালী দুটিৰ প্ৰকৃত জীৱনী জানিব পাৰি সকলোৰে তেওঁবিলাকৰ দুখ লগা মৃত্যুত মনত বৰ কষ্ট পালে। ক্লাইবেও সেই পিতৃভক্ত ককায়েক-ভনীয়েকৰ সমাধিৰ ওপৰত এটা সুন্দৰ মছজিদ নিৰ্ম্মাণ কৰাই দিয়ালে। মছজিদৰ গাত তেওঁবিলাকৰ পৰিচয় আৰু অপূৰ্ব্ব পিতৃভক্তিৰ বিষয়ে লিখাই ৰাখিলে।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—

পাৰ্গত, আক্ৰমণ, সমাধিক্ষেত্ৰ, নিৰ্জ্জন, অঁাতিগুৰি, বঁাহী। পাৰ্গত—কোনো বিষয়ে ভালকৈ জনা।

২। গুল আৰু বাহাৰৰ অপূৰ্ব্ব পিতৃভক্তিৰ বিষয়ে চমুকৈ লিখা।

৩। ক্লাইব চাহাবে তেওঁবিলাকৰ স্মৃতিৰক্ষাৰ কাৰণে কি কৰিছিল ?

৪। গুল বাহাৰৰ কেনেকৈ মৃত্যু ঘটিল ?

# লৰাকাল

কত দিন হই গল পাহৰিলোঁ আৰু,
নপৰে মনত সেই লৰালিৰ কথা—
এই দৰে মাৰ যায় কালৰ লগত
জীৱনৰ একো অংশ জীৱনতে গঁথা।
আছিল এদিন এই সংসাৰ অমিয়া
নাচিছিলোঁ নিৰ্‌মল লভি কত সুখ,
যি পিনেই চাইছিলোঁ দেখিছিলোঁ মাথোঁ
সুন্দৰ জগত খনি নাই ক'তো দুখ।
"লৰাকাল জীৱনৰ মূৰত বসতি"
বুলি কয় জ্ঞানী জনে সেই কাৰণেই
হব পায় ভাল দেখি আহিলোঁ উধাই
শেহল'কে এই দৰে পাবৰ মনেই।
কিন্তু হায়, ক'ত আৰু সেই ধৰাখানি,
কেনি গল কিনো হল, চিনো তাৰ নাই।
নতুন এখনি সৃষ্টি নৱ-বিধাতাৰ
আছে আজি কালি মোৰ আগতে ওলাই।
অৱশ্যে মনেই মোৰ দুয়োখনি ধৰা,
মনৰে স্ৰজন এই সমস্ত জগত,
সেই মন এই মন বহুত প্ৰভেদ,—
বহুত প্ৰভেদ হল মনেই মনত।

সুফলা সুজলা সুখ শস্যে আছিল,
নাছিল মানুহ জ্ঞান যোগ আয়ত্ত,
লাহে লাহে হলো যই যত জনা-পূজা
সতত প্ৰভেদ হল মনেই মনত।
নেপাওঁ কি সুখ, গল সেই নবাকাল,
এতিয়াৰ এই কাল নিয়াওঁ আগেৰে
হে বিধাতা, শক্তি দিয়া তোমাৰ জীৱন
তোমাতে বিলীন যাতে হয় একেবাৰে।

— দুৰ্গেশ্বৰ শৰ্মা

## অনুশীলনী

১। কবিয়ে কিদৰে নবাকাল কেনেকৈ বৰ্ণনা কৰিছে?
২। অৰ্থ কৰা:—নিবন্ধন, নব-বিধাতাৰ, প্ৰভেদ, সভা।

থকা পণ্ডিতসকলে সঙ্কেতৰ এনেকুৱা ভাল অৰ্থ উলিয়াই কালিদাসক প্ৰশংসা কৰিবলৈ ধৰিলে যে ৰত্নাৱতীয়ে পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হল। পূৰ্ব্বৰ কথা মতে মহাসমাৰোহেৰে ৰত্নাৱতীৰ লগত কালিদাসৰ বিয়া হৈ গল।

কিন্তু বিয়াৰ পিচত ৰত্নাৱতীয়ে বুজিব পাৰিলে যে কালিদাস এটা মহা মুৰ্খ। পণ্ডিতসকলে ছলনা কৰি তেনে মূৰ্খ এটাৰ লগত তেওঁক বিয়া দিলে। এই কথা জানিব পাৰি ৰত্নাৱতীয়ে তেওঁৰ স্বামীক বেয়া ব্যৱহাৰ কৰিবলৈ ধৰিলে। ইয়াতে কালিদাসে মনত বৰ দুখ পালে আৰু নিজৰ প্ৰতি ঘৃণা জন্মিল। তেতিয়াই তেওঁ ঘৰৰপৰা বাহিৰ হৈ গৈ আত্মহত্যা কৰিবলৈ সঙ্কল্প কৰিলে। কিন্তু পিচত তেওঁ ভাবি চিন্তি প্ৰতিজ্ঞা কৰিলে যে যেতিয়া তেওঁ ৰত্নাৱতীতকৈ বেচি বিদ্বান হব পাৰিব তেতিয়াহে তেওঁ ঘৰলৈ উভতিব, নহলে আৰু এই মুখ লৈ দেশলৈ উলটি নাহে। কালিদাসে কঠোৰ পৰিশ্ৰম কৰি বিদ্যা শিকিবলৈ ধৰিলে। সৰস্বতী আইৰ কৃপাত অলপ দিনৰ ভিতৰতে তেওঁ এজন নামজ্বলা পণ্ডিত হল। সকলো শাস্ত্ৰতে জ্ঞান লাভ কৰি তেওঁ ৰত্নাৱতীৰ ওচৰলৈ আহি নিজ পৰিচয় দিলেহি। এনেকুৱা মূৰ্খ স্বামী ইমান অলপ দিনৰ ভিতৰতে বিদ্বান হোৱা দেখি ৰত্নাৱতী বৰ আচৰিত হল আৰু মনত বৰ সন্তোষ পালে। কালিদাসে ৰত্নাৱতীৰ লগত মহা সুখে কাল কটাবলৈ ধৰিলে। পিচত এওঁৱেই মহাকবি কালিদাস নামে খ্যাত হল। বোপাহঁত, তোমালোকে দেখিলানে মানুহৰ অসাধ্য একো নাই। যত্ন কৰিলেই ৰত্ন মিলে। এতেকে তোমালোকেও মনযোগেৰে লিখা-পঢ়া শিকা, দেখিবা, ঈশ্বৰৰ কৃপাত বিদ্বান হৈ সুখী হব পাৰিবা। কিন্তু জানিবা তোমালোকে চেষ্টা কৰিলেহে ঈশ্বৰৰ কৃপা পাব পাৰিবা।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা:—দুষ্ট, মূৰ্খ, শাস্ত্ৰ ,ঠাট্টা, প্ৰতিজ্ঞা, বিদ্বান, পৰাস্ত, সাঙ্কেতিক, সংকল্প, নামজ্বলা । সঙ্কল্প—প্ৰতিজ্ঞা, সাঙ্কেতিক—ঠাৰে চিন্নাবে।

২। কালিদাসৰ জীৱনীৰ পৰা কি শিক্ষা লাভ কৰিলা ?


৩। ৰত্নাৱতীৰ কি প্ৰতিজ্ঞা আছিল ?

৪। সৰ্ব্বশাস্ত্ৰত পাৰদৰ্শী ৰত্নাৱতীৰ কালিদাসৰ লগত কেনেকৈ বিয়া হল ?

৫। কি উপায়েৰে কালিদাসে অলপ দিনৰ ভিতৰতে সকলো শাস্ত্ৰত পাৰ্গত হৈ মহাকবি কালিদাস নাম লাভ কৰিব পাৰিছিল ?

# যীশুখ্ৰীষ্ট

তোমালোকে যীশুখ্ৰীষ্টৰ নাম শুনিছা। তেওঁ পৃথিবীৰ ভিতৰত এজন অন্যতম মহাপুৰুষ আছিল। তেওঁ পুৰণা ধৰ্ম্ম সংস্কাৰ কৰি নতুন ধৰ্ম্ম প্ৰচাৰ কৰিছিল। তেওঁৰ ধৰ্ম্মবাদী সকলক খ্ৰীষ্টান বোলে। খ্ৰীষ্টান সকলৰ বিশ্বাস যীশু ঈশ্বৰৰ পুতেক। মানুহ মাত্ৰেই:পাপী আৰু এই পাপৰপৰা উদ্ধাৰৰ কাৰণে তেওঁ পৃথিবীত জন্ম গ্ৰহণ কৰিছিলহি। পৃথিবীত জন্মগ্ৰহণ কৰি পাপীৰ পাপৰ প্ৰায়শ্চিত্তৰ কাৰণে তেওঁ নিজৰ প্ৰাণ বিসৰ্জ্জন দিছিল।



খ্ৰীষ্টানসকলৰ যীশুৰ প্ৰতি প্ৰগাঢ় ভক্তি আৰু তেওঁবিলাকে যীশুৰ নামত সদায় উপাসনা কৰে।

দেওবাৰ খ্ৰীষ্টান সকলৰ পবিত্ৰ দিন। সেই দিনা তেওঁবিলাকে কোনো কামকাজ নকৰে, কেৱল ধৰ্ম্ম আলোচনা কৰি কটায়। দেওবাৰে ৰাতিপুৱা আৰু গধূলি সকলোৱে একেলগ হৈ গিৰ্জ্জাঘৰলৈ গৈ ঈশ্বৰ উপাসনা কৰে।

যীশুৱে বেথ্‌লেহেম্‌ চহৰত জন্মগ্ৰহণ কৰিছিল। এওঁৰ পিতাকৰ নাম জোচেফ আৰু মাকৰ নাম মেৰী আছিল।

কথিত আছে যে যীশু কুমাৰী মেৰীৰ পৰাই জন্ম পাইছিল। ঈশ্বৰৰ বিশেষ অভিপ্ৰায়ত তেনে হৈছিল বুলি তেওঁলোকৰ বিশ্বাস। পিতাকে যীশুক সেইকালৰ শিক্ষা প্ৰণালীৰ মতেই লিখা পঢ়া শিকাইছিল। অলপ জনা-বুজা হবৰেপৰা যেতিয়াই সময় পাইছিল তেওঁ ধৰ্ম্ম চৰ্চ্চা কৰিছিল। যীশুৱে সকলোকে এই বুলি শিক্ষা দিছিল যে ঈশ্বৰৰ ৰাজ্য মানুহৰ মনৰ ভিতৰতে, মনৰ পবিত্ৰতা ৰক্ষা কৰা আৰু দুখীয়াক সহায় কৰাই আচল ধৰ্ম্ম। তেওঁ সকলো ঠাইতে মূৰ্ত্তি পূজাৰ বিৰুদ্ধে প্ৰচাৰ কৰিছিল।

যীশুৱে নিজৰ ঠাইত ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ সুবিধা নাপাই জেৰুজেলেম নগৰলৈ গল। তাত তেওঁ নিজৰ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ধৰিলে আৰু বহুতো তেওঁৰ শিষ্য হল।

ধৰ্ম্মযাজকসকলে দেখিলে, যীশুৱে তেওঁৰ নতুন ধৰ্ম্ম প্ৰচাৰ কৰি তেওঁবিলাকৰ সৰ্ব্বনাশ :কৰিব খুজিছে। সকলো মানুহে যদি তেওঁৰ ধৰ্ম্ম গ্ৰহণ কৰে, প্ৰচাৰকবিলাকক আৰু কোনেও নামানিব ইত্যাদি নানা কথা ভাবি তেওঁবিলাকে ৰজাৰ আগত যীশুৰ বিৰুদ্ধে লগালেগৈ। তেওঁবিলাকে ৰজাক বুজালে যীশুৱে এইদৰে নতুন ধৰ্ম্ম প্ৰচাৰ কৰি দেশত ঘোৰ অশান্তি সৃষ্টি কৰিছে। তেতিয়া ৰজাই যীশুক ধৰি আনিবলৈ আদেশ দিলে।

যীশুৱে এই দুৰভিসন্ধিৰ কথা জানিব পাৰি, তেওঁৰ প্ৰিয় শিষ্যসকলৰ লগত দেশে বিদেশে ঘূৰি ফুৰি নিজৰ ধৰ্ম্ম প্ৰচাৰ কৰি ফুৰিছিল। ৰজাৰ মানুহে তেওঁক বিচাৰি চাৰিওফালে পিয়াপি দি ফুৰিছিল, কিন্তু কোনেও তেওঁক বিচাৰি নাপালে। যেতিয়া যীশুৱে দেখিলে, তেওঁৰ কাম শেষ হল তেতিয়া তেওঁ নিজে আহি ৰজাৰ মানুহক ধৰা দিলেহি। বিচাৰ কৰিবৰ কাৰণে তেওঁক বিচাৰ সভাত উপস্থিত কৰা হল।

ধৰ্ম্মযাজকসকলে নিজৰ স্বাৰ্থ পূৰাবলৈ মিছা সাক্ষী দি যীশুক ধৰ্ম্মবিদ্ৰোহী আৰু ৰাজবিদ্ৰোহী বুলি প্ৰমাণ কৰিলে। তেওঁৰ মৃত্যুদণ্ড আজ্ঞা হল। যীশুৱে কোনো প্ৰতিবাদ নকৰিলে। যীশুৰ প্ৰাণদণ্ড আজ্ঞা ৰাজ-প্ৰতিনিধিৰ দ্বাৰা অনুমোদিত কৰিবৰ কাৰণে যীশুক তেওঁৰ ওচৰলৈ লৈ যোৱা হল। যীশুৰ শান্ত, গম্ভীৰ মূৰ্ত্তি দেখি ৰাজপ্ৰতিনিধি স্তম্ভিত হল আৰু যীশুক নিৰ্দ্দোষী বুলি তেওঁৰ মনত লাগিল। যীশুৰ প্ৰাণদণ্ড আজ্ঞা গুচাবলৈ তেওঁ চেষ্টা কৰিছিল কিন্তু তেওঁৰ অভিপ্ৰায় বুজিব পাৰি ধৰ্ম্মযাজকসকলে কলে, “যদি যীশুৰ দৰে ৰাজদ্ৰোহী এজনক আপুনি মুক্তি দিয়ে, তেন্তে আপুনি ৰজাৰ বিৰুদ্ধে আচৰণ কৰা হব।” ভয়াতুৰ ৰাজবিচাৰকে ভাবিলে যীশুক মুকলি কৰি দিলে তেওঁ নিজে বিপদত পৰিব লাগিব আৰু তেওঁ ৰাজবিষয়ৰ পৰাও বঞ্চিত হব। নিজৰ স্বাৰ্থৰক্ষাৰ কাৰণে যীশুক দোষী বুলি কবলৈ তেওঁ বাধ্য হল। আনবিলাকৰ মততেই তেও যীশুক পেৰেঙ্গণিত দি বধ কৰিবলৈ মত দিলে।

যীশুৱে তেওঁৰ প্ৰাণদণ্ড আজ্ঞা শুনি অলপো বিচলিত নহল। যথা সময়ত তেওঁক বধ্যভূমিলৈ লৈ যোৱা হল। তেওঁক পেৰঙ্গণিত দিয়া চাবলৈ লোকে লোকাৰণ্য হল। যীশু মহাপুৰুষে শান্তভাবে মৰণক আলিঙ্গন কৰি সকলোৰে চকুত তবধ লাগালে। মৃত্যুৰ সময়ত যীশুৱে

ওপৰলৈ চাই কলে, “প্ৰভু, এওঁবিলাকক ক্ষমা কৰিবা; কাৰণ এওঁবিলাকে বুজা নাই কি কাম কৰিছে।” এনে উদাৰমনা কথাত মানুহবিলাকে বুজিব পাৰিলে যীশু সামান্য পুৰুষ নাছিল। তেওঁৰ মৃত্যুৰ সময় তেওঁৰ মাকো তাত উপস্থিত আছিল। খ্ৰীষ্টানসকলৰ ধৰ্ম্মপুথি বাইবেলত লিখা আছে যীশুৱে হেনো মৃত্যুৰ তিনদিনৰ পিচত নিচেই ৰাতিপুৱাতে সমাধিৰপৰা উঠি তেওঁক মাক আৰু নিজৰ প্ৰিয় শিষ্য কেইজনক উপদেশ বাণী শুনাই স্বৰ্গধামলৈ প্ৰয়াণ কৰিলে।

যীশুৰ মৃত্যুৰ পিচত সকলোৱে তেওঁৰ প্ৰচাৰ কৰা পৱিত্ৰ ধৰ্ম্ম বুজিব পাৰিলে। তেওঁৰ শত্ৰু মিত্ৰ সকলোৱে তেওঁৰ প্ৰচাৰিত পৱিত্ৰ ধৰ্ম্ম গ্ৰহণ কৰিলে। যীশু পৰলোক প্ৰাপ্ত হোৱা আজি উনৈশ শ বছৰৰ বেচি হল, কিন্তু আজিও খ্ৰীষ্টানবিলাকে তেওঁৰ গুণকীৰ্ত্তন কৰি নিজক ধন্য মানিছে।

ইউৰোপৰ প্ৰায় সকলোবিলাক মানুহেই খ্ৰীষ্টধৰ্ম্ম অৱলম্বী। ইয়াৰ ভিতৰতো ধৰ্ম্মবিশ্বাস অনুযায়ী বিভেদ আছে। তাৰ ভিতৰত ৰোমান কেথলিক আৰু প্ৰোটাষ্টাণ্ট প্ৰধান। পাদ্ৰীসকলে দেশে বিদেশে এই ধৰ্ম্ম প্ৰচাৰ কৰি ফুৰিছে। আজি কালি আমাৰ ভাৰতৰো বহুত মানুহক এই ধৰ্ম্ম গ্ৰহণ কৰা দেখিবলৈ পোৱা গৈছে।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকাঃ—

সমাৱ; স্তম্ভিত, উপস্থিত, বঞ্চিত, বিদ্ৰোহী, আলিঙ্গন।

২। যীশুৰ চমু জীৱনী নিজৰ ভাষাত লিখা।

৩। তেওঁৰ জন্ম ঠাইৰ নাম কি?

# বিশ্বামিত্র আৰু বশিষ্ঠ

পূর্ব্বতে বিশ্বামিত্র মুনি ক্ষত্রিয় আছিল। তেওঁৰ বামুণ হবলৈ বৰ মন গল, সেই কাৰণে তেওঁ কঠোৰ তপস্যা কৰিবলৈ ধৰিলে। অৱশেষত ব্রহ্মাই বিশ্বামিত্রৰ তপত সন্তুষ্ট হৈ তেওঁক বামুণ পদ দান কৰিলে।

বিশ্বামিত্র বামুণ হোৱাৰ পিচত এদিন বশিষ্ঠ মুনিৰ ওচৰলৈ গৈ তেওঁক নমস্কাৰ জনালে। বশিষ্ঠ মুনিয়ে সমনীয়া বামুণক যেনে ব্যৱহাৰ কৰিব লাগে তেনে নকৰি বিশ্বামিত্রক "জয় হওক" বুলি আশীর্ব্বাদ দিলে। বশিষ্ঠৰপৰা তেনে ব্যৱহাৰ পাই বিশ্বামিত্রৰ মনে মনে বৰ খং উঠিল। তেওঁ বশিষ্ঠক একো নোকোৱাকৈ তাৰপৰা গুচি আহি পোনেই ব্রহ্মাৰ ওচৰলৈ গল। বিশ্বামিত্রই ব্রহ্মাক নিজৰ মনৰ দুখৰ বিষয়ে জনালেগৈ। ব্রহ্মাই কলে, "তুমি এই কাৰণে কিয় দুখ কৰিছা? তুমি নিজে বামুণৰ বেশ লোৱা নাই নহয়? তপৰ বলত তুমি বামুণ হৈছা; বশিষ্ঠই কিয় তোমাক বামুণ নুবুলিব?" ব্রহ্মাৰ কথা শুনি মুনি আকৌ বশিষ্ঠৰ ওচৰলৈ আহিল। এইবাৰো বিশ্বামিত্রই নমস্কাৰ কৰাত বশিষ্ঠই তেওঁক আগৰ দৰেই "জয় হওক" আশীর্ব্বাদ দিলে। এইবাৰো বিশ্বামিত্রই বৰ অপমান বোধ কৰিলে। তেওঁ মনতে ভাবিলে, "উস্; মই কঠোৰ তপস্যা কৰি বামুণ পদ লাভ কৰিলোঁ, তথাপি বশিষ্ঠই মোক বামুণ বুলি স্বীকাৰ কৰিব নোখোজে?" তেওঁ দুখে বেজাৰে আকৌ ব্রহ্মাৰ ওচৰ পালেগৈ। এইবাৰ ব্রহ্মাই তেওঁৰ প্রতি অলপ অসন্তুষ্ট ভাৱ দেখুৱাই কলে, "যোৱা,

এইবাৰ বশিষ্ঠই তোমাক নিশ্চয় বামুণ বুলি সন্মান কৰিব ; যদিহে এইবাৰো নকৰে, মই অভিশাপ দিছোঁ তেওঁৰ মূৰত বজ্রাঘাত হব।” বিশ্বামিত্র মুনি বশিষ্ঠ মুনিৰ ওচৰ পালেহি, কিন্তু এইবাৰ তেওঁ বশিষ্ঠক নমস্কাৰ জনাবলৈ ভয় কৰিলে, তেওঁ মনতে ভাবিলে, ‘যদি মই নমস্কাৰ দিওঁ, আৰু তেওঁ যদি মোক প্রতিনমস্কাৰ নিদিয়ে, ব্রহ্মাৰ অভিশাপ তেওঁৰ গাত লাগিব। মূৰত বজ্রাঘাত পৰি যদি বশিষ্ঠ



মুনি মৰে তেন্তে মোৰ গাত ব্রহ্মবধ পাপ লাগিব। নমস্কাৰ নকৰোৱেই। তেওঁ জানিবা মোক নমস্কাৰ নকৰিলেই, তাৰপৰানো মোৰ কি হানি হব ? আনৰপৰা মান লৈনো মই কি ডাঙৰ মানুহটো হম ?” এইদৰে মনতে গুণি গাথি বিশ্বামিত্র মুনি উলটি যাবলৈ ওলাল। কিন্তু আচৰিত কথা। এইবাৰ বিশ্বামিত্র উভতি যাবলৈ ধৰা দেখি বশিষ্ঠ মুনিয়ে নিজে নিজেই বিশ্বামিত্রক নমস্কাৰ জনাই বহিবলৈ কলে। বশিষ্ঠ মুনিপৰা তেনেকুৱা আশাতীত ব্যৱহাৰ পাই, বিশ্বামিত্র মুনি

বৰ আচৰিত হল। বিশ্বামিত্ৰই বশিষ্ঠ মুনিক সুধিলে যে বশিষ্ঠ মুনিয়ে নো কিয় তেওঁ আগেয়ে দুবাৰ নমস্কাৰ জনোৱাত প্ৰতিনমস্কাৰ নিদি আশীৰ্ব্বাদ দিলে আৰু এইবাৰেই বা কিয় নিজে নিজেই নমস্কাৰ জনালে ?

বিশ্বামিত্ৰৰ কথা শুনি বশিষ্ঠ মুনিয়ে হাঁহি উত্তৰ দিলে, 'আগেয়ে আপোনাৰ মনত বামুণ হোৱা বুলি অহঙ্কাৰ আছিল আৰু আপুনি বামুণৰ মান পাবৰ আশাৰেহে মোৰ গুৰিলৈ আহিছিল। কিন্তু এতিয়া আপোনাৰ অন্তৰত আৰু সেই অহঙ্কাৰ ভাৱ নাই। বামুণৰ প্ৰধান গুণ হৈছে ক্ষমা আৰু সেই ক্ষমা গুণ আপোনাৰ অন্তৰত জন্মিছে দেখি মই নিজে উপযাচি আপোনাক নমস্কাৰ জনাইছো। বামুণৰ গাত যদি বামুণৰ গুণ নাথাকে তেওঁক যথাৰ্থ বামুণ বুলিব নোৱাৰি।


বশিষ্ঠৰ কথা শুনি বিশ্বামিত্ৰ মুনিয়ে বৰ সন্তোষ পালে আৰু আনন্দ মনেৰে নিজৰ আশ্ৰমলৈ উভতি আহিল।

## অনুশীলন

বিশ্বামিত্ৰ মুনি বামুণ হোৱাৰ বিষয়ে কি জানা লিখা।

---

# জোনাবাই



চোঁৱাচোঁ উঠিছে নীল আকাশত
জেউতি জোনৰ গাৰ ;
তলত জোনৰ নিৰ্ম্মল পানীত
পৰিছে ছাঁয়াটি তাৰ।

কিয়নো নাচিছে কেউপিনে বেৰি
নক্ষত্ৰ সকলো তাত,—
মাজত কুঁৱৰী জোন আছে বহি
শুৱাই ৰাণীৰ পাট

বায়ু সাগৰত ওপঙি ফুৰিছে
নিয়ৰ কণিকা জৰি,
ৰিণিকি ৰিণিকি জিলিকিছে চোৱাঁ
ৰূপালী কিৰণ পৰি

বাকিছে নিজৰ অমিয়া কিৰণ
জগৎ বোৱাই ঢালি,
ব্যাপিছে সকলো বন, উপবন
পৰ্ব্বত, সাগৰ, বালি।

ইফালে সিফালে বায়ুৰ লগতো
ৰঙচুৰা বগা পাহি,
গছে গছে চোৱা তাৰে ফিৰিঙটি
পৰিছে উফৰি আহি।

যেন জোনাবায়ে পোহৰ স্বৰূপে
সকলোতে নিজে পৰি,
কৰিছে চেনেহ জড় জগতক
সাদৰে সাৱটি ধৰি।

—দুৰ্গেশ্বৰ শৰ্ম্মা

# সম্পদৰ বন্ধু, বন্ধু নহয়

কুলধৰ এজন ধনী মানুহৰ লৰা। তেওঁ মাক বাপেকৰ এক মাত্র সন্তান। বাপেক মাকৰ মৰমতে তত নাই। সাধাৰণতে ধনী মানুহৰ যি দশা হয়, কুলধৰৰো সেয়ে ঘটিল। তেওঁ কিছুমান দিন পঢ়াশালিলৈ অহা যোৱা কৰিয়েই পঢ়াশালিৰ পৰা নাম কটাই গুচি আহিল। এতিয়া তেওঁৰ কাম কেৱল লগৰ লগৰীয়াৰ লগত এনেই ঘূৰি ফুৰা। লগৰীয়াবোৰে তেওঁক উচটাই দি তেওঁৰপৰা টকাপইচা সৰকাবলৈ ধৰিলে। মূৰ্খ কুলধৰেও সিহঁতৰ অভিপ্ৰায় বুজিব নোৱাৰি সিহঁতৰ উচটনিত ভোল গৈ সিহঁতে যি খোজে তাকে দিবলৈ ধৰিলে। লগৰীয়াৰ মুখত নিজৰ প্ৰশংসা শুনি কুলধৰ গপত ওফন্দি পৰিল। হোৱাই নোহোৱাই কুলধৰক খৰচ কৰি ফুৰা দেখি এদিন পিতাকে কলে, 'বাছা, এই দৰে খৰচ নকৰিবি, এনেকৈ খৰচ কৰিলে অগাধ ধন সম্পত্তি থাকিলেও অলপ দিনৰ ভিতৰতে নাইকিয়া হব। কুলধৰ মাক বাপেকৰ আদৰুৱা লৰা, এষাৰ কিবা কলেই তাৰ অপৰাধ লাগে। লৰাৰ মৰমত মাক বাপেকেও বিশেষ একো নকয়। গতিকে এনে সাধাৰণ উপদেশ তেওঁৰ কাণত বৰকৈ নোসোমাল। তেওঁৰ আগৰ স্বভাৱেই থাকিল।

এইদৰে কিছুদিন যোৱাৰ পিচত কুলধৰৰ পিতাকৰ পৰলোক প্ৰাপ্তি হল। এতিয়া কুলধৰে সুবিধাই পালে, আগেয়ে জানিবা বাপেককলৈকে অলপ ভয় আছিল, এতিয়া সি মুকলিমূৰীয়া হল।

আজিকালি দিনে ৰাতিয়ে তাৰ চ'ৰা ঘৰৰপৰা বন্ধু-বান্ধৱ নুগুচাই হল। পুতেকৰ উৎপাত সহ্য কৰিব নোৱাৰি এদিন মাকে কলে, "বোপাই, তই এইখন কি কৰিছ? পিতাৰে কষ্ট কৰি আৰ্জ্জি থৈ

যোৱা সম্পত্তি, তই বহি বহি বন্ধুৰ লগত মেল মাৰি ধ্বংস কৰিছ? এইদৰে চলিলে অলপ দিনৰ ভিতৰতে তই পথৰ ভিক্ষুক হব লাগিব। যিবিলাকক বন্ধু বুলি ভাবি তই সেৱা শুশ্ৰূষা কৰিছ, সিহঁত কেতিয়াও তোৰ আচল বন্ধু নহয়। আচল বন্ধুৰ গতি এনে নহয়, ইহঁতে কেৱল তোক উচটাই তোৰ পৰা ধন আদায় কৰিছে। তোক দুখত পৰা দেখিলে ইহঁতে তোৰ ওচৰকে নাচাপে" ইত্যাদি নানাভাৱে মাকে পুতেকক বুজাবলৈ ধৰিলে। কথাতে কয়, "মৰণ কালত ঔষধে গুণ নিদিয়ে।" মাকৰ ইমান হৃদয়গ্ৰাহী উপদেশো কুলধৰৰ অন্তৰত নোসোমাল। বৰং তেওঁ মাকক নানা ৰকম অসৎ গালি শপনি পাৰিলে, কেৱল মাকৰ গাত হাত লগাবলৈহে বাকী থাকিল।

পুতেকৰ এনে অসৎ আচৰণ দেখি মাকৰ অন্তৰ দগ্ধ হৈ গল। ঈশ্বৰৰ ওপৰত পুতেকৰ ভাৰ অৰ্পণ কৰি তেওঁ তাৰপৰা আঁতৰি গল। তেওঁ মনতে কলে, "হে প্ৰভু, তোমাৰ বাহিৰে মোৰ অবোধ সন্তানক ৰক্ষা কৰোতা আৰু আন কোন নাই।"

পুতেকৰ উৎপাতত তাৰ লগত থকাও মাকৰ অসম্ভৱ হল। তেওঁ একো উপায় নেদেখি এজন আত্মীয়ৰ ঘৰত আশ্ৰয় ললেগৈ। কিন্তু তেওঁৰ মন প্ৰাণ পুতেকৰ লগতেই ৰল। পুতেকৰ মঙ্গল কামনা কৰি তেওঁ দিনে ৰাতিয়ে ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰি কাল কটাবলৈ ধৰিলে।

ইফালে কুলধৰে মাক দূৰহৈ যোৱাত আৰু সুবিধা পালে। এতিয়া তাৰ প্ৰতাপ চায় কোনে? লগুৱাবোৰৰ ওপৰত তাৰ দৌৰাত্ম্য দেখিলে ভয় লগা হল। এটা এটাকৈ সকলোবোৰ ভাগিল; কেৱল বহুত দিনীয়া পুৰণা বন্দী লৰা এটা ৰল। কুলধৰৰ অত্যাচাৰত তত নাপাই সিও কেবাবাৰো যাবলৈ ওলাইছিল, কিন্তু যাবৰ সময়ত কুলধৰক

অকলে এৰি তাৰ যাবৰ সত নগল। বৰ কষ্টেৰে বন্দী লৰাটোৱে কুলধৰৰ লগত জীৱন কটাবলৈ ধৰিলে।

কুলধৰৰ প্ৰতাপ আৰু কিমান দিন ৰব? লাহে লাহে তেওঁৰ তলি উদং হৈ আহিল। বন্দী লৰাটোৱেহে ক'ৰবাৰ পৰা বিচাৰি আনি খুৱাব লগাত পৰিল। বন্ধুবোৰেও কুলধৰৰ তলি উদং হোৱাৰ কথা গম পালে। এজন এজনকৈ বন্ধু লাহে লাহে কমিবলৈ ধৰিলে। কুলধৰৰ চৰাত আৰু আগৰ দৰে বন্ধুৰ সমাগম নাই। তেওঁৰ আদৰৰ বন্ধুবিলাকে তেওৰ বিপদ দেখি তেওঁক এৰি যোৱা পাই কুলধৰৰ মনত আঘাত লাগিল। এদিন কেইজনমান বন্ধু তেওঁৰ তালৈ আহিছিল; কুলধৰে কথাই কথাই নিজৰ দুৰৱস্থাৰ কথা তেওঁবিলাকৰ আগত জনালে। বন্ধুকেইজনে কলে "এ, ডাঙৰীয়া আপুনি সেইবোৰ কি কথা কৈছে? আপোনাৰ নো কেতিয়াবা অভাৱ হবনে? বাৰু অভাৱ যদি হয় আমি আছোঁ নহয় দেখা যাব" ইত্যাদি কথা কৈ উৰাই দিলে। সেই দিনাৰেপৰা এজন বন্ধুৰো মুখ আৰু দেখিবলৈ পোৱা নগল। কুলধৰ নিৰুপায় হল, বন্দী লৰাটোৱেও খুজি বিচাৰি কতো একো নোপোৱা হল। আজি তিনি দিন কুলধৰ অনাহাৰে আছে, তেওঁ শোৱা পাটীৰপৰাই উঠিব নোৱাৰা হল। ভোকত কলমলাই তেওঁৰ ধাতু যাওঁ যাওঁ হল। লগুৱাটোৱে উপায় নেদেখি কুলধৰৰ বন্ধুবিলাকৰ ঘৰে ঘৰে গৈ কুলধৰৰ শোচনীয় অৱস্থাৰ বিষয়ে জনালে। কিন্তু বৰ আচৰিত কথা এজন বন্ধুৱেও তেওঁৰ দুৰৱস্থাৰ কথা শুনিও তেওঁক এবাৰ দেখা নিদিলেহি।

ভোকত আৰু মনৰ বেজাৰত কুলধৰৰ দুইচকুৰেদি পানী বৰলৈ ধৰিলে। কুলধৰৰ দুখ দেখি লগুৱাটোৰ মনত বৰ কষ্ট লাগিল, সি

MOTI RAM BORA BALIKA VIDYAPITH 1963 P.O. ...GONG ASSAM

ভাবিলে, "এওঁ আৰু এদিনমান এইদৰে থাকিবলগীয়া হলে আৰু জীয়াই নাথাকে ; বন্ধুবোৰ মিছা, কোনো নাহিল। আইক এওঁৰ কথা জনোৱা উচিত। তেওঁ আহি এই দিহা নকৰিলে আৰু উপায় নাই।" এই বুলি ভাবি গুণি সি কুলধৰক একো নোকোৱাকৈয়ে কুলধৰৰ মাকৰ ওচৰ পালেগৈ আৰু তেওঁক সকলো কথা জনালে।

পুতেকৰ দুৰৱস্থাৰ কথা শুনি মাকৰ হৃদয় ফাটি গল। তেওঁ যেনেকৈ আছিল তেনেকৈয়ে লৰি গৈ পুতেকৰ ওচৰ পালেগৈ। পুতেকৰ অৱস্থা দেখি তাক সাবট মাৰি ধৰি মাকে হুৰাওৰাৰে কান্দিবলৈ ধৰিলে। মাক পুতেকৰ চকুৰ পানীৰে নৈ বৈ গল। মাকে অলপ সুস্থিৰ হৈ লৰালৰিকৈ কিবা অলপ যোগাৰ কৰি পুতেকক খাবলৈ দিলে। কেবাদিনৰ মূৰত পেটত অলপ আহাৰ পৰাত কুলধৰে ৰক্ষা পালে।

কুলধৰে মাকৰ ভৰিত দীঘল দি পৰি তেওঁৰ দোষৰ কাৰণে ক্ষমা মাগিলে। মাকে পুতেকক আশীৰ্ব্বাদ দি কলে, "বাছা, ঈশ্বৰৰ পৰম অনুগ্ৰহ যে ইমানতে তই ডকাইত বন্ধুবোৰৰ হাতৰ পৰা ৰক্ষা পৰিলি। ঈশ্বৰে তোৰ মঙ্গল কৰক।" সেই দিনাৰে পৰা কুলধৰৰ জ্ঞান চকু মেল খালে। মাকৰ সজ উপদেশ মতে চলি তেওঁ অতি অলপ দিনৰ ভিতৰতে নিজৰ অৱস্থা উন্নত কৰি মাকৰ লগত মহা সুখে কাল কটাবলৈ ধৰিলে। এইবাৰ আৰু আগৰ সম্পদৰ বন্ধুবোৰে তেওঁৰ ঘৰত ঠাই নাপালে। কুলধৰে ভালকৈ বুজিব পাৰিলে সম্পদৰ বন্ধু, বন্ধু নহয় ; বিপদৰ বন্ধুহে আচল বন্ধু, আৰু সন্তানৰ মাকৰ দৰে পৰম বন্ধু এই জগতত আন কোনো নাই।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—

উপাৰ্জ্জন, ধ্বংস, সম্পত্তি, বন্ধু, অৰ্পন, প্ৰশংসা, দুৰৱস্থা, প্ৰাৰ্থনা।

২। সম্পদৰ বন্ধু কিয় আচল বন্ধু নহয়?

৩। মাক কেনেকৈ সন্তানৰ পৰম বন্ধু—নিজৰ ভাষাৰে বুজোৱা।

---

# শাৰীৰিক বল

শৰীৰৰ বল শক্তিয়েই সকলো সুখৰ মূল। শৰীৰ সুস্থ থাকিলে মন সদায় প্ৰফুল্ল থাকে। শৰীৰত বল শক্তি বঢ়াবলৈ মানুহে যত্ন কৰিব লাগে। সৱল শৰীৰেই নিৰোগী হবৰ উপায়।

সকতে অসুস্থ, দুৰ্ব্বল থকা মানুহকো যত্নৰ বলত নিজৰ শৰীৰ সুস্থ সৱল কৰিব পৰা দেখা যায়। শৰীৰৰ বল শক্তি বঢ়ালেহে বাঢ়ে।

এজন ধনী মানুহৰ এটি বৰ সুন্দৰ নোদোকা লৰা আছিল। লৰাটি পঢ়াশালিত পঢ়িছিল। সেই পঢ়াশালিতে এটি দুখীয়া গাঁৱলীয়া লৰায়ো পঢ়িছিল। লৰাটি বৰ চেৰেলা আৰু ৰুগ্ন অৱস্থাৰ আছিল। ধনীৰ লৰাৰ পঢ়াশালিত পঢ়াৰ বাজে আৰু আন কাম কৰিবলৈ একো নাছিল। তাতে মাক বাপেকৰ আদৰুৱা লৰা—গাত টোপ এটাকো পৰিবলৈকে নিদিছিল।

ইমান সুখত উঠিও ধনীৰ লৰাৰ সেই সুন্দৰ সৱল শৰীৰ দিনক দিনে নিশকতীয়া হৈ আহিবলৈ ধৰিলে। শৰীৰত বল কমি আহিল,

হাত ভৰিবোৰ চেৰেলা হৈ আহিবলৈ ধৰিলে আৰু মনত তাৰ আগৰ প্ৰফুল্লতা নোহোৱা হল। আগৰ দৰে পঢ়াশুনাতো মন দিব নোৱাৰা হল।

ইফালে দুখীয়া লৰাটোৰ শৰীৰৰ অৱস্থা বয়সৰ লগে লগে দিনক দিনে ভাল হৈ আহিবলৈ ধৰিলে। তাৰ আগৰ সেই ৰুগ্ন অৱস্থা আৰু নাই। তাৰ শৰীৰ সুস্থ, সবল, মন সদায় প্ৰফুল্ল আৰু সি যি কামকে কৰে, মন পুতি কৰিব পাৰে। পঢ়াশুনাতো সি দিনে দিনে ভাল হৈ আহিল। এতিয়া শ্ৰেণীত সিয়ে প্ৰথম লৰা।

ধনীৰ লৰাৰ শৰীৰ ভাল নহয়, গতিকে সদায় মন মাৰি থাকে। পুতেকক মনমাৰি থকা দেখি মাকে সুধিলে, "বোপাই, কিয় এইদৰে থাক, তোৰ নো কিহৰ অভাৱ?" পুতেকে কলে, "আই, তুমিহে ভাবিছা মোৰ একোৰে অভাৱ নাই, কিন্তু চোৱাচোন মোৰ শৰীৰৰ অৱস্থা দিনে দিনে কেনেকুৱা হৈ আহিছে? স্বাস্থ্য ভালে নাথাকিলে মানুহে একো কৰিব নোৱাৰে, এনেকুৱা বেয়া শৰীৰ লৈ নো কিমান দিন জীয়াই থাকিম? আমাৰ শ্ৰেণীত হৰিকৃষ্ণ বৰ দুখীয়া লৰা। প্ৰথমে সি যেতিয়া পঢ়াশালিলৈ আহে, সি বৰ ৰুগ্ন অৱস্থাৰ আছিল। কিন্তু আজিকালি কি কবা—সি যেনেহে শকত-আৱত, হৃষ্টপুষ্ট, সদায় তাৰ প্ৰফুল্ল চিত, তাক কোনেও আজিকালি বলে নোৱাৰে, পঢ়াশুনাতো সি বৰ ভাল। সি যে কেনেকৈ এনেকুৱা হল মই কবই নোৱাৰোঁ। মই ইমান সুখত থাকিও, দিনে দিনে মোৰ গা বেয়াহে পাই আহিছোঁ। মোৰ পঢ়িব শুনিববো মন নাযায়। পঢ়া নোৱাৰাৰ কাৰণে মোক শিক্ষকে সদায় খং কৰে।" পুতেকৰ বেজাৰৰ কাৰণ জানিব পাৰি মাকে পিতাকক সকলো কথা জনালেগৈ। ঘৈণীয়েকৰ

কথা শুনি তেওঁ হৰিকৃষ্ণৰ পিতাকক মতাই আনি হৰিকৃষ্ণ কেনেকৈ ইমান শকত হল তাৰ কাৰণ সুধিলে। তেওঁ ইয়াকো সুধিলে, "আপুনি কিবা ঔষধ পাতি খুৱাই লৰাৰ শৰীৰ ভাল কৰিলে নেকি? যদি কিবা ঔষধ জানে মোৰ লৰাটোকো দিয়ে যদি বৰ উপকাৰ হয়। সৰুতে মোৰ লৰাটোৰ শৰীৰ বৰ ভাল আছিল, কিন্তু সি ডাঙৰ হৈ আহিছে মানে তাৰ গা বেয়া হৈহে আহিছে। ইয়াৰ কাৰণ কি মই বুজিবকে পৰা নাই।"

হৰিকৃষ্ণৰ পিতাকে কলে, "মই একো ঔষধ পাতি নাজানো আৰু মোৰ লৰাকো কেতিয়াও কোনো ঔষধ পাতি খুউৱা নাই। পেটৰ ভাত মুঠিকে আমাৰ মিলা টান, আমি দুখীয়া মানুহে ক'ত ঔষধ পাম? পিছে এটা কথা, মোৰ লৰাটো বৰ পৰিশ্ৰমী। সি নিজৰ পঢ়াশুনা কৰিও, ঘৰৰ সকলোবোৰ কাম কৰে। মাক অকলশৰীয়া, সি সকলো কামতে মাকক সহায় কৰে। সি নিচেই ৰাতিপুৱাতে উঠে, নিজৰ পঢ়াশুনা কৰি তাৰ পিচত পুখুৰীৰ পৰা পানী আনে, খৰি ফালে, বাৰীত সময়ত কোৰ মাৰে, ছেগ চাই সি কেতিয়াবা ধান বনাতো মাকক সহায় কৰে। সি পঢ়া লৰা, আমি তাক ইমান পৰিশ্ৰম কৰিবলৈ হাক দিও কিন্তু সি কয় বোলে পৰিশ্ৰম কৰিলেহে তাৰ গা ভালে থাকে আৰু গাৰ শক্তিও বাঢ়ে। সিহঁতে পুথিত পঢ়িছে, কিবা কুস্তি আৰু জিমনাষ্টিক কৰি হেনো বহুত মানুহে শৰীৰৰ বল শক্তি বঢ়াইছে। আমাৰ ভাৰতৰে মানুহ কোনোবা ৰামমূৰ্ত্তিয়ে হেনো এনেকৈ কুস্তি শিকি বহুত আচৰিত আচৰিত কাম কৰিছে। তেওঁ হেনো এবাৰ আমাৰ এইফালেও আহিছিল। তেতিয়া হেনো তেওঁ নিজৰ বুকুৰ ওপৰত হাতী এটা তুলি লৈ মানুহক দেখুৱাইছিল। বৰ প্ৰকাণ্ড প্ৰকাণ্ড শিল পিঠিত বান্ধি লৈছিল। দেড়কুৰিমান মানুহ উঠা গৰু গাড়ী এখন হেনো তেওঁৰ

কঁকালৰ ওপৰেদি টানি নিয়াতো তেওঁৰ একেবাৰেই নহল। 'এইবোৰ কথা সি আমাৰ আগত সদায় কৈ থাকে। সি কয় পৰিশ্ৰম নকৰাতো বৰ ভুল। সিহঁতৰ শিক্ষকে শিকাইছে বোলে সকলো লৰাই পৰিশ্ৰম কৰিবলৈ শিকিব লাগে। প্ৰত্যেকেই নিজৰ নিজৰ কাম কৰিব লাগে, আৰু মাক, বাপেককো কামত সহায় কৰিব লাগে। তেতিয়াহলে শৰীৰৰ বল বাঢ়িব আৰু সকলো কাম কৰাৰ অভ্যাস হব। কাম কৰাৰ অভ্যাস হলে, কাৰো ওপৰত নিৰ্ভৰ কৰিব লগাত নপৰে। যিবিলাকে নিজৰ কাম কৰি লব নাজানে, সেইবিলাকে আনৰ ওপৰত ভৰসা কৰি চলিব লাগে। পৰিশ্ৰম নকৰাৰ কাৰণে সেইবিলাকৰ শৰীৰ ঢিলা হৈ সিহঁত অকৰ্ম্মণ্য হৈ পৰে। লিখা পঢ়া শিকি মানুহে জ্ঞান আৰ্জ্জন কৰে, আৰু শাৰীৰিক পৰিশ্ৰম কৰি গাৰ বল শক্তি বঢ়ায়।

মই ভাবি চাইছোঁ, কথাটো মিছা নহয়। আমাৰ গাঁৱলীয়া মানুহৰ যোৰ নগৰীয়াই নাপায়। আমি সৰু কালৰেপৰা পৰিশ্ৰম কৰো কাৰণে আমাৰ শৰীৰ টান হয় আৰু বেমাৰ আজাৰে আমাক সহজে পিৰিব নোৱাৰে। নগৰীয়া মানুহে হয়হে বন বাৰি একো নকৰি গাত সুখ দিয়ে, কিন্তু তেওঁবিলাকৰ শৰীৰৰ অৱস্থা উজুটিতে পৰি মৰা। যি অলপো পৰিশ্ৰম কৰিবলৈ নিদিয়ে, তাৰ শৰীৰ কেনেকৈ ভালে থাকিব?' এজন গাঁৱলীয়া মানুহৰ মুখত ইমানখিনি উপদেশৰ কথা শুনিবলৈ পাই ধনীজনে বৰ আচৰিত মানিলে।

সেই দিনাৰেপৰা ধনীৰ পুতেকেও অলপ পৰিশ্ৰম কৰিবলৈ ধৰিলে। প্ৰথমে সি পৰিশ্ৰম কৰাত বৰ টান পাইছিল, কিন্তু চেষ্টা অৰু যত্নৰ বলত তাৰ পৰিশ্ৰম কৰা অভ্যাস হল, আৰু তাৰ লগে লগে শৰীৰতো বল শক্তিৰ বৃদ্ধি পালে। পুতেকৰ শৰীৰৰ উন্নতি দেখি মাক বাপেকৰ

মনত বৰ আনন্দ লাগিল। ধনীজনে হৰিকৃষ্ণৰ পিতাকক মতাই আনি কলে, “আপোনাৰ কথা মতে মোৰ লৰাটিয়ে পৰিশ্ৰম কৰি আজিকালি গা বহুত ভাল পাইছে। অলপ শকত-আৱতো হৈছে। আপুনি মোক বৰ উপকাৰ কৰিলে, মই কি দিম এই এশ টকা ৰূপ আপোনাক দিছো, ললে মই বৰ ভাল পাম।” হৰিকৃষ্ণৰ পিতাকে টকা লব নুখুজিছিল, কিন্তু বৰকৈ ধৰাত এৰাব নোৱাৰি অগত্যা টকা গ্ৰহণ কৰিবলৈ বাধ্য হল।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—

শাৰীৰিক, নিশকতীয়া, কুস্তি, প্ৰফুল্ল, নোদোকা, হৰিকৃষ্ণ, সন্তোষ, ৰুগ্ন, পৰিশ্ৰম।

২। শাৰীৰিক শক্তি কেনেকৈ সকলো সুখৰ মূল ?

৩। শৰীৰৰ বল মানুহে কেনেকৈ আৰ্জ্জন কৰিব পাৰে ?

৪। শৰীৰৰ বিষয়ে পঢ়া গল্পটিৰপৰা কি শিক্ষা পালা ?

# অশ্বত্থামাৰ দণ্ড

তোমালোকে মহাভাৰতত অশ্বত্থামাৰ নাম শুনিছা। এওঁ কৌৰৱ পাণ্ডৱৰ গুৰু দ্ৰোণাচাৰ্য্যৰ পুতেক।

দ্ৰোণাচাৰ্য্যই কৌৰৱৰ এশ ভাই ককায়েকক আৰু পাণ্ডৱৰ পাঁচ ভাই ককায়েকক অস্ত্ৰশিক্ষা দিছিল, আৰু তেওঁবিলাকৰ লগতে অশ্বত্থামায়ো পিতাকৰ গুৰিত অস্ত্ৰশিক্ষা কৰিছিল।

অশ্বত্থামাৰ জন্ম হওঁতে তেওঁ অমৰ হব বুলি আকাশীবাণী হৈছিল। সৰুৰে পৰা অশ্বত্থামা কৌৰৱ পাণ্ডৱৰ লগতে উমলি ডাঙৰ হৈছিল। সকলোবোৰ লৰাতকৈ অৰ্জ্জুন আৰু অশ্বত্থামাই অস্ত্ৰবিদ্যাত বেচি পাৰ্গত হৈছিল।

কৌৰৱ পাণ্ডৱৰ ভিতৰত যেতিয়া মহা যুদ্ধ লাগে দ্ৰোণ আৰু তেওঁৰ পুতেকে কৌৰৱৰ ফলীয়া হৈ যুঁজিছিল। সেই যুদ্ধ কুৰুক্ষেত্ৰ বুলি এখন ঠাইত হয়, গতিকেই পিচত এই যুদ্ধ কুৰুক্ষেত্ৰ যুদ্ধ নামে খ্যাত হয়। ভীষ্ম, দ্ৰোণ, কৰ্ণ আৰু ভাৰতৰ আন আন ৰজাসকল কৌৰৱৰ ফলীয়া হৈ যুঁজিছিল। কৌৰৱৰ সৈন্য পাণ্ডৱতকৈ বহুত গুণে বেচি আছিল। কিন্তু পাণ্ডৱৰ সহায় স্বয়ং শ্ৰীকৃষ্ণ হৈছিল। অৱশেষত সেই যুঁজত পাণ্ডৱৰে জয় হয়। অশ্বত্থামা, কৃপাচাৰ্য্য আদি কেইজনমান কৌৰৱৰ যোদ্ধাই পলাই কোনোৰকমে প্ৰাণ ৰক্ষা কৰিছিল। সেই যুদ্ধতে ভীমে পূৰ্ব্বৰ প্ৰতিজ্ঞামতে দ্বৈপায়ন হ্ৰদত কৌৰৱৰ ৰজা দুৰ্য্যোধনৰ উৰু গদাৰে কোবাই ভাঙে। দুৰ্য্যোধন উঠিব নোৱাৰা হৈ যুদ্ধক্ষেত্ৰত পৰি আছিল।

যুদ্ধ শেষ হোৱাৰ পিচত ৰাতি পাণ্ডৱৰ ৰণুৱাবোৰে নিজ নিজ বাহৰত নিশ্চিন্ত মনেৰে শুই আছিল। তেতিয়া সকলো ৰণুৱাই এইদৰে ঘোৰ টোপনিত অচেতন হৈ পৰি আছিল। সেই মহা নিশা অশ্বত্থামাই মনে



কুরুক্ষেত্র

মনে পাণ্ডুৱৰ বাহৰত সোমাই দ্ৰৌপদীৰ একে লগে শুই থকা পাঁচোটি লৰাৰ মূৰ পাঁচ পাণ্ডৱৰ মূৰ বুলি কাটি আনি দুৰ্য্যোধন ৰজাৰ আগত দিলেহি। দুৰ্য্যোধনে সৰু সৰু মুৰকিটা দেখি কলে, "গুৰুপুত্ৰ তুমি কি কাম কৰিলা? এই কিটা কেতিয়াও পাঁচ পাণ্ডৱৰ মূৰ নহয়। শ্ৰীকৃষ্ণ নিজে পাণ্ডুৱৰ সহায়, এই পৃথিবীত কাৰ সাধ্য আছে যে তেওঁবিলাকক বধ কৰে? মই অত সৈন্যেৰে যুঁজিও পাণ্ডৱক জয় কৰিব নোৱাৰিলোঁ। ভীষ্ম, দ্ৰোন, কৰ্ণ আদি মহা মহা বীৰসকলে পাণ্ডৱৰ হাতত প্ৰাণ হেৰুৱালে, তোমাৰ কি সাধ্য আছে পাণ্ডৱৰ মূৰকাটি আনিবলৈ? এই কিটা নিশ্চয় দ্ৰৌপদীৰ পাঁচ পুতেকৰ মূৰ। যুদ্ধ কৰি ক্লান্ত হৈ ৰাতি শুই আছিল শুই থকা শিশু কেইটাক বধ কৰি তুমি কি অন্যায় কাম কৰিলা? কুৰুবংশ একেবাৰে নিৰ্মূল কৰিলা, বংশত বন্তি দিবলৈকে কাকো নথলা," এই বুলি কৈ এটি দীৰ্ঘ নিশ্বাস এৰি ৰজাই প্ৰাণত্যাগ কৰিলে।

দ্ৰৌপদীয়ে পুতেকহঁতৰ মৃত্যু বাতৰি পাই কান্দি-কাতি অস্থিৰ হল। অশ্বথামাৰ মূৰত এটি মণি আছিল, সেইটি তেওঁৰ জন্মৰেপৰা আছিল। দ্ৰৌপদীয়ে কান্দি কান্দি অৰ্জ্জুনক কলে, মোৰ পাঁচটিকৈ লৰা অশ্বত্থমাই শুইথকা অৱস্থাতে বধ কৰিলে, তেওঁৰ মূৰৰ মণিটো মোক আনি দিব লাগে, তেহে মোৰ প্ৰাণ শাঁত হব, নহলে পুত্ৰ শোকৰ জুইয়ে মোক পুৰি দেই মাৰিছে।"

অৰ্জ্জুনে অস্ত্ৰ হাততলৈ দ্ৰোণৰ পুতেকৰ লগত যুঁজিবলৈ গল। অৰ্জ্জুন আৰু অশ্বথামাৰ ভিতৰত ঘোৰ যুদ্ধ লাগিল।

অৰ্জ্জুনে ব্ৰহ্মা অস্ত্ৰ জুৰিলে, নিমিষতে অস্ত্ৰই মহা গৰ্জ্জন কৰি আকাশৰ ওপৰলৈ উঠি গুৰুপুত্ৰক বধ কৰিবৰ কাৰণে তেওঁৰ ফালে বিজুলী বেগে যাবলৈ ধৰিলে। তাকে দেখি শ্ৰীকৃষ্ণই কলে, "সখি, কি

সৰ্ব্বনাশ কৰিলা। এতিয়াই ব্ৰহ্ম অস্ত্ৰই অশ্বত্থামাৰ মূৰকাটি উভতি আহিব আৰু তোমাৰ গাত ব্ৰহ্মবধ পাপ লাগিব।” অৰ্জ্জুনে কলে, “পিচে প্ৰভু কি উপায় হব? তোমাৰ বিহনে এই মহা বিপদত ৰক্ষা কৰোঁতা আৰু আন কোনো নাই।” শ্ৰীকৃষ্ণই চিঞৰি অশ্বত্থামাক কবলৈ ধৰিলে, “অশ্বত্থামা, ব্ৰহ্ম অস্ত্ৰই এতিয়াই তোমাৰ প্ৰাণ বিনাশ কৰিব. তোমাৰ মূৰটো দোঁৱাই দিয়া যাতে তোমাৰ মূৰৰ মনিটো কটা যায়।” অশ্বত্থামাই তাকেই কৰিলে চকুৰ নিমিষতে ব্ৰহ্ম অস্ত্ৰই অশ্বত্থামাৰ মূৰৰ মণি কাটি পেলালে। অৰ্জ্জুনে অশ্বত্থামাৰ মূৰৰ মণি আনি দ্ৰৌপদীক দিলেহি।

ইফালে ছালে সৈতে অশ্বত্থামাৰ মূৰৰ মণি কাটি নিয়াত, মূৰত এডোখৰ ঘা হল। তেওঁৰ সেই ঠাই ডোখৰ সদায় ভক-ভকাই থাকিবলৈ ধৰিলে। এদিন ব্যাসদেৱে অশ্বত্থামাক দেখি তেওঁৰ দুখত বৰ দুখিত হল। মুনিয়ে অশ্বত্থামাক কলে, “তুমি তোমাৰ পাপৰ শাস্তি ভোগ কৰিবলৈ পাইছা। তুমি যি মহা পাপ কৰিছিলা, তাৰ কাৰণে তোমাৰ প্ৰাণদণ্ডহে উচিত শাস্তি আছিল। তুমি বামুণ, তোমাক বধ কৰিব নাপায়, সেই কাৰণেই অৰ্জ্জুনে তোমাৰ মূৰৰ মণি কাটিয়েই এৰিলে। তুমি জীয়াই থাকা মানে এই শাস্তি ভোগ কৰিব লাগিব। মানুহে গা ধুবৰ সময়ত যেতিয়া গাত তেল ঘঁহে, তোমাৰ নাম কৰি আগেয়ে তিনিবাৰ তেল মাটিত পেলাব, সেই তেল তোমাৰ কটা ঘা ডোখৰত পৰিব, তেতিয়া অলপ চেঁচা পাবা। যিবিলাকে সেইদৰে আগেয়ে তিনিবাৰ তেল নেপেলায় তেওঁবিলাকৰ গাত দোষ লাগিব।” ইয়াকে কৈ ব্যাসদেৱ গুচি গল।

# ক্ৰোধ

ক্ৰোধৰ সমান শত্ৰু আৰু একো নাই ।
ক্ৰোধে দিয়ে সমুদায় সুখ আঁতৰাই ॥
যেই জনে সৰ্ব্বদাই কৰি থাকে ক্ৰোধ ।
নাথাকে মনত তাৰ ভাল মন্দ বোধ ॥
কিবা শত্ৰু কিবা মিত্ৰ কিবা আই ভাই ।
তাৰ ওচৰত একো ঘৰ পৰ নাই ॥
কাৰো ওপৰত যদি ক্ৰোধ হয় তাৰ ।
দোষাদোষ নিবিচাৰি কৰে অপকাৰ ॥
যিবিলাক কথা কোৱা উচিত নহয় ।
তেনেবোৰ কথাকেই ক্ৰোধৱন্তে কয় ॥
সদায় আনৰে সৈতে দ্বন্দ্ব ঘটে তাৰ ।
সকলোৱে মিলি তাৰ চিন্তে অপকাৰ ॥
মিতিৰ জনেও তাক কৰে শত্ৰু জ্ঞান ।
ভাবিচোৱাঁ ক্ৰোধে কৰে অনিষ্ট কিমান ॥
অপাৰ ঐশ্বৰ্য্য বহু থাকিলেও তাৰ ।
নিমিষতে ক্ৰোধাগ্নিত হয় ছাৰখাৰ ॥
নকৰে কোনোৱে তাক আদৰ সন্মান ।
সকলোৰে ওচৰত পায় অপমান ॥
ক্ৰোধৰ কাৰণে সিটো নানা কষ্ট পায় ।
বিপদত পৰি তাৰ ধন মান যায় ॥

—ধনাই বৰা

## অনুশীলন

সকলোৱে মিলি তাৰ চিন্তে অপকাৰ—বুজোৱা ।

---

# ৰমণী গাভৰু

লৰাহঁত, আজি তোমালোকৰ আগত তাহানি কালৰ আমাৰ দেশৰ এগৰাকী বীৰ ৰমণীৰ কথা ক'ম।

আহোম আৰু মোগলৰ ভিতৰত সন্ধি স্থাপন হোৱাত, আহোম ৰজাই ৰমণী গাভৰুক বই-বস্তু ধন-বিত আৰু বেটি-বান্দিৰে সৈতে মোগল ৰজালৈ পঠালে। মোগলৰ যুৱৰাজে আহোম জীয়াৰী, ৰমণী গাভৰুৰ ৰূপত মুগ্ধ হৈ তেওঁক পত্নীৰূপে পাবলৈ বৰ যত্ন কৰিছিল। ৰমণী গাভৰুৱে একো উপায় নাপাই তেওঁৰ সখীয়েক এগৰাকীক নিজৰ সাজ-কাপোৰ পিন্ধাই নিজে বান্দীৰ সাজ পিন্ধি ৰল। যুৱৰাজৰ লগত সখীয়েকৰ বিয়া হল। সেই সখীয়েকৰ পৰাই ৰমণী গাভৰুৱে মোগল ৰজাৰ সকলো ভিতৰুৱা খবৰ বাতৰি জানিব পাৰিছিল। তেওঁ সখীয়েকৰপৰা জানিব পাৰিলে যে মোগলবিলাকে তলে তলে বুদ্ধি সাজিছে আকৌ আহোম ৰাজ্য আক্ৰমণ কৰিব বুলি ; আৰু সেই যুদ্ধৰ সেনাপতি হৈ ৰাজপুত ৰজা ৰামসিংহ যাব। এই খবৰ জানিব পাৰি ৰমণী গাভৰুৱেও ৰাজপুত সৈন্যৰ দৰে সাজ পিন্ধি ৰামসিংহৰ গুৰিলৈ আহি কলে যে তেৱেঁা যুদ্ধলৈ যাব। ৰামসিংহই নিজৰ গাচোৱা কৰি তেওঁক লগতে ৰাখিলে। অলপ দিনৰ ভিতৰত ৰমণী গাভৰুৱে নিজৰ গুণত ৰজাক মোহিত কৰি ৰজাৰ বৰ প্ৰিয় পাত্ৰ হৈ উঠিল।

যথা সময়ত ৰামসিংহ অসমৰ সীমা পালেহি। লাচিত ফুকনে ৰামসিংহৰ আগমনৰ বাৰ্ত্তা পাই যুদ্ধ আকৌ কৰিবনে নকৰে ভাবিবলৈ ধৰিলে। বহুত যত্নৰ বলত, ৰমণী গাভৰুৱে লাচিত ফুকনৰ লগত দেখা কৰি মোগলবিলাকৰ চক্ৰান্তৰ বিষয়ে তেওঁক জনালে। সেই কথা শুনি ফুকন জ্বলি উঠিল আৰু যুদ্ধ কৰাকে স্থিৰ কৰিলে।

ইফালে মোগলবিলাকে ৰছিদ খাঁ নামে এজন মোগলৰ পুৰণি চিপাহিক বহুত দিন অসমত ৰাখি তেওঁৰ দ্বাৰা আহোম ৰজাৰ সকলো ভিতৰুৱা সন্ধান জানিবৰ চেষ্টা কৰিছিল।

ৰমণী গাভৰুয়ে ভাবিবলৈ ধৰিলে, ৰছিদ খাঁ যদি যুদ্ধৰ সময়ত অসমত থাকে, তেন্তে যুদ্ধ জয় কৰা টান হব; সেই ভাবি তেওঁ চক্ৰান্ত কৰি ৰছিদ খাঁক দেশলৈ পঠিয়াই দিলে।

ৰামসিংহই কূট-পৰামৰ্শ কৰি ফুকনলৈ বাতৰি পঠালে যে প্ৰথমে তেওঁ ফুকনৰ লগত অকলে যুদ্ধ কৰিব খোজে। সেই খবৰ পাই সাহসী ফুকনে নিজৰ সৈন্য আঁতৰত থৈ, তৰোৱাল হাতত লৈ অকলে ৰামসিংহৰ লগত যুঁজিবলৈ গল। ফুকন আৰু ৰামসিংহ দুয়োজনে যুদ্ধ কৰিবলৈ আৰম্ভ কৰিছে, এনেতে আগেয়ে বুদ্ধি দি থোৱাৰ দৰে তুৰ্ব্বক নামে আন এজন সেনাপতিয়ে খোলা তৰোৱাল হাতত লৈ ফুকনৰ ওপৰত জাপ মাৰি পৰি আক্ৰমন কৰিলে। ৰমণী গাভৰুয়েও মোগলৰ কূট-পৰামৰ্শ জানিব পাৰি সেই ঠাইত উপস্থিত আছিল। ফুকনক আক্ৰমণ কৰা দেখিয়েই তেওঁ তৎক্ষণাৎ পুৰুষৰ বেশ ত্যাগ কৰি নিজৰ বেশ ধৰি ৰণচণ্ডী মূৰ্ত্তি ধাৰণ কৰি তুৰ্ব্বককো আক্ৰমণ কৰিলে। গাভৰুৱে কলে, "বিশ্বাসঘাতক মোগল, ফুকনৰ লগত অন্যায় সমৰ কৰি জিকিবৰ কামনা কৰিছ, সেই কামনা পূৰাব নোৱাৰ। মই আহোম জীয়াৰী ৰমণী গাভৰু, মোৰ হাতত তোৰ এৰণ নাই" এই বুলি কৈয়ে, ভীষণভাবে তুৰ্ব্বকক আক্ৰমণ কৰিলে। তুৰ্ব্বক আৰু ৰমণী গাভৰুৰ ভিতৰত ঘোৰতৰ যুদ্ধ হল। হঠাৎ তুৰ্ব্বকৰ তৰোৱাল গাভৰুৰ বুকুত লাগি তেওঁ মাটিত পৰি গল। তিৰোতাৰ এনে দুঃসাহস

দেখি ৰামসিংহই নিজৰ তৰোৱাল খাপত সুমাই আহোমক সন্মান দেখুৱাই নিজৰ থকা ঠাইৰলৈ গুচি গল। ফুকনে লৰি আহি ৰমণীক শুশ্রূষা কৰিবলৈ ধৰিলে। ৰমণী গাভৰুৱে কোনোমতে ফুকনক মাত দিয়ে প্রাণত্যাগ কৰিলে। আহোম জীয়াৰী ৰমণী গাভৰুৰ কি অপূৰ্ব্ব বীৰত্ব আৰু দেশপ্রেম। দেশপ্রেম নহলে ইমান সাহস আৰু ইমান শক্তি কত পাব ?

## অনুশীলন

১। অৰ্থ শিকা :—

সন্ধিস্থাপন, স্থিৰ, উপস্থিত, মুগ্ধ, সন্ধান, আক্রমণ, বাৰ্ত্তা, কূট-পৰামৰ্শ, ত্যাগ।

২। নিজৰ দেশৰ উদ্ধাৰৰ কাৰণে ৰমণী গাভৰুৱে কেনেকৈ নিজৰ প্ৰাণ অকাতৰে বিসৰ্জ্জন কৰিলে তাক ব্যাখ্যা কৰা।

৩। ৰমণী গাভৰুৰ বীৰত্ব ক'ত প্ৰকাশ পাইছিল ?

# শান্তিৰাম

শান্তিৰাম এটা আঠ বছৰীয়া লৰা। সি কান্দি কান্দি মাকক কলেহি, "আই, ককাইদেৱে মৰে দুৱাৰ মুখত থিয়দি আছিলোঁ, ৰজাঘৰৰ মানুহ আহি ককাইদেউক লৈ গল। দেশৰ সকলো ডেকা লৰাকে যুঁজলৈ ধৰি নিবৰ কাৰণে ৰজাই আদেশ দিছে। ক'ৰবাৰ হেনো মধুদেৱ ৰজা আহি আমাৰ দেশ আক্রমণ কৰিছে। আমাৰ ৰজাই যুঁজত হাৰিব লগীয়া হৈছে।" পুতেকৰ কথা শুনি মাকে কান্দিবলৈ ধৰিলে। এনেতে শান্তিৰামৰ পিতাক ঘৰলৈ আহি ঘটনাৰ বিষয়ে সকলো শুনি মূৰে কপালে হাত দি ঠাইতে বহি শুনিবলৈ ধৰিলে।

মাক বাপেকে পুতেকৰ শোকত হুবাওবাৰে কান্দিবলৈ ধৰিলে। মাক বাপেকক এইদৰে কন্দা দেখি শান্তিৰামৰ বৰ বেয়া লাগিল। সি দুৱাৰ মুখলৈ ওলাই আহিল আৰু এটা বাটকৰুৱাক উধাতু খাই বেগাবেগিকৈ অহা দেখিবলৈ পালে। শান্তিৰামে সুধিলে, "ককাই, ইমান বেগাই কলৈ যোৱা?" "কি কবি বোপাই, শক্তিপুৰৰ প্ৰজাৰ বিলাই কি চাবি? মধুদেৱ ৰজাই যুঁজত আমাৰ ৰজাক হৰুৱালে। এতিয়া শক্তিপুৰৰ ৰাজধানীৰ ভিতৰত সোমাই মধুদেৱে আমাৰ প্ৰজাৰ ওপৰত ভয়ানক দৌৰাত্ম্য আৰম্ভ কৰিছে। লাহে লাহে এই গাওঁ পাইহে লাগে।" শান্তিৰামে সুধিলে, "আমাৰ ককাইকো আমাৰ ৰজাৰ মানুহে যুঁজলৈ লৈ গৈছিল, তেওঁৰ কি হল কব পাৰানে?" যুজলৈ যোৱা সকলোবোৰ মানুহ মৰিল বুলি শুনিছোঁ।" পিছে আমাৰ ককাইও মৰিলেনেকি, ককাই?" "যদি সকলোবোৰ মৰিছে, তোৰ ককাইয়েৰো অৱশ্যে মৰিছে।" শান্তিৰামে কলে, "কোনটো ৰজাই মোৰ ককাইক মাৰিলে, মই যদি আজি তাক পাওঁ!" বাটকৰুৱাটোৱে কলে, "কি কৰিবি বাছা? এতিয়া নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ চেষ্টা কৰ।" শান্তিৰামে কলে, "তুমি মোক কোৱাচোন ককাইক মৰা ৰজাটো ক'ত আছে?" বাটকৰুৱা—"তোৰ ককায়েৰ মৰিছে যদি মধুদেৱ ৰজাৰ সৈন্যৰ হাতত মৰিছে, সেই জন ৰজাই শক্তিপুৰত সোমাই, দেশ ছাৰখাৰ কৰিব লাগিছে। মই আৰু তোৰ লগত কথা পাতিব নোৱাৰোঁ, এনেকৈ মেলমাৰি থাকিলে মোৰ নিজৰ প্ৰাণলৈকে টনাটনি হব।" এই বুলি কৈয়ে বাটকৰুৱা জন উধাতু খাই গুচি গল। শান্তিৰাম আৰু ঘৰৰ ভিতৰ নোসোমাল, বাহিৰে বাহিৰে শক্তিপুৰৰ ফালে

যাবলৈ ধৰিলে। বাটত সি নগৰ এৰি অহা বহুত মানুহৰ লগ পালে। সকলোৱে তাক কবলৈ ধৰিলে, "আমি সকলোৱে ভয়ত নগৰৰপৰা পলাই যাবলৈ ওলাইছোঁ, তই কিয় সৰু লৰাটোৱে এনেকুৱা সময়ত নগৰলৈ যাবলৈ ওলাইছ ? ব'ল উভতি ঘৰলৈ ব'ল, মিছাতে নগৰলৈ গৈ প্ৰাণ নেহেৰুৱাবি" কিন্তু শান্তিৰামে কাৰো কথা নুশুনি নগৰৰ ফালে যাবলৈ ধৰিলে।

সি শক্তিপুৰত সোমাই দেখিলে নগৰত মধুদেৱৰ সৈন্যৰ বাহিৰে জনপ্ৰাণী এটিও নাই। সৈন্যবোৰে হাতত অস্ত্ৰ লৈ ঘুৰি ফুৰিছে। এইদৰে সৈন্যবোৰ চাৰিওফালে ঘূৰি ফুৰা দেখি শান্তিৰামৰ বৰ ভয় লাগিল। শান্তিৰামক দেখামাত্ৰকতে মধুদেৱৰ সৈন্যই তাক হাতে ভৰিয়ে বান্ধি ৰজাৰ ওচৰলৈ লৈ গল। ৰজাই শান্তিৰামক দেখি কলে, "নগৰৰপৰা সকলো মানুহ পলাই ফাট মাৰিছে, এনেস্থলত তই সৰু লৰাটোহে কিয় ইয়ালৈ আহিলি।" শান্তিৰামে কলে, "মই মধুদেৱ ৰজাক বিচাৰি আহিছোঁ, তেওঁ আমাৰ ককাইক মাৰিছে বোলে"। ৰজাই কলে "তোৰ ককায়েৰক ৰজাই জানিবা মাৰিলেই, তই ৰজাক কি কৰিবি ?" শান্তিৰামে কলে, "মই ৰজাক সুধিম কিয় ককাইক মাৰিলে ? ককায়েতো নিজে যুঁজলৈ অহা নাই, ৰজাৰ মানুহেহে তাক ধৰি আনিছিল।" ৰজাই কলে, "ময়ে মধুদেৱ ৰজা' কি কৰিবি ? তোৰ ককায়েৰ যুঁজত মৰিল, এতিয়া তোক কি লাগে ক, তই যিহকে খোজ মই তোক তাকে দিম।" শান্তিৰামে কলে, "মোক একো নালাগে, কেৱল ককাইক আনি দিব লাগে। লৰাটোৰ কথা শুনি ৰজাৰ বৰ দুখ লাগিল, তাৰ বান্ধ মোকোলাই দিয়ালে আৰু তাক মৰম কৰি কলে, "বাছা, মৰা মানুহতো আৰু উলটি নাহে।"

ৰজাৰ কথা শুনি শান্তিৰামে ককায়েকক আৰু নাপায় বুলি জানি গাৰেমানে কান্দিবলৈ ধৰিলে। তাৰ পিচত তাৰ চকুপানী মুচি, ৰজাৰ কালে চাই সি কলে, "ৰজা, তুমি আৰু যুঁজ নকৰিবা এই যুঁজত আমাৰ শক্তিপুৰৰ ৰজাৰ মানুহ মৰি আধা হল। নগৰবাসীবোৰেও তোমাৰ সৈন্যৰ অত্যাচাৰত নগৰত থাকিব নোৱাৰি যেনিয়ে পাই তেনিয়ে পলাই গৈছে। তুমি যুঁজত জিকিছা, আমাৰ ৰজাকো বান্ধি ৰাখিছা, কিয় তোমাৰ মৰম নালাগে জানো ?" শান্তিৰামৰ কথা শুনি ৰজা আচৰিত হল, তেও মনে মনে ভাবিবলৈ ধৰিলে, "এই অকণমান লৰাটোৱে দেখোন মোৰ জ্ঞান চকু মুকলি কৰি দিলে। মিছা নহয়, অত নিৰ্দ্দোষী প্ৰাণীৰ ওপৰত মই কিয় ইমান অত্যাচাৰ কৰিছোঁ ? মই যুঁজত জয় লাভ কৰিলোঁ যেতিয়া মোৰ উদ্দেশ্য সিদ্ধি হ'ল, অনৰ্থক নিৰাশ্ৰয় প্ৰজাৰ ওপৰত কিয় দৌৰাত্ম্য কৰো।

পাছত ৰজাই শান্তিক কলে, "তই যি কৈছ সঁচা, বাৰু মই আৰু যুঁজ নকৰোঁ।" এই বুলি কৈ শক্তিপুৰৰ ৰজাৰ লগত মিত্ৰতা পাতি আপোনাৰ ৰাজ্যলৈ উভতি গল।

তেতিয়া শক্তিপুৰৰ ৰজাই নগৰত ঘৰদুৱাৰ সজাই, শান্তিৰামৰ মাক বাপেকক গাঁৱৰপৰা অনালে আৰু শান্তিক বহুত ধন সোণ বঁটা দিলে।

## অনুশীলন

১। অৰ্থ শিকা :—

অস্থিৰ, মন্ত্ৰণা, আক্ৰমণ, নিৰ্দ্দোষী, দৌৰাত্ম্য, স্থাপন, কন্দা, অত্যাচাৰ।

২। শান্তিৰামে কেনেকৈ শক্তিপুৰ শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিলে ?

# সুখৰ ঠাই

( ১ )

শুনিছোঁ সুখৰ ঠাই তোমাৰ মুখত,
কোৱাঁ আই, কোৱাঁ সেই ঠাই আছে কত ?
কোৱাঁ সি জেউতি ভৰা দেশ ক'ত বাৰু,
আমি নো বিচাৰি তাক নাপাম নে আৰু ?
কমলাৰ ফুল যত অলেখ ফুলিছে,
গছৰ ডালৰ মাজে জোনাকী নাচিছে ;
তাতে নে সুখৰ ঠাই, কোৱাঁ মোক আই ?
—নহয় নহয় তাত সাদৰী সোণাই।

( ২ )

দীঘল পাতেৰে য'ত আছে বহু তাল,
ৰ'দৰ তাপত পকে খাজুৰ ৰসাল ;
নীল সাগৰত থকা মাজুলীবোৰত,
সুন্দৰ সুগন্ধি নানা ফুল ফুলে য'ত ;
ফুলাম পাখিৰে য'ত পক্ষীবোৰ উৰে,
সুৰলা মাতেৰে গীত গাই গাই ফুৰে ;
তাতে নে সুখৰ ঠাই, কোৱাঁ মোক আই ?
—নহয় নহয় তাত সাদৰী সোণাই।

( ৩ )

তেন্তে কি সি ঠাই, আই, দূৰ অতিশয়,
সোণোৱালী বালি মাজে নৈ য'ত বয় ;
চৰিছে জেউতি য'ত পদ্মৰাগ মণি,
পোহৰে হীৰাই য'ত নিৰজন খনি ;
পোৱাল-বন্ধোৱা পাৰ নীল সাগৰৰ,
আছে য'ত শোভা কৰি মুকুতা আকৰ ;
তাতে নে সুখৰ ঠাই, কোৱাঁ মোক আই ?
—নহয় নহয় তাত সাদৰী সোণাই।

( ৪ )

চকুৰে নেদেখি সোণ, সি সুন্দৰ স্থান,
কাণেৰে নুশুনি তাৰ আনন্দৰ গান ;
সপোনৰো:অগোচৰ সি সুন্দৰ ঠাই.
ৰোগ, শোক, জৰা, মৃত্যু, সি দেশত নাই।
বিনাশী কালৰ তাত অধিকাৰ নাই,
আকাশৰ ওপৰত সি সুখৰ ঠাই,
অমৰ সৌন্দৰ্য্য তাত বিৰাজে সদাই
চিৰ সুখ, চিৰ শান্তি, সাদৰী সোণাই।

—আনন্দৰাম আগৰৱালা

## অনুশীলন

১। প্ৰকৃত সুখ বুলিলে কি বুজায় ?
২। এই কবিতাটিৰ মতে স্বৰ্গৰ বৰ্ণনা কৰা।


# জাহাজ

এনেকুৱা এদিন আছিল যিদিনা মানুহে ঢেউখেলোৱা বিশাল সমুদ্ৰৰ পাৰত থিয়হৈ হতাশ মনেৰে দূৰলৈ চাই আছিল। সেই সময়ত নৈ, সাগৰ পাৰ হবৰ কোনো উপায় নাছিল। আজি বহুত দিন হল, মানুহৰ এই দুঃখৰ দিন উকলি গৈছে। প্ৰথমে সৰু সৰু নাৱেৰে মানুহে ভয়ে ভয়ে পাৰৰ ওচৰে ওচৰে সাগৰত ঘূৰি ফুৰিছিল। এতিয়া মানুহে নিৰ্ভয় মনে ডাঙৰ জাহাজত সাগৰৰ ঢৌৰ ওপৰেদি অনায়াসে অহা যোৱা কৰে।

মানুহ ভগৱানৰ সৃষ্টিৰ শ্ৰেষ্ঠ প্ৰাণী, পানী, বামে সকলোতে চলিব পাৰে। মানুহে সাতুৰিব জানে, নিজৰ বুদ্ধিৰ বলত নানা যন্ত্ৰ আবিষ্কাৰ কৰি জল, স্থল, আকাশ সকলোতে গতি কৰিব পাৰে। জাহাজত উঠি সাগৰ পাৰ হোৱা মানুহৰ জীৱনত আজি কালি এটি সাধাৰণ ঘটনা হৈ পৰিছে।

বহুত দিনৰ আগেয়ে যেতিয়া সৰু সৰু নাওঁ লাহে লাহে মানুহৰ হাতত জাহাজত পৰিণত হয়, তেতিয়া জাহাজ বঠাৰ সহায়েৰে চলোৱা হৈছিল; পিচত পালৰ সহায়েৰে চলোৱা হৈছিল; পালত বতাহৰ জোৰ লাগি জাহাজ চলিছিল। লাহে লাহে বাষ্পৰ সহায়ত জাহাজ চলোৱা আৰম্ভ হল। আজি কালি কয়লাৰ সলনি ডাঙৰ ডাঙৰ জাহাজ বোৰত তেল ব্যৱহাৰ কৰা হয়। কয়লাৰ জাহাজত তলৰ তলিখন বৰ অপৰিষ্কাৰ থাকে। আৰু জুইৰ ওচৰত থাকি কয়লা জুইত দিওঁতে, খালাছিবোৰৰো বৰ কষ্ট হয়।


তেলৰ জাহাজত এই বিলাক দিগ্‌দাৰৰ পৰা ৰক্ষা পৰা যায়। পৰিষ্কাৰ ঘৰত তেলৰ চৌবাচ্চাৰ মুখত নলী সজোৱা থাকে। তাৰে যেই সেই এটা জাহাজৰ জুই ঘৰৰ লগত যোগ কৰি দিব পাৰি। ভৱিষ্যতে বোধকৰো সকলো জাহাজতে তেল ব্যৱহাৰ কৰা যাব।



জাহাজৰ ভিতৰৰ দৃশ্য

তেতিয়া আৰু তোমালোকে কল ঘৰৰ ওচৰত থিয় হৈ মলিয়ন কাপোৰ পিন্ধা খালাছিবোৰক জুইত সিজা দেখিব লগাত নপৰে। জাহাজবোৰো দেখিবলৈ আৰু সুন্দৰ হব। প্ৰথমৰ জাহাজ বোৰ

কলম্বিলৰ বথলাৰ দৰে সমুদ্ৰৰ ঢৌত ওপঙি থকাৰ দৰে দেখা গৈছিল। কিন্তু আজি কালি প্ৰকাণ্ড জাহাজ সৰু সুৰা ওপঙা নগৰৰ দৰে সমুদ্ৰৰ বুকত গম্ভীৰ ভাৱে ঘূৰি ফুৰে। জাহাজবোৰ কিমান ডাঙৰ আৰু তাৰ ভিতৰত কত কি আছে শুনিলে তোমালোকে আচৰিত মানিবা। ডাঙৰ ডাঙৰ চহৰত যিমানবোৰ আনন্দ আৰু আৰামৰ উপকৰণ পোৱা যায়, জাহাজতো সেইবোৰৰ একোৰে অভাৱ নাই। তোমালোকে যদি আধুনিক জাহাজত উঠি সাগৰ পাৰ হব খোজা তেতিয়াহলে তোমালোকে প্ৰত্যেক দিন জাহাজত উঠি বায়স্কোপ দেখিবলৈ পাবা, ডাঙৰ খোৱা কোঠাত খাব পাৰিবা। তোমালোকে ফুৰিব খুজিলে, জাহাজৰ ডেকৰ দুইফালে




জাহাজত ফুৰিবৰ ডেক

ফুৰিবলৈ প্ৰকাণ্ড পথ আছে। সেই ফালে যাওঁতে যাওঁতেই সমুদ্ৰৰ শোভা দেখিবলৈ পাবা। যদি আৰু অলপ বেচি পৰিশ্ৰম কৰিব খোজা, তেনেহলে ষ্টুৱাৰ্ডে তোমালোকক ব্যায়াম ঘৰলৈ লৈ

ৰাব। তাত তুমি কলৰ ঘোড়াত উঠিব পাৰা, কলৰ নাও বাব পাৰা। ইচ্ছা হলে সাতুৰা ঘৰলৈ গৈ প্ৰকাণ্ড মাৰ্ব্বল পাথৰৰ চৌবাচ্চাত গা ধুব পাৰা।

কিতাপ পঢ়িবলৈ মন গলে, জাহাজৰ ডাঙৰ লাইব্ৰেৰীলৈ গৈ কিতাপ পঢ়িব পাৰা। প্ৰতিদিন ৰাতিপুৱা জাহাজৰ বেতাৰ ঘৰত গোটেই পৃথিবীৰ সংবাদ জাহাজৰ ছপাখানাত ছপা কৰি যাত্ৰী বিলাকৰ ভিতৰত বিলাই দিয়া হয়। সেই খবৰ তোমালোকে ৰাতিপুৱা চাহ খাবৰ সময়তে প্ৰতিদিন নিয়মিত ভাবে পঢ়িবলৈ পাবা। জাহাজত তোমালোকৰ একোৰে অভাৱ নহয়। সৰহ টকা খৰছ কৰি প্ৰথম বা দ্বিতীয় শ্ৰেণীত যাব পাৰিলেটো কথাই নাই। একোটা কেবিনৰ সাজ সৰঞ্জামে ডাঙৰ ডাঙৰ হোটেলৰ ঘৰ বিলাককো চেৰ পেলায়।



কুইন মেৰী

এই দৰে সৰ্ব্বাঙ্গ সুন্দৰ কৰি মানুহে সমুদ্ৰযাত্ৰাক এটা আৰামৰ ব্যাপাৰ কৰি তুলিছে। আজি কালি পৃথিবীৰ ভিতৰত ইংলণ্ডৰ 'কুইন মেৰী' নামক জাহাজ খন সকলোতকৈ ডাঙৰ আৰু বেগী।

জাৰ্ম্মানীৰ "ব্ৰেমেন" আৰু আমেৰিকাৰ "লেভিয়াথান" জাহাজ জগদ্বিখ্যাত। ভৱিষ্যতত আৰু কিমান ডাঙৰ ডাঙৰ জাহাজ মানুহে নিৰ্ম্মাণ কৰিব, কোনে জানে।

## অনুশীলন

১। আগৰ কালৰ জাহাজ কেনেকুৱা আছিল ?

২। বৰ্ত্তমান কালৰ জাহাজবোৰ কেনে ধৰণৰ বৰ্ণনা কৰা।

---

# বুঢ়া মন্ত্ৰী

এসময়ত যোৰহাটত এজন বৰ প্ৰতাপী ৰজা আছিল। ৰজাৰ এটী মাত্ৰ লৰা আছিল, লৰাটিৰ শিশু অৱস্থাতে ৰজাৰ মৃত্যু হয়। মন্ত্ৰীজন বৰ সৎস্বভাৱী আৰু ধাৰ্ম্মিক আছিল। তেওঁ লৰা ৰজাৰ বৰ যত্ন লৈছিল, আৰু ৰাজ্যও বৰ ভালকৈ শাসন কৰিছিল। মন্ত্ৰীৰ সুশাসনত সকলো প্ৰজা বৰ সুখী আছিল।

মন্ত্ৰীৰ আৰু এটি ভাল গুণ আছিল যে তেওঁ সকলো কাৰ্য্যতে দোষ নেদেখি মাত্ৰ গুণকেহে দেখিছিল। কোনোৱে তেওঁৰ আগত কেতিয়াবা কোনো কাৰ্য্যৰ কথা কলে, তেওঁ কয়, "ঈশ্বৰে যি কৰে ভালকে কৰে।"

মন্ত্ৰীৰ সেই একেষাৰ কথা শুনি শুনি ৰজাৰ বৰ আমনি লাগিছিল আৰু পেটে পেটে মন্ত্ৰীৰ ওপৰত বৰ খং উঠিল।

এদিন কেনেবাকৈ ৰজাৰ হাতৰ আঙুলি এটা কটিলে। ৰজাৰ আঙুলি কটা দেখি পাত্ৰ মন্ত্ৰী সকলোৱে ৰজাৰ কাৰণে দুখ প্ৰকাশ কৰিলে কিন্তু সেই মন্ত্ৰীয়ে কলে, "ৰজাৰ কাৰণে ইমান চিন্তা কিহৰ? ঈশ্বৰে যি কৰে ভালকে কৰে।"

মন্ত্ৰীৰ মুখত এনে কথা শুনি ৰজা খঙত জ্বলি উঠিল। ৰজাই কলে, "অ" মই এতিয়া বুজিছোঁ, মন্ত্ৰী তোমাৰ অভিপ্ৰায় ভাল নহয়। মোৰ আঙুলি কটাত তুমি ভাল পাইছা সেইহে "ঈশ্বৰে যি কৰে ভালকে কৰে।"

"তোমাত আৰু বিশ্বাস নাই" এই বুলি কৈ ৰজাই চাউডাঙক আদেশ কৰিলে, "এতিয়াই পাপিষ্ঠক শিকলিৰে বান্ধি নি বন্দীশালত সুমাই থৈ দেগৈ।" ৰজাৰ আদেশ পাই চাউডাংহঁতে মন্ত্ৰীক শিকলিৰে বান্ধি বন্দীশাললৈ লৈ যাবলৈ ওলাল। যাবৰ সময়ত মন্ত্ৰীয়ে ৰজাৰ ফালে চাই কলে, "স্বৰ্গদেৱ, মই বন্দীশাললৈ যাবলৈ অলপো দুখ কৰা নাই, কিয়নো ঈশ্বৰে যি কৰে ভালকে কৰে।"

মন্ত্ৰীক বন্দীশালত সুমাই থোৱা হল। ৰজাই আন এজনক মন্ত্ৰী পাতিলৈ ৰাজ্য চলাবলৈ ধৰিলে। নতুন মন্ত্ৰীয়ে ভালকৈ ৰাজ্যশাসন কৰিব নোৱাৰাত, ৰাজ্যত নানা ৰকম বিশৃঙ্খল হবলৈ ধৰিলে। প্ৰজাবিলাকৰ মনত সুখ শান্তি নাইকিয়া হল। বুঢ়া মন্ত্ৰীৰ গুণৰ কথা ভাবি সকলোৱে তেওঁৰ কাৰণে বেজাৰ কৰিবলৈ ধৰিলে। কিন্তু ৰজাই এইবোৰ কথালৈ সমূলি কাণ সাৰ নিদিলে।

এদিন ৰজাই মৃগয়া কৰিবৰ কাৰণে নতুন মন্ত্ৰীক লগত লৈ হাবিলৈ গল। তেওঁবিলাকে বহুত ঘূৰি পকি সেইদিনা একো চিকাৰ নাপালে। দুয়োজনৰে বৰ ভাগৰ লাগিল। ওচৰতে এজোপা ডাঙৰ গছ দেখি

তাৰ তলতে দুয়ো জনে বহি জিৰাবৰ মন কৰিলে। তেওঁবিলাকৰ বৰ ভাগৰ লাগিছিল, বহা মাত্ৰকতে টোপনি আহিল। অলপ বেলিৰ পিচত ৰজাৰ টোপনি ভাগিল, তেওঁ চকু মেলিয়েই দেখিলে এটা বৰ ডাঙৰ ভালুক তেওঁবিলাকৰ আগত থিয় দি আছে। ভালুকে শকতআৰত চিকাৰ পালে কেতিয়াও এৰি নিদিয়ে। ৰজা এজন থুলন্তৰ পুৰুষ আছিল। তেওঁক দেখি ভালুকৰ মনে লকলকাবলৈ ধৰিলে। ভালুকে ৰজাৰ গোটেই গা শুঙিবলৈ ধৰিলে। ভালুকে মৰা বা ঘুণীয়া মানুহ কেতিয়াও নাখায়। ৰজাৰ গোটেই গাতো শুঙি শুঙি ভালুকে যেতিয়া তেওঁৰ কটা আঙুলিটো পালে, ততালিকে সি তেওঁক এৰি মন্ত্ৰীৰ ওচৰলৈ আহিল। টোপনিৰপৰা সাৰ পায়ে মন্ত্ৰীয়ে ভালুকক তেওঁৰ গা শুঙা দেখিবলৈ পাই ভয়ত অত্ৰাহি হল। মন্ত্ৰীৰ গাত একো ঘুণ নাপাই ভালুকে তেওঁৰ ডিঙিত কামোৰ মাৰি ধৰি হাবিত সোমালগৈ।

ভালুকে যেতিয়া ৰজাৰ কটা আঙুলি পাই তেওঁক এৰি মন্ত্ৰীৰ ওচৰলৈ গল সেই মুহুৰ্ত্তে ৰজাৰ বুঢ়া মন্ত্ৰীৰ কথা মনত পৰিল। তেওঁ মনতে ভাবিলে ভালেহে মোৰ আঙুলিটো কটা দেখি মন্ত্ৰীয়ে কৈছিল "ঈশ্বৰে যি কৰে ভালকে কৰে।" আঙুলিটো নকটাহেঁতেন আজি মোৰ কি দশা হলহেঁতেন!

ৰজা হাবিৰপৰা ৰাজধানীলৈ উলটি আহিয়েই মন্ত্ৰীক বন্দীশালৰপৰা মোকোলাই অনালে আৰু তেওঁৰ আগত হাবিৰ সকলো ঘটনা ভাঙি পাতি কলে। ৰজাই নাজানি মন্ত্ৰীক তেনে শাস্তি দিয়াৰ কাৰণে, মন্ত্ৰীৰ ওচৰত তেওঁ ক্ষমা খুজিলে। মন্ত্ৰীয়ে কলে, "স্বৰ্গদেৱ, ইয়াত দুখ কৰিবৰ একো নাই, ঈশ্বৰে যি কৰে ভালকে

কৰে। মোক যদি বন্দীশালত সুমাই নথলেহঁতেন মই কোৱা কথাষাৰৰ মূল্য আপুনি কেনেকৈ বুজিব পাৰিলেহঁতেন? ঈশ্বৰে সদায় আমাৰ মঙ্গল কামনা কৰে। আমি সকলোৱে তেওঁৰ চৰণত সবল বিশ্বাস আৰু ভক্তি ৰখা উচিত।”

### অনুশীলন

১। বানান আৰু অৰ্থ শিকা:—মন্ত্ৰী, অস্থিৰ, প্ৰতাপী, ব্যস্ত, সৎস্বভাৱী, বিশ্বাস, ধাৰ্ম্মিক, পাপিষ্ঠ।

২। গল্পটো চমুকৈ নিজ ভাষাত লিখা।

৩। মন্ত্ৰীৰ কথা ফলিয়ালত ৰজাই কি কৰিলে?

---

## যথাৰ্থ বন্ধু

যিজন তোমাৰ বন্ধু সুখৰ সময়।
সিজন যথাৰ্থ বন্ধু নহয় নিশ্চয়॥
ফুল ফুটি গন্ধ তাৰ হলে প্ৰকাশিত।
মধুৰ লোভত অলি হয় আকুলিত॥
গুণ্ গুণ্ কৰি অলি ফুল-মধু খায়।
মধুহীন হলে ফুল, ফিৰিও নাচায়॥
যেতিয়া তোমাৰ হব বহু ধন ধান।
তেতিয়া তোমাৰ বন্ধু দেখিবা কিমান॥

কত শত জনে আহি তযু গুণ গাব।
নিজ কাৰ্য্য সাধি পাচে দূৰত পলাব ॥
যেতিয়া তোমাৰ হব দুখ উপস্থিত।
ফিৰিও নাচাব, লাগে চিন্তিব অহিত ॥
ওচৰলৈ যোৱা যদি বিপদত পৰি।
তোমাক দেখিলে যাব সবেও আঁতৰি ॥
সম্পদ কালত বন্ধু পায় যাকে তাকে।
বিপদ কালত বন্ধু এজনো নাথাকে ॥
তোমাৰ সুখত হয় সুখ যি জনৰ।
তোমাৰ দুখত যাৰ দুখিত অন্তৰ ॥
যি জনে তোমাক কৰে বিপদত ত্ৰাণ।
মনে মনে সিজনক কৰা বন্ধু জ্ঞান ॥
বিপদে সম্পদে হয় সহায় যিজন।
তোমাৰ যথাৰ্থ বন্ধু জানিবা সিজন ॥

—ধনাই বৰা

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—
বন্ধু, সম্পদ, উপস্থিত, জ্ঞান, কাৰ্য্য, মধুহীন।
২। যথাৰ্থ বন্ধু কাক বুলিব পাৰি ?
৩। 'গুণ্ গুণ্ কৰি…ফিৰিও নাচায়'—ব্যাখ্যা কৰা।

# চেনিৰ গছ

লৰাহঁত, তোমালোকে যে চেনি খোৱা সেই চেনি কিহৰ পৰা তৈয়াৰ হয় কব পাৰানে ?

সাধাৰণতে কুঁহিয়াৰৰ ৰস পেৰি চেনি কৰা হয়। খেজুৰৰ ৰসৰ পৰাও চেনি কৰিব পাৰি। তালৰ ৰস আৰু নাৰিকল চুৰুকি তাৰ ৰস পগাইও চেনি কৰিব পাৰি। কোনো কোনো ঠাইত আকৌ গোমধানৰ ঠাৰি চেপি গুৰ বা চেনি কৰা দেখিবলৈ পোৱা যায়। জাৰ্ম্মান দেশত পালেং শাকৰ আলুৰপৰা এবিধ চেনি উলিয়াইছে। কিন্তু এতিয়া দেখিবলৈ পোৱা গৈছে চেনিৰ স্বকীয়া গছ আছে। বিলাতত এজন উদ্ভিদৰ অধ্যাপকে এবিধ নতুন চেনিৰ গছ বিচাৰি উলিয়াইছে।

গছজোপা বেচি ডাঙৰ নহয়, ইহাৰ গাত কাঁইট আছে আৰু ইয়াৰ পাতবোৰ সৰু সৰু। কাঁইটৰ বিন্ধাৰে আপোনা আপুনি ৰস বৈ পাতৰ আগত পগোৱা চেনিৰ দানাৰ দৰে থোপা বান্ধি ওলমি থাকে। তাত যদি বৰষুণৰ পানী পৰে, দানাবোৰ গলি মাটিত বৈ যায়। এই চেনি খাবলৈ কলৰ চেনিৰ নিচিনা সোৱাদ।

আমেৰিকাত বোলে আৰু এবিধ চেনিৰ গছ পোৱা গৈছে; ই খাবলৈ কলৰ চেনিতকৈ সোৱাদ, কিন্তু ই আচল চেনি নহয় বুলি প্ৰমাণ হৈছে।

দক্ষিণ চাইবিৰিয়াত আৰু এবিধ চেনিৰ গছ ওলাইছে। ইয়াৰ সোৱাদ বেচি নহয় বুলি কয়।

ওপৰত যিবোৰ চেনিৰ গছৰ কথা কোৱা হল, কত যত্ন কৰিহে এই গছবোৰৰ সন্ধেদ পোৱা গৈছে।

দয়াময় হৰিয়ে মানুহৰ আৰু জীৱ জন্তুৰ উপকাৰৰ কাৰণে কত লাগতিয়াল বস্তুৰ সৃজন কৰি থৈছে তাক ভাবিলেও আচৰিত হব লাগে।

আমাৰ দেশত কত হাবি বননি আছে, সেই হাবিবোৰৰ ভিতৰত আমাৰ উপযোগী কত গছ-গছনি আছে তাক কোনে জানিছে ? আমি যদি সেইবোৰ উদ্ভিদৰ বিষয়ে চৰ্চ্চা কৰিলোহেঁতেন কত নজনা বিষয়ে জানিব পাৰি নিজৰ আৰু আনৰ উপকাৰ সাধন কৰিব পাৰিলোহেঁতেন।

ভাৰতৰ আন আন ঠাইত কত মানুহে নানাবিষয়ক চৰ্চ্চা কৰি তাৰপৰা কত নতুন আবিষ্কাৰ কৰি জগতৰ উপকাৰ সাধন কৰিছে তাৰ আদি অন্ত নাই।

তোমালোকে এতিয়া বিদ্যা শিক্ষাৰ লগে লগে যদি প্ৰকৃতিৰ বিষয়ে লক্ষ্য কৰি চলা, তেন্তে দেখিবা কালত তোমালোকেও বহুত নজনা কথা শিকিব পাৰিবা। বিদ্যা শিকি যদি তোমালোকৰ চাৰিওফালে থকা বস্তুবোৰৰ বিষয়ে জ্ঞান নজন্মে, তেতিয়া হলে তোমালোকৰ বিদ্যা শিকাৰ একো লাভ নাই হোৱা বুলিলেই হয়। আমাৰ চকুৰ আগতে বিলাত আদিৰ নিচিনা উন্নত ঠাইত বিদ্বান পুৰুষসকলে কত নতুন নতুন আবিষ্কাৰ কৰিব লাগিছে, তালৈ আমাৰ কাণ সাৰেই নাই। চেষ্টাৰ অসাধ্য একো নাই।

আমাৰ ভাৰতত সেইবোৰ বিষয়ে চৰ্চ্চা কৰিবলৈ কত সুবিধা আছে, তথাপি আমাৰ মানুহে অলপো যত্ন নকৰে। অধ্যৱসায় আৰু চেষ্টাৰ বলত মানুহে সকলো কৰিব পাৰে।

তোমালোকে ৰামায়ণত পঢ়িব পোৱা যাৰণৰ শৰত ৰাম আৰু লক্ষ্মণ যেতিয়া অজ্ঞান হয় হনুমানে পৰ্ব্বতৰ ওপৰৰপৰা বিশল্যকৰণী আনি খুৱালত তেওঁবিলাকে জ্ঞান পালে। বিশল্যকৰণীৰ দৰে কত ভাল ভাল দৰবৰ গছ আৰু পাত হাবিৰ ভিতৰত পৰি আছে তাৰ বিষয়ে আমি একোকে নাজানো। নতুন জ্ঞান পাবলৈ হাবিলাষকৰা সকলোৰে পক্ষে উচিত।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—

উদ্ভিদ, বৰষুন, অধ্যাপক, যন্ত্ৰ, কাঁইট, চৰ্চ্চা, বিদ্ধা, প্ৰকৃতি।

২। সাধাৰণতে চেনি কিহৰ পৰা হয় ?

৩। ক'ত ক'ত চেনিৰ গছ পোৱা গৈছে ? আৰু তাৰ গুণ কি ?



# উৰাজাহাজ

আজিকালি আকাশী-ৰথ বা উৰা-জাহাজৰ নাম নুশুনা মানুহ অতি বিৰল। প্ৰথমে যেতিয়া এই ৰথৰ নাম শুনোহঁক, আমি বৰ আচৰিত হৈছিলোঁ। ভাবিছিলোঁ যিজনে এনে এটি যান উলিয়াইছে অৱশ্যে তেওঁৰ গাত কিবা এটি ঐশ্বৰিক শক্তি আছে।

কিন্তু সি নহয়, আজিকালি বিজ্ঞানৰ যুগ, বিজ্ঞানৰ বলত কত নতুন নতুন নেদেখা নুশুনা বস্তুৰ আবিষ্কাৰ হব লাগিছে তাক ভাবিলে আচৰিত নহৈ নোৱাৰি।

এই উৰা-জাহাজো বিজ্ঞানৰ বলতে আবিষ্কাৰ হোৱা। ইয়াক যে অলপ দিনৰ ভিতৰতে কোনো বৈজ্ঞানিকে আবিষ্কাৰ কৰি উলিয়াইছে এনে নহয়। আজিকালি যিবোৰ উৰাজাহাজ ওলাইছে, এই জাহাজ উলিয়াবলৈ কত বৈজ্ঞানিকে ইজনৰ পিচত সিজনে অশেষ পুৰুষাৰ্থ কৰিহে কৃতকাৰ্য্য লাভ কৰিব পাৰিছে।

যোৱা মহাযুদ্ধৰ সময়ৰপৰাহে এই জাহাজৰ প্ৰচলন হয়, আৰু দিনক দিনে ইয়াৰ উন্নতি হবলৈ ধৰিছে। কিছু বছৰৰ আগেয়ে ই ৰেল জাহাজ আদি আন যানৰ দৰে নিৰাপদ যান নাছিল। বৰ্ত্তমানত যদিও ই আগতকৈ বহুত নিৰাপদ হৈছে, তথাপি ইয়াকে একেবাৰে নিৰাপদ হোৱা বুলি কব নোৱাৰি। কিয়নো আজিকালিও কেতিয়াবা কেতিয়াবা উৰা-জাহাজৰ দুৰ্ঘটনা হোৱা শুনিবলৈ পোৱা যায়। আশাকৰোঁ

বিজ্ঞানৰ বলত অলপ দিনৰ ভিতৰতে এই উৰা-জাহাজ একেবাৰে নিৰাপদ যান হব পাৰিব আৰু তেতিয়া মানুহে এই যানত উঠিবলৈ অলপো ভয় নকৰিব। যদিও আজিলৈকে এই আকাশী-ৰথ আমাৰ দেশত বহুলভাবে প্ৰচলিত হোৱা নাই, কিন্তু পশ্চিমৰ ফালে ইয়াৰ প্ৰচলন ক্ৰমান্বয়ে বাঢ়ি আহিছে।

যোৱা মহাযুদ্ধত এই উৰা-জাহাজ, ইংৰাজ আৰু জাৰ্ম্মাণী দুয়ো জাতিয়ে ব্যৱহাৰ কৰিছিল। এই ৰথত উঠি গৈ ওপৰৰপৰা শত্ৰুৰ ৰাজ্যত বোমা পেলাই চকুৰ নিমিষতে হাজাৰ হাজাৰ সৈন্য আৰু সুন্দৰ সুন্দৰ নগৰ, গাওঁ মানুহে দুনুহে সৈতে ধ্বংস কৰি পেলাইয়াছিল।

আৱশ্যক মতে সৈন্যৰ কাৰণে ৰছদ পাতি আৰু দূৰ ঠাইলৈ খবৰ বাতৰি পঠাবৰ হলেও এই উৰা-জাহাজৰ সহায়ত অলপ সময়ৰ ভিতৰতে সুকলমে কৰিব পাৰিছিল। বিলাতৰপৰা আমাৰ ভাৰতলৈ উৰা-জাহাজেৰে আহিলে ছয় দিনতে পায়হি। আজিকালি আৱশ্যকীয় ডাক উৰা-জাহাজেৰে অনা নিয়া কৰে, সেই কাৰণে আমি ইচ্ছা কৰিলে বিলাতৰপৰা চিঠি ছয় সাত দিনৰ ভিতৰতে পাব পাৰোঁ। পশ্চিমৰ ফালে ধনী মানুহবিলাকে যদি সোনকালে কোনো দূৰ ঠাইলৈ যাব খোজে, তেনেহলে এই উৰা-জাহাজেৰেই অহা যোৱা কৰে। উৰাজাহাজ সকলো ৰকমৰ যানতকৈ বেগী। ইয়াৰ সহায়তে অতি দূৰ দেশলৈকো অলপ দিনৰ ভিতৰতে যাব পাৰি, বৰ আৱশ্যকীয় চিঠি পত্ৰ দূৰ ঠাইলৈ পঠাবলৈ হলে ইয়াৰ সহায়তে সোনকালে পঠাব পাৰি। যদি শত্ৰুৰ দেশৰ ভিতৰেদি কোনো দেশলৈ যাব লগা হয়, উৰা-জাহাজত উঠি গলে শত্ৰুৱে একো অপকাৰ কৰিব নোৱাৰে, কিয়নো বন্দুকেৰে গুলীয়ালেও গুলী সিমান দূৰ নাযায়। যোৱা মহাযুদ্ধৰ সময়ত কত জনে এই

উৰা-জাহাজত উঠি শত্ৰুৰ দেশৰ মাজেদি নিৰ্ব্বিঘ্নে অহা যোৱা কৰিব পাৰিছিল। আজিকালি শত্ৰু পক্ষৰ উৰা-জাহাজ ধ্বংস কৰা এবিধ কামান ওলাইছে।

এই পৃথিবীত এনেকুৱা বহুতো ঠাই আছে, যলৈ ৰেলজাহাজ আদিৰে যোৱা অসম্ভৱ। সেই অগম্য ঠাইবোৰো উৰা-জাহাজৰ সহায়ত চাই আহিব পাৰি। বহুতে এই যানত উঠি গৈ সেই ঠাইবোৰৰ ফটো লৈ আনকো দেখুৱাইছেহি।

উৰা-জাহাজ মানুহে চলায়। উৰা-জাহাজ চলোৱা কলৰ বাহিৰেও তাত দিক-নিৰ্ণয় কৰা যন্ত্ৰ আছে। চালকে উৰা-জাহাজ চলাওঁতে সেইবোৰ যন্ত্ৰৰ সহায় লয়। উৰা-জাহাজৰ আগত দুখন বতাহ দিয়া যন্ত্ৰ আছে, জাহাজখন সেই বতাহৰ জোৰতে চলে। উৰা-জাহাজ আনবোৰ যানৰ দৰে গধূৰ নহয়, ই এবিধ নিচেই পাতল ধাতুৰে নিৰ্ম্মিত।

এই আকাশী-ৰথ কেবা ৰকমৰো আছে। কিছুমানে মাটিৰ পৰা উৰে। এই বিধ ৰথৰ দুটা সৰু চকা আছে; প্ৰথমে অলপ দূৰ মাটিত চুচৰিহে পিচত ওপৰলৈ উৰিব পাৰে। যিবোৰ আকাশী-ৰথ পানীত চলায় সিহঁতৰ দুখন সৰু সৰু নাৱ থাকে। সেই নাৱ দুখনৰ সহায়তেই পানীত ওপঙি থাকে। কিছুমান উৰা-জাহাজৰ চকা আৰু নাৱ দুয়োটা থাকে। সিহঁতক পানী আৰু মাটি দুয়ো ঠাইতে চলাব পাৰি। যাত্ৰী আৰু ডাক অনা নিয়া কৰা আকাশী-ৰথৰ কোম্পানী আছে।

আজিকালি ভাৰতৰ ঠায়ে ঠায়ে উৰা-জাহাজ চলাবলৈ শিকোৱা ঠাই আছে। বৰ্ত্তমানত দুটি প্ৰধান অনুষ্ঠান আছে। এটা বম্বেত আছে, তাক বম্বে ফ্লাইং ক্লাব বোলে; আনটো কলিকতাৰ ওচৰৰ দমদম নামে ঠাই এখনত আছে, তাক বেঙ্গল ফ্লাইং ক্লাব বোলে।

উৰা-জাহাজ চলোৱা শিকিবলৈ বেচি লিখা পঢ়া জনাৰ আৱশ্যক নকৰে। আজিকালি আমাৰ পুৰুষ, তিৰোতা বহুতে ইয়াক চলাবলৈ ওপৰত কোৱা শিকা ঠাইবোৰত শিকিছে।

উৰা-জাহাজ চলাবলৈ অনুমতি পত্ৰ ( লাইচেঞ্চ ) লব লাগে।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা ঃ—

ঐশ্বৰিক, বিজ্ঞান, কৃতকাৰ্য্য, ধ্বংস, অনুষ্ঠান, আৱশ্যক।

২। 'উৰা-জাহাজ'ৰ দ্বাৰা আমাৰ কি কি কাম হয় ?

৩। উৰা-জাহাজৰ দিক্-নিৰ্ণয় কৰা যন্ত্ৰৰ দ্বাৰা কি কাম কৰিব পাৰি কোৱা।

---

# ভীষ্ম

তোমালোকে মহাভাৰতত ভীষ্মৰ নাম শুনিছা। ভীষ্ম কুৰুবংশৰ ৰজা শান্তনুৰ পুতেক। ভীষ্মৰ জন্মৰ বিষয়ে কথিত আছে,—অতীত কালত হিমালয় পৰ্ব্বতৰ দাঁতিত বশিষ্ঠমুনিৰ এখন আশ্ৰম আছিল। সেই আশ্ৰমত মুনিৰ এজনী কামধেনু আছিল। মুনিয়ে সদায় সেই গৰুজনীৰ গাখীৰ খাইছিল। স্বৰ্গত বসুনামেৰে আঠ জন ভাই ককাই আছিল। এদিন তেওঁবিলাকে ফুৰি ফুৰোঁতে বশিষ্ঠৰ আশ্ৰমত ওলালেহি। মুনিৰ কামধেনু দেখি তেওঁবিলাকৰ লোভ জন্মিল আৰু গোটেই কিজনে লগলাগি গাইজনী চুৰ কৰি লৈ গল। বসুকিজনৰ ভিতৰত এজনে জৰী ধৰি গাইজনীক লৈ গৈছিল আৰু ইকিজন লগত গৈছিল। মুনিয়ে তপস্যা কৰি যেতিয়া আশ্ৰমলৈ উলটি আহিল,

গাইজনীক আশ্ৰমত নেদেখি আচৰিত মানিলে। তেওঁ ধ্যান কৰি জানিব পাৰিলে, স্বৰ্গৰ আঠবস্তুৱে কামধেনু চুৰ কৰি নিলে। এই কথা জানিব পাৰি মুনিৰ বস্তুসকলৰ ওপৰত খং উঠি তেওঁবিলাকক এই বুলি অভিশাপ দিলে, "দেৱতাহৈ মানুহৰ দৰে আচৰণ কৰে, এতেকে দেৱলোকত আৰু বস্তুহঁতৰ স্থান নাই। মই শাপ দিছোঁ তেওঁবিলাকে পৃথিবীত গৈ জন্মগ্ৰহণ কৰক।"

মুনিয়ে দিয়া অভিশাপৰ বিষয়ে জানিব পাৰি, বস্তু আঠজনে মুনিৰ ওচৰলৈ আহি কাকুতি কৰি কবলৈ ধৰিলে, "মুনিবৰ, আমাক কৃপা কৰক, আমি দেৱতাহৈ কেনেকৈ পৃথিবীত বাস কৰিম গৈ?" মুনিয়ে তেওঁবিলাকৰ তুতিত সন্তুষ্ট হৈ কলে, "মই যেতিয়া এবাৰ শাপ দিলোঁ তাৰ অন্যথা কেনেকৈ হব? তোমালোকে পৃথিবীত গৈ জন্ম লবই লাগিব, কিন্তু তোমালোকৰ ভিতৰত সাতজনে পৃথিবীত জন্মগ্ৰহণ কৰিয়েই, আকৌ স্বৰ্গলৈ গুচি আহিবা। তোমালোকৰ ভিতৰত যি জনে জৰী ধৰি কামধেনুক লৈ গৈছিলা তেওঁ হলে পৃথিবীত থাকিব লাগিব। মানুহৰ গৰ্ভত তোমালোকে জন্ম লব নালাগে; গঙ্গাদেবীৰ গৰ্ভত তোমালোকৰ জন্ম হব।"

মুনিৰ কথামতে অষ্টবস্তুৱে জন্ম লবৰ কাৰণে পৃথিবীলৈ আহিল। সেই সময়ত শান্তনু ৰজাই হস্তিনা নগৰত ৰাজত্ব কৰিছিল। তেওঁ এজন ধৰ্ম্মপৰায়ণ ৰজা আছিল। ঘটনাক্ৰমে গঙ্গাদেবীৰ লগত ৰজাৰ বিয়া হল। গঙ্গাই ৰজাক সত্যত আবদ্ধ থুৱাই ৰাখিছিল যে গঙ্গাই যিহকে কৰিব খোজে ৰজাই তেওঁক তাকে কৰিবলৈ দিব লাগিব। যিদিনাই ৰজাই তেওঁৰ কামত বাধা দিব, সেই দিনাই গঙ্গাই ৰজাক পৰিত্যাগ কৰি গুচি যাব।

গঙ্গাৰ গৰ্ভত বসুসকলে এজন এজনকৈ আহি জন্ম ললেহি। লৰা জন্ম হোৱা মাত্ৰকতে গঙ্গাই লৰাটো নি নৈত পেলাই দি আহেগৈ। এইদৰে তেওঁ সাতজন লৰা নৈত পেলালে।

সত্যত আবদ্ধ ৰজা একো কৰও নোৱাৰে, কিন্তু তেওঁৰ মনে মনে গঙ্গাৰ ওপৰত বৰ খং উঠিল।

শেষৰ লৰাটি যেতিয়া জন্ম হল, গঙ্গাই পুতেকক নৈত পেলাবলৈ লৈ গল। ৰজাই আৰু চাই থাকিব নোৱাৰিলে। ৰজাই থাপ মাৰি পুতেকক গঙ্গাৰ হাতৰপৰা কাঢ়ি আনি, ৰাণীক বহুত কিবাকিবি টান কথা কলে। গঙ্গাই তেতিয়া হাঁহি ৰজাক নিজৰ চিনাকি দি কলে, "মহাৰাজ, তুমি নিজৰ সত্য পালন কৰিব নোৱাৰিলা। তোমাৰ লৰা তুমি ৰাখা, মই গলোঁ," এইবুলি কৈ অন্তৰ্দ্ধান হল।

ৰজাই পুতেকৰ নাম দেৱব্ৰত থলে আৰু বৰ যত্নেৰে পুতেকক শিক্ষা দিবলৈ ধৰিলে। অলপদিনৰ ভিতৰতে দেৱব্ৰত সকলো বিদ্যাত পাৰ্গত হল। দেৱব্ৰতে অস্ত্ৰ বিদ্যা বৰ ভালকৈ জানিছিল। তেওঁৰ সমান বীৰ সেই কালত কোনো নাছিল।

ৰজাই দ্বিতীয়বাৰ বিয়া কৰাবলৈ ইচ্ছা কৰিলে। কৈৱৰ্ত্ত ৰজালৈ বাতৰি পঠালে। সত্যৱতী নামে এটী সৰ্ব্বগুণৱতী ছোৱালী আছিল। সেই ছোৱালীটীক বিয়া কৰাবৰ মন কৰি ৰজাই কৈৱৰ্ত্ত ৰজালৈ বাতৰি পঠালে।

কৈৱৰ্ত্ত ৰজাই জীয়েকক শান্তনু ৰজালৈ দিবৰ মন নকৰিলে। তেওঁ কলে, "ৰজাক ছোৱালী দিলে কি হব, ৰজাৰ পুতেক আছে, ৰজাৰ অবিহনে সেই লৰাই ৰজা হব। মোৰ ছোৱালীৰ লৰাতো ৰজা হব নোৱাৰিব?"

শান্তনু ৰজাই বিয়া কৰোৱাৰ আশা পৰিত্যাগ পৰিলে। দেৱব্ৰতে কেনেবাকৈ এই খবৰ জানিব পাৰিলে আৰু তেওঁ সত্যৱতীৰ পিতাকৰ ওচৰলৈ গৈ নিজৰ পিতাকৰ কাৰণে সত্যৱতীক খুজিলে। দেৱব্ৰতে কৈৱৰ্ত্ত ৰজাৰ আগত শপত খাই কলে যে তেওঁ কেতিয়াও ৰজা নহয়। পিতাকৰ অবিহনে সত্যৱতীৰ লৰায়ে হস্তিনাৰ সিংহাসনত বহিব। তেতিয়া সত্যৱতীৰ পিতাকে কলে, "কোৱঁৰ, তুমি ৰজা নোহোৱা বুজিলোঁ কিন্তু তোমাৰ লৰাই যে পিচত হস্তিনাৰ ৰজা হবলৈ নিবিচাৰিব, তাৰ প্ৰমাণ কি ?" তেওঁৰ কথা শুনি দেৱব্ৰতে কলে, "আপুনি যদি সেই ভয় কৰিছে, আজি আপোনাৰ আগত মই আকৌ শপত খাই কৈছোঁ মই কেতিয়াও বিয়া নকৰাওঁ।"

দেৱব্ৰতৰ প্ৰতিজ্ঞা শুনি সকলোৱে আচৰিত মানিলে আৰু কৈৱৰ্ত্ত ৰজাই মহা সমাৰোহেৰে সত্যৱতীক শান্তনু ৰজালৈ বিয়া দিলে। পুতেকৰ প্ৰতি ৰজা শান্তনু সন্তুষ্ট হৈ পুতেকক 'ইচ্ছামৃত্যু' বৰ দিলে। তেতিয়াৰেপৰা দেৱব্ৰত ভীষ্ম নামে খ্যাত হল। কুৰু পাণ্ডৱৰ যুদ্ধত ভীষ্মই কৌৰৱৰ সহায় হৈ যুজিছিল। অৰ্জ্জুনৰ হাতত তেওঁ শৰশয্যাত পৰে কিন্তু তেতিয়াই তেওঁৰ মৃত্যু হোৱা নাছিল। ছমাহ তেওঁ শৰশয্যাত আছিল। যুদ্ধ শেষ হোৱা চাইহে উত্তৰায়ণত ইচ্ছা মৃত্যু হয়।

## অনুশীলন

১। শব্দাৰ্থ শিকা :—

স্বৰ্গ, আবদ্ধ, তপস্যা, পৰিত্যাগ, কৈৱৰ্ত্ত, অন্তৰ্দ্ধান, ৰাজত্ব, সৰ্ব্বগুণৱতী।

২। ভীষ্মৰ আগৰ নাম কি আছিল ?

৩। ভীষ্মৰ জন্মৰ বিষয়ে কি জানা ?

## ৰজা আৰু মকৰা

কতনো প্ৰবন্ধে পাচে ৰজা গদাধৰে
নোৱাৰি পূৰাব আশা বহু যতনেৰে
নীৰলে নিৰাশ মনে নিজান গুহাত,
প্ৰকাশি মনৰ খেদ কয় আপোনাত ;—

"মিছা হ'ল যত্ন মোৰ অসাধ্য মানিলোঁ,
অযথা ভাবনা ভাবি সমুলি বুৰিলোঁ
এৰিলোঁ ৰাজ্যৰ আশা, নকৰোঁ কামনা,
ইদৰে কতনা আৰু সহিম যাতনা !"

এনেতে মকৰা এটি ওপৰৰ পৰা
পৰিল আগতে আহি হই আধামৰা,
দেখি তাৰ দুৰদশা ৰজাৰ মনত
উপজিল দয়া ভাৱ থাকি ওচৰত।

ভাবিলে ৰজাই,—"দেহি, ইয়ো মোৰ দৰে
পাতিছিল আশা-জাল ওপৰে ওপৰে ;
নোৱাৰি সাধিব কাম পৰিল তলত,
নোৱাৰে উধাব পুনু এই জনমত।

কিন্তু সিটি ক্ষুদ্ৰ প্ৰাণী ক্ষন্তেক জিৰাই,
লভিলে হেৰোৱা বল, যুঁজিলে দুনাই ;
এগছি সূতাতে দিলে সাহসৰ ভিৰ,
একে চিপে ধৰি তাতে উঠে মহাবীৰ ;

বহুশ্ৰম কৰি যদি উঠে সি ঢুহাত,
পিছলি বাগৰি পুনু পৰেহি ধৰাত।
ঘূৰি ঘূৰি উঠে আৰু ঘূৰি ঘূৰি পৰে,
তথাপিতো নেৰে আশা, যুঁজে একেদৰে।

এহাত উধায় যদি, আধাহাত খহে,
এবেগেত গতি কৰি ক্ষন্তেক নবহে,
এনে ভাৱে কত পৰে পাওঁ-পাওঁ হই,
জালৰ কাষৰেপৰা পৰে মাটি লই!

ইবাৰ মানিলে স্থিৰ নিৰাশ ৰজাই,
নকৰে যতন আৰু ক্ষুদ্ৰ মকৰাই।
কিন্তু চাই থাকোঁতেই একেটা উশাহে,
উধালে মকৰা পুনু ডুগুণ উছাহে।

টোপাকাঁড় যেন হায় উধালে ইবাৰ
নিমিষে এৰাই ডুখ পালে গই পাৰ;
আপোন জালৰ পুনু আৰম্ভিলে কাম
অসাধ্য সাধন কৰি লভিলে সুনাম।

দেখি তাকে গদাধৰে গৰজি উঠিল,—
"ধন্য ধন্য ক্ষুদ্ৰজীৱে অসাধ্য সাধিলে;
মানুহ জনম ধৰি মই অভাজন,
মানিছোঁ নিষ্ফল মোৰ অতনা যতন।"

এনে ভাবি বুকু বান্ধি ৰজা গদাধৰ,
আপোন উদ্দেশ্য চিন্তি উঠিল পুনৰ ;
দুঃসাধ্য সাধন কৰি নৰ জনমত
মৰিও অমৰ হল এই মৰতত।

এতেকে নকৰা তুমি "নোৱাৰি কৰিব",
কৰিলে যতন জানা, সকলো সিজিব ;
পুনঃ পুনঃ যতনৰ সাৰ মানি ল'বা,
মকৰাৰ কথা তুমি সুৰঁৰি থাকিবা।

—পদ্মনাথ গোহাঁই বৰুৱা

## অনুশীলন

১। শব্দাৰ্থ শিকা :—

কন্তেক, নিষ্ফল, আৰম্ভ, উদ্দেশ্য, ক্ষুদ্ৰ, সুৱঁৰি।

২। "ৰজা আৰু মকৰাৰ" কবিতাটিৰ পৰা কি শিক্ষা পালা, নিজৰ ভাষাত কোৱা।

৩। ক্ষুদ্ৰ মকৰা এটিৰ পৰা ৰজাই কি শিক্ষা লাভ কৰিলে ?



# ৰেলগাড়ী


তোমালোক সকলোৱে ৰেলগাড়ী দেখিছা আৰু তাত উঠিছাও নহয় ? আজি কালি প্ৰায় সকলো দেশতে ৰেল চলে। অৰ্থাৎ ৰেল নচলা দেশ নাই বুলিলেও হয়।

এই ৰেল গাড়ীৰপৰা আমি বৰ উপকাৰ পাইছোঁ। আমাৰ আৱশ্যক মতে যেতিয়াই ইচ্ছা কৰিছোঁ ৰেলত উঠি দূৰ দেশলৈ অহা যোৱা কৰিব পাৰিছোঁ। যেতিয়াই আৱশ্যক হৈছে দূৰ দেশলৈ খবৰ বাতৰি পঠাব পাৰিছোঁ, ইচ্ছামতে ৰেলত উঠি নানান ঠাই চাই বহুত নতুন কথা শিকিব পাৰিছোঁ। ৰেল ওলোৱাৰ আগেয়ে দূৰলৈ অহা যোৱা কিমান টান কথা আছিল। কোনো আত্মীয় পৰিজন যদি দূৰত থাকিছিল. তেওঁবিলাকৰ খবৰ বাতৰি লোৱা বা পোৱা বৰ টান কথা আছিল। আজি কালিৰ দৰে ৰেলত উঠি নানা ৰকমৰ দেশ চাই ফুৰা সুখ তেতিয়াৰ কালত কাৰো কপালত নঘটিছিল। আজি কালি ৰেল ওলাই জানিবা গোটেইবোৰ দেশকে একেডাল সূতাৰে গাঁথি পেলাইছে। তেতিয়াৰ দিনৰ মানুহে খোজ কাঢ়ি দেশ বিদেশত ফুৰিছিল।

যিজন পুৰুষে এই ৰেল গাড়ী উলিয়াই আমাৰ ইমান সুবিধা কৰি দিছে, তেওঁৰ নাম কি কব পাৰানে ? তেওঁৰ নাম জৰ্জ্জ ষ্টিফেনচন। তেওঁ এজন বিলাতৰ মানুহ আছিল। ষ্টিফেন্‌চনৰ মৃত্যু হোৱা আজি

বহুত বছৰ হল, কিন্তু তেওঁ উলিয়াই যোৱা ৰেলৰপৰা আজিও মানুহে কিমান উপকাৰ পাইছে ভাবিলে আচৰিত হব লাগে।

ষ্টিফেন্‌চনৰ পিতাক এজন সাধাৰণ মানুহ আছিল। কোনো এটা কয়লাৰ খনিত কাম কৰি তেওঁ কোনো ৰকমে লৰা তিৰোতাক পোহ



পাল দিছিল। পিতাকৰ অৱস্থা ভাল নোহোৱাৰ কাৰণে ষ্টিফেনচনৰ লিখা পঢ়া শিকিবলৈ সুবিধা নহল। তেওঁ অলপ বুজন হবৰেপৰা পিতাকক কয়লা তোলাত সহায় কৰিবলৈ ধৰিলে। সেই খনিতে এটা সৰু ইঞ্জিন আছিল। ইঞ্জিনটো চলিলেই ষ্টিফেন্‌চনে বৰ মন দি চাইছিল আৰু তাক চাই তেওঁৰ যেন হেঁপাহেই নপলাইছিল। অলপ ডাঙৰ হলত তেওঁ সেই খনিতে এটা কাম ললে। তেওঁ এজন অতি বুধিয়ক আৰু পৰিশ্ৰমী লৰা আছিল। নিজৰ বুদ্ধি আৰু চেষ্টাৰ গুণতে তেওঁ অলপ দিনৰ ভিতৰতে ইঞ্জিনৰ কাম শিকি পেলালে। তেওঁৰ কামত ওপৰৱালা সকল বৰ সন্তুষ্ট হৈছিল আৰু ইঞ্জিনৰ কাম ভালকৈ জনা দেখি তেওঁক ইঞ্জিনিয়াৰৰ কাম দিলে। তেতিয়া

তেওঁৰ লিখাপঢ়া শিকিবৰ মন গল। সেই খনিৰ ওচৰতে এটা পঢ়াশালি আছিল; তেওঁ তাত ভৰ্ত্তি হল। মানুহৰ অসাধ্য একো নাই, য'তে ইচ্ছা ত'তে বাট। তেওঁ অৱসৰ সময় অবাৰত নকটাইছিল। ঈশ্বৰৰ অনুগ্ৰহত আৰু তেওঁৰ অশেষ চেষ্টাৰ বলত অতি অলপ দিনৰ ভিতৰতে তেওঁ পঢ়িব, লিখিব আৰু হিচাব ৰাখিব পৰা হল। তেতিয়া তেওঁ পঢ়াশালি এৰি দিলে, কিন্তু যেতিয়াই সময় পাইছিল নিজে নিজে পঢ়াশুনা কৰিছিল।

ষ্টিফেন্‌চনে, তেওঁ চলোৱা ইঞ্জিনটো মাজে সময়ে সোলোকাই পেলাই আকৌ গঠন কৰিব পাৰিছিল। এইদৰে নিজৰ চেষ্টাৰ বলতে তেওঁ বৰ ভালকৈ ইঞ্জিনৰ কাম জানিছিল। তেওঁৰ দৰে ইঞ্জিনৰ কাম জনা আৰু সেই খনিত কোনো নাছিল। সেই খনিতে এটা পানী তোলা ইঞ্জিন আছিল। এদিন হঠাৎ সেই ইঞ্জিনটো বেয়া হল, কাৰিকৰবিলাকে ইঞ্জিনটো ভাল কৰিব নোৱাৰিলে। ষ্টিফেন্‌চনে ইঞ্জিনটো ভাল কৰিবলৈ চেষ্টা কৰি চাব খুজিলে। তেওঁ প্ৰথমবাৰ কৃতকাৰ্য্য হব নোৱাৰিলে কিন্তু তেওঁ হতাশ নহৈ আকৌ চেষ্টা কৰিবলৈ ধৰিলে। অৱশেষত তেওঁৰ নেৰানেপেৰা চেষ্টাৰ গুণত তেওঁ ইঞ্জিনটো ভাল কৰি আগৰদৰে চলাব পাৰিলে। তেওঁৰ বুদ্ধি দেখি সকলো আচৰিত হল আৰু তেতিয়াৰেপৰা তেওঁৰ নাম 'ইঞ্জিন ডাক্তৰ' হল। ইয়াৰ অলপ দিনৰ পিচতে তেওঁ বছৰে তেৰ হাজাৰ টকা দৰমহাত ইঞ্জিনৰ বাটেৰে হৈ কিলিংৱাৰ্থ নামে এখন ঠাইলৈ যায়। সেই ঠাইতে তেওঁ এবিধ বাষ্পীয় যন্ত্ৰ তৈয়াৰ কৰে। সেই যন্ত্ৰৰ সহায়ত তিনি হাজাৰ মোণ কয়লা ঘণ্টাত চাৰি মাইল দূৰ নিব পাৰিছিল। সকলোৱে তেওঁৰ বুদ্ধিৰ প্ৰশংসা কৰিবলৈ ধৰিলে

আৰু সেই যন্ত্ৰৰ কথা চাৰিওফালে বিয়পি পৰিল। সেই যন্ত্ৰ চাবলৈ চাৰিওফালৰপৰা মানুহ দলে দলে অহিবলৈ ধৰিলে।

সেই সময়ত পিয়াৰ্চ নামে এজন বৰ ধনী সদাগৰে ষ্টকুটনৰ পৰা ডাৰ্লিংটনলৈ এটা ৰেলৰ বাট কৰিবলৈ মন কৰি বছৰে পঞ্চল্লিচ হাজাৰ টকা দৰমহা দি ষ্টিফেনচনক সেই কামৰ কাৰণে মাতি নিলে।

ষ্টিফেনচনৰ আশাশুধীয়া যত্নত যথা সময়ত ৰেলৰ বাট তৈয়াৰ কৰা হল। ১৮২৫ খৃষ্টাব্দৰ ২৭ চেপ্টেম্বৰৰ দিনা ডাৰ্লিংটনৰ পৰা প্ৰথম ৰেল চলে। ষ্টিফেনে সেইদিনা নিজে গাড়ী চলাইছিল। অসংখ্য মানুহে সেই দৃশ্য চাবলৈ ডাৰ্লিংটনত উপস্থিত হৈছিলহি। সকলোৱে তেওঁৰ প্ৰশংসা কৰি আৰু তেওঁৰ জয়ধ্বনি দি তেওঁক দুগুণে উৎসাহিত কৰিছিল।

সেইদিনাই প্ৰথম ৰেলৰ সৃষ্টি হয়।

ইয়াৰ কিছুদিনৰ পিচতে লিভাৰপুলৰপৰা মাঞ্চেষ্টাৰলৈ ৰেলৰ বাট এটা তৈয়াৰ কৰিবৰ প্ৰস্তাব হয়। সেই সম্পৰ্কে এটি কোম্পানী গঠিত হয়। সেই কামলৈও ষ্টিফেনচনক মতা হল। উক্ত দুই ঠাইৰ মাজত এখন বৰ বহল বিল আছিল। বিল থকা দেখি বহুতে ভয় খালে আৰু তাৰ ওপৰেদি ৰেলৰ বাট কৰা অসম্ভৱ বুলি কবলৈ ধৰিলে। কিন্তু ষ্টিফেনচনে কোনো মানুহৰ কথাত নটলিল, ৰেলৰ বাট কৰা কামত লাগি গল।

তেওঁৰ অসীম চেষ্টাৰ বলত সেই বিলৰ ওপৰেদিয়ে ৰেলৰ বাট তৈয়াৰ হল। সকলোৱে তেওঁৰ বুদ্ধি আৰু চেষ্টাৰ কথা ভাবি আচৰিত হল। তাৰ পিচতে ষ্টিফেনে ইঞ্জিন তৈয়াৰ কৰি ১৮৩০

খৃষ্টাব্দৰ ১৫ চেপ্টেম্বৰ তাৰিখে সেই ৰেলৰ বাটত গাড়ী চলাই দেখুৱাই মানুহৰ চকুত তবধ লগালে।

সেই দিনা চলোৱা ৰেল গাড়ীত ডিউক অব্ ৱেলিংটন উঠিছিল। যাত্ৰী অনা নিয়া কৰা গাড়ীৰ এয়ে প্ৰথম সৃষ্টি।

তোমালোকে এতিয়া বুজিলা, মানুহৰ অসাধ্য একো নাই; আগ্ৰহ আৰু চেষ্টাৰ বলত মানুহে অসাধ্যও সাধন কৰিব পাৰে। মনৰ একাগ্ৰতা আৰু যত্নৰ বলত টান কামো সহজ হয়। প্ৰথমে যি কাম বৰ টান যেন লাগে, চেষ্টা কৰি থাকিলে তাকো পিচত সহজ বোধ হয়। ষ্টিফেন এজন সামান্য খনিত কামকৰা মানুহৰ লৰা আছিল মাত্ৰ। তেওঁ নিজেও লিখাপঢ়া শিকিবলৈ একো সুবিধা নাপাইছিল, অথচ নিজৰ অদম্য চেষ্টা আৰু মনৰ বিশ্বাসৰ বলতে তেওঁ কেনে এটি মহৎকাম সমাধা কৰি সকলোৰে অসীম উপকাৰ সাধন কৰি নিজৰ নাম যাউতি-যুগীয়া কৰি ৰাখি গল।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকাঃ—

অৱস্থা, কৃতকাৰ্য্য, বুধিয়ক, বাষ্পীয়, ইচ্ছ', দৃশ্য, সম্পৰ্কে, সৃষ্টি।


২। ৰেলৰ সৃষ্টি কেনেকৈ হয়?

৩। ৰেল কোনে উলিয়ায়? তেওঁৰ বিষয়ে কি জানা লিখা।

৪। ৰেল গাড়ীৰপৰা আমি কি কি উপকাৰ লাভ কৰিছোঁ?

# কপাহ খেতি

তোমালোকে কপাহৰ গছ দেখিছানে নাই কব নোৱাৰোঁ। আমাৰ অসমত আগেয়ে ঘৰে ঘৰে কপাহৰ খেতি কৰিছিল। অসমীয়া তিৰোতাসকলে ঘৰত হোৱা কপাহেৰেই সূতা কাটি কাপোৰ বৈছিল। তেতিয়া আমাৰ দেশত কোনেও বিদেশী সূতা, বিদেশী কাপোৰ আদি:




ব্যৱহাৰ নকৰিছিল। ৰেল জাহাজ ওলোৱাৰ লগে লগে বিদেশী সূতা আৰু কাপোৰ আমাৰ দেশত ভৰি পৰিল। হাতৰ ওচৰতে তেনেকৈ কটা সূতা পাই আমাৰ তিৰোতাসকলে সূতা কটা এৰি দিলে আৰু বিলাতি সূতা কিনি আনি কাপোৰ ববলৈ ধৰিলে; আৰু তাৰ লগে লগে অসমীয়া মানুহৰ বাৰীত কপাহৰ গছ দেখিবলৈকে

নাইকিয়া হল। আজি কালি কৰবাত কেনেবাকৈহে অসমীয়া মানুহৰ বাৰীত এজোপা দুজোপা বিলাতি কপাহৰ গছ দেখিবলৈ পোৱা যায়। সূতা কটা, তাঁত বোৱা আমাৰ অসমীয়াৰ এটি পুৰণি-কলীয়া লাগতিয়াল ঘৰুৱা শিল্প। এই শিল্পই আজিও অসমীয়া জাতিৰ গৌৰৱ ৰক্ষা কৰিছে। ইয়াক অৱহেলা কৰা আমাৰ কোনো ৰকমেই উচিত নহয়। এই শিল্পৰ যাতে উন্নতি হয় তাৰ কাৰণে আমি সদায় অহোপুৰুষাৰ্থ কৰা উচিত।

আমি যদি নিজৰ বাৰীত কপাহ ৰুই সেই কপাহেৰে সূতা কাটি তাৰে নিজৰ আৱশ্যকীয় কাপোৰ-কানি বৈ লব পাৰো, তেন্তে ই কেনে সুখৰ কথা হব এবাৰ ভাবি চোৱাচোঁন। তেতিয়াহলে আমাৰ এই লাগতিয়াল শিল্পটিৰো উন্নতি হব, আৰু আমিও নিজৰ পিন্ধা কাপোৰ ডুখৰিৰ কাৰণে আনৰ অনুগ্ৰহৰ পাত্ৰ হব লগাত নপৰে। কাপোৰ বোৱাৰ আদিমূল হৈছে কপাহ। মহাত্মা গান্ধীৰ চেষ্টাতেই বৰ্ত্তমানে কপাহৰপৰা সূতা কাটি কাপোৰ বোৱাৰ বহুল প্ৰচলন হৈছে।

কপাহ কেবা জাতিৰো আছে। আমাৰ দেশত গাৰো আৰু আবৰ কপাহেই ভালকৈ হয়। কপাহৰ গছ ৰ'দ নপৰা জেকা মাটিত নহয়। ইয়াক ৰুবলৈ ৰ'দ-ঘাই মাটি লাগে। মাটি ফাগুনৰ পৰাই ভালকৈ চহাব লাগে। মাটিত সাৰ নহলে তাত আগৰেপৰা গোবৰ আৰু ছাই পেলাই সাৰ দি লব লাগে। সাৰুৱা মাটিত কপাহ বৰ লহপহকৈ বাঢ়ে আৰু বেচি পৰিমাণে উৎপন্ন হয়। কপাহগুটি ৰোৱা মাটি মিহিকৈ চাহ কৰিব লাগে। মাটি ভালকৈ চাহ হলে ব'হাগ নাইবা জেঠ মহীয়া সেই মাটীত গুটি সিঁচি দিব লাগে।

গুটি তিনি ৰকমে দিব পাৰি।

প্ৰথম ৰকম—চাহ কৰা মাটিত গুটি সিঁচি দিব পাৰি।

দ্বিতীয় ৰকম—খল কৰি তাত গুটি শাৰী পাতি পঁচাব পাৰি।

তৃতীয় ৰকম—গুটি আগেয়ে পঁচাই পুলি গজিলে চাহ কৰা মাটিত সেই পুলিবোৰ শাৰী শাৰীকৈ ৰুই দিব পাৰি।

সাধাৰণতে মানুহে চাহ কৰা মাটিত অলপ আতৰে আতৰে শাৰী শাৰীকৈ খল কৰি তাত কঁপাহৰ গুটি দিয়ে। থেপাথোপিকৈ পুলি গজিলে কিছুমান পুলি তুলি নি আন ঠাইত ৰুই দিব লাগে। অলপ দিনৰ অন্তৰে অন্তৰে পুলিবোৰ কোৰ কটাৰী মাৰি গুৰিত খুচৰি মাটি চপাই দিব লাগে। কপাহ ৰোৱা মাটি ছিটাৰ চাৰিওফালে পানী যাব পৰাকৈ নলা কাটি দিব লাগে।

এবিঘা মাটিত কপাহ ৰুবলৈ ডেৰ সেৰমান গুটি লাগে। যদি মাটি সাৰুৱা হয়, তেনেহলে বিঘাইপতি ডেৰমোণ দুমোণমানকৈ কপাহ ওলায়।

কপাহৰ তুলা হবলৈ প্ৰায় পাঁচ ছয় মাহমান লাগে। কপাহ পকিলে, ফাটিবলৈ আৰম্ভ কৰে। ফাট মেলা কপাহবোৰ ছিঙি আনি ৰ'দত মেলি দিব লাগে। কপাহত এবিধ পখিলাৰ নিচিনা পোকে যদি ধৰে কপাহ নষ্ট হৈ যায়। মাজে সময়ে যদি কপাহ তলীত জুইৰ জোৰ একোটা দিয়া হয়, পোকবোৰ জুইত পৰি মৰি যায় আৰু কপাহ নষ্ট কৰিব নোৱাৰে। সঁচলৈ থোৱা কপাহ গুটিবোৰ বৰ যত্নেৰে থব লাগে, তাত পোক ধৰিবলৈ দিব নালাগে।

কপাহ তোলা শেষ হলে গছৰ গুৰিত কোৰ মাৰি সাৰ জাবৰ চপাই দিব লাগে তেতিয়া হলে সেইবোৰ গছত আকৌ নকৈ কপাহ লাগে।

তোমালোকে যত্ন কৰি এইদৰে যদি কপাহ খেতি কৰা তাৰ পৰা উপকাৰ পাবা। কপাহৰ দাম আছে, নিজৰ ঘৰত কপাহ খেতি কৰিলে বজাৰৰ কপাহ নিকিনাকৈ ঘৰৰ কপাহেৰে সূতা কাটিব পাৰিবা। এইবোৰ লাগতিয়াল কাম কৰিবলৈ মনত উৎসাহ পাবা আৰু ঘৰৰ পইচা ঘৰতে ৰৈ যাব।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—

সূতা, উন্নতি, উৎপন্ন, বিদেশী, পুৰুষাৰ্থ, কপাহতলী, শিল্প, আবশ্যকীয়, উৎসাহ।

২। কপাহ কেই ৰকমৰ? আৰু কোনবিধ আমাৰ দেশত হয়।

৩। কপাহ খেতি কেনেকৈ কৰে আৰু ই আমাৰ কি উপকাৰত আহে?

# উপদেশ

হ'ব খোজা জ্ঞানী যদি লোক-সমাজত,
লোৱা মোৰ উপদেশ গাঁথি হৃদয়ত ,
সাৱধান, কথা কব লাগিব যেতিয়া,
কাৰ কথা কাক কবা কিৰূপে কেতিয়া,
গমি চাবা, কিনো কথা কবা কেনেকৈ,
কবা সত্য প্ৰিয় কথা বুজি-বাজি লই।
ভৰিৰে পিছল খালে নিজে দুখ পায়,
জিভাৰ:পিছলে দুখ আনৰ বঢ়ায়।
কথাৰ মূৰত বঁটা, কথাতেই লেঠা,
তিতা কথা কই কাকো নিদিবাহে ব্যথা।
নিজৰ শলাগ, পৰনিন্দা, তিৰস্কাৰ,
আলাপত মিছা কথা কৰা পৰিহাৰ।
বাক্যৰ দুখীয়া কোনো নাই জগতত,
নহয় খৰচ একো সাদৰী মাতত।

—আনন্দচন্দ্ৰ আগৰৱালা

## অনুশীলন

১। কবিতাটো মুখস্থ কৰা


২। কবিতাটিৰ পৰা কি শিক্ষা পালা ?

৩। "জিভাৰ পিছলে দুখ আনৰ বঢ়ায়"—কেনেকৈ ?

৪। "নহয় খৰচ একো সাদৰী মাতত"—এই কথাষাৰৰপৰা কি বুজিছা কোঁৱা।

# নীলা শিয়াল

এদিন এজাক কুকুৰে এটা শিয়ালক খেদি লৈ আহিছিল। শিয়ালটো লৰ মাৰি আহোঁতে ধোবাৰ চোঁতালত পানী থকা টৌ এটাত জোবোৰা খালে। টৌটোত নীলৰ পানী আছিল। নীলৰ পানীত জোবোৰা খাই শিয়ালটো নীলা হল। কুকুৰবোৰে নীলা শিয়ালটো দেখি শিয়াল নহয় অইন কিবা জন্তু বুলি ভাবি খেদিবলৈ এৰিলে।



শিয়াল হাবিত সোমালগৈ। সেই হাবিত এজনী বাঘিনীয়ে তাইৰ পোৱালী কিটাৰে ধেমালি:কৰি থিয় হৈ আছিল। নীলা শিয়ালক দেখি তাই আচৰিত হল, আৰু ভাবিবলৈ ধৰিলে,—"এই নীলা জন্তুটোনো কি জন্তু? আগে পিচে দেখোন এনে ৰঙৰ জন্তু দেখা

নাছিলোঁ।” বাঘিনীয়ে এইদৰে ভাবিগুণি থাকোঁতেই শিয়ালে তাইৰ কাষ চাপি কবলৈ ধৰিলে, “এতিয়া ধৰা পৰিলি, ক'ত পলাবি? গিৰিয়েৰে যে মোক দুটা পহু মাৰি দিব লগা আছিল, ক'তা দিলে?” বাঘিনীয়ে উত্তৰ কৰিলে, “মই দেখোন সেইবোৰ কথাৰ একো ভু নেপাওঁ, আপুনি কোন আৰু ক'ৰ পৰা আহিছে? আপোনাৰ পৰিচয় পালে মই তেওঁক কব পাৰিম।” শিয়ালে কলে, “তই মোৰ পৰিচয়ৰ ভু পাব নালাগে, গিৰিয়েৰক কবি মোৰ পাব লগা বস্তু যেন সোনকালে দিয়ে, নহলে ভাল নহব একা। এতিয়া মই যাওঁ, কাইলৈ আকৌ এবাৰ আহি যাম।” শিয়াল যোৱাৰ পিচত বাঘ আহিলত বাঘিনীয়ে শিয়ালৰ সকলো কথা বাঘক জনালে। শিয়ালে বাঘিনীৰ আগত কোৱা কথা শুনি বাঘ খঙত গুজৰি উঠি কলে, “কাক, মই কি দিবলৈ আছে? মোক এই দৰে দাবি কৰোতাটো তো কম প্ৰাণী নহয়? বাৰু দেখা য'ক সি কিমান পানীৰ মাছ!” পিচদিনা বাঘ জোপাৰ আঁৰত লুকাই থাকিল। এনেতে শিয়াল আহি বাঘিনীক কলে, “ক'তা মোৰ বস্তু? গিৰিয়েৰ আছেনে নাই? মোৰ বহুত কাম আছে, বেলি কৰিব নোৱাৰোঁ, সোনকালে দে”। বাঘে শিয়ালক চিনি পাই, “কি বস্তু দিব লাগে” বুলি খেদি লৈ গ'ল। শিয়ালেও ভয়ত লৰ মাৰিলে। বাঘে শিয়ালৰ পিচে পিচে লৰি শিয়ালক খেদি নিলে। এজোপা গছৰ ফেৰেঙনিৰ মাজে দি এটা নিছেই সৰু বাট আছিল, শিয়াল সেই পিনেই লৰ মাৰিলে; কিন্তু বাঘৰ গা ডাঙৰ আছিল কাৰণে সেই পিনে সৰকিব নোৱাৰি লাগি ৰ'ল। বাঘৰ তেনে অৱস্থা দেখি শিয়ালে ৰং মনেৰে আহি বাঘিনীক কলেহি,—“চাহি আহ, তোৰ গিৰিয়েৰক শালত দি আহিছোঁ।” বাঘিনীয়ে বাঘৰ অৱস্থা

দেখি মনত নথৈ বেজাৰ পালে। তাই শিয়ালক কলে, "মই এতিয়া আপোনাৰ ধাৰ কেনেকৈ শুজিম? মোৰ পোৱালী কিটা ডাঙৰ হলেহে ধাৰ শুজিব পাৰিম।" শিয়ালে কলে, "বাৰু, তই ধাৰ শুজিব নোৱাৰ মানে মই ইয়াতে থাকিম, তই মোক খুৱাব লাগিব।"



বাঘিনীয়ে সদায় শিয়ালক খোৱা বস্তু যোগাবলৈ ধৰিলে। এদিন বাঘিনীয়ে শিয়ালক এজাক গৰু আগচিবলৈ কলে। গৰুৱে শিয়ালক কি ভয় কৰিব? শিয়ালৰ ওপৰেদি গৰু লৰ মাৰি শিয়ালক লুটি খুৱাই পেলাই দিলে। বহুত পৰৰ পিচতহে শিয়ালৰ মাত ওলাল,—"উস্! হাহোঁতে হাহোঁতে মই মাটিত বাগৰি গলো" বুলি কৈহে শিয়ালে কোনোমতে লাজৰ হাত সাৰিলে। এদিন বাঘিনীয়ে কলে, "নৈৰ সিপাৰলৈহে আমি যাব লাগিল, এই পাৰে আৰু চিকাৰৰ সুবিধা নোহোৱা হল।" বাঘিনীয়ে পোৱালী কিটা পিঠিত বান্ধি নৈৰ সিপাৰ

হল। শিয়ালে পানীত ককবকাই এবেলি তললৈ এবেলি ওপৰলৈ যাবলৈ ধৰিলে। শিয়ালৰ অৱস্থা দেখি বাঘিনীয়ে দাঁতেৰে কামুৰি শিয়ালক পানীৰপৰা তুলি আনিলে শিয়ালে বৰ লাজ পালে; সি বাঘিনীক কলে "তই মোক কেলৈ তুলি আনিলি, মই জলকোঁৱৰৰ লগত যুঁজহে কৰিছিলোঁ।" বাঘিনীয়ে কলে, "মই সেই কথা নাজানিছিলোঁ নহয়। এই বাবলৈ মোৰ অপৰাধ ক্ষমা কৰে যেন।"

এইদৰে বহুত কাল গ'ল। গছৰ ফেৰেঙ্গনিত লাগি থকা বাঘটো খীণাই শুকাই ফেৰেঙ্গনিৰ পৰা ওলাই পৰিল। সি ঘৰলৈ আহি বাঘিনী আৰু পোৱালী কিটাক বিচাৰি নাপাই মনত বৰ দুখ পালে। ওচৰৰ গাৱঁতে মঙ্গল চাব জনা বুঢ়া এজন আছিল, বাঘে বুঢ়াৰ ওচৰলৈ গৈ নিজৰ সকলো কথা জনালেগৈ। বুঢ়াই বাঘক পিচদিনা মাতিলে। পিচদিনা বাঘে ভেটিভাৰ লৈ বুঢ়াৰ ঘৰ পালেহি। বুঢ়াই এটা থৈলা দি বাঘক তাৰ ভিতৰত সোমাবলৈ কলে। বাঘ থৈলাৰ ভিতৰত সোমালত বুঢ়াই থৈলাৰ মুখখন আটি আটি বান্ধি ঢেঁকী থোবাৰে বাঘক মৰিয়াই মৰিয়াই নৈত উটাই দি কলে, "যা, লৰা তিৰোতা পাবিগৈ।" বাঘ উটি গৈ সিপাৰত লাগিল।

বাঘিনীয়ে পোৱালী কিটাৰে সৈতে সিপাৰে আছিল। উটি যোৱা বাঘটো দেখি কিবা মৰা শ উটি আহিছে বুলি পানীৰ পৰা তুলি নি চাই বাঘিনীয়ে দেখিলে, দেখোন তাইৰ গিৰিয়েক বাঘটোৱেই। বাঘে নিজৰ লৰা তিৰোতাক পাই বৰ আনন্দ পালে। বাঘে মনত ভাবিলে, "বুঢ়াৰ মঙ্গল সঁচা।" শিয়ালক তাতে থকা দেখি বাঘৰ খং চুলিৰ আগ পালেগৈ। বাঘিনীৰ মুখত শিয়ালৰ ধূৰ্ত্তালিৰ বিষয়ে শুনি বাঘৰ খং দুগুণে বাঢ়িল। সি তৎক্ষণাৎ শিয়ালক বধ কৰি পেলালে। বাঘে

নৰাতিৰোতাৰ লগত মহা সুখে সেই হাবিত দিন কটাবলৈ ধৰিলে; আৰু মঙ্গলচোৱা বুঢ়া ককাকক কৃতজ্ঞতাৰ নিদৰ্শন স্বৰূপে মাজে মাজে হৰিণা মাৰি দি থাকিল।

পৰক ঠগ কৰিলে, নিজৰ কেতিয়াও কল্যাণ নহয়। প্ৰতাৰকৰ শেষ পৰিণাম অতি ভীষণ! লৰাহঁত, তোমালোকে কেতিয়াও পৰৰ অপকাৰ কৰিবলৈ নিবিচাৰিবা; তেনে কৰিলে তোমালোকৰ কেতিয়াও মঙ্গল নহয়।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা:—

নীলা,ফেৰেঙনি, জন্তু, শাল, নিদৰ্শন, গাৰঁত।

২। নীলা শিয়ালৰ গল্পৰপৰা কি শিক্ষা পালা?

৩। গল্পটো চমুকৈ কোৱা।

# শঙ্কৰদেৱ

মহাপুৰুষ শঙ্কৰদেৱৰ বিষয়ে অসমত সকলোৱে জানে। এইজনা মহাপুৰুষে১৩৭১ শক, ইংৰাজী ১৪৪৯ চনত বৰদোৱাত জন্মগ্ৰহণ কৰে। শঙ্কৰৰ পিতাকৰ নাম কুসুম্বৰ ভূঞা, মাকৰ নাম সত্যসন্ধা। কথিত আছে শঙ্কৰৰ জন্মৰ তিনি দিনৰ পিচতে মাক সত্যসন্ধাৰ মৃত্যু হয়; সেই দেখি তেওঁৰ বুঢ়ীমাক (কুসুম্বৰৰ মাক) খেৰসূতীয়ে শঙ্কৰক তুলি-তালি ডাঙৰ-দীঘল কৰে।

লৰাকালত শঙ্কৰে বৰ উমলি ফুৰিছিল, দিনে ৰাতিয়ে তেওঁৰ ওমলাতে ধাউতি আছিল। এই দৰে দহ বাৰ বছৰলৈকে তেওঁ ধেমালি কৰিয়েই কাল কটাইছিল। এদিন তেওঁ ভাত খাবলৈ বহোঁতে বুঢ়ীমাকে কলে, "বোপাই, তুমি এই দৰে উমলি দিন কটালে আৰু নহয়। তোমাৰ বংশৰ পূৰ্ব্ব পুৰুষ সকলো পণ্ডিত আছিল। তোমাৰ ইমান বয়স হল, এনেকৈ নপঢ়ি থাকিলে মূৰ্খ হৈ বংশৰ নামকে নুমাবা। বিদ্যাহীন পুৰুষৰ ক'তো মান নাই, তেনে মানুহক সকলোৱে অনাদৰ কৰে। বিদ্যাধন মহাধন; এই ধন কোনেও নিব নোৱাৰে, আনকি চোৰেও চুৰ কৰিব নোৱাৰে।" বুঢ়ীমাকৰ সেই উপদেশ বাণী শুনি তেওঁ কলে, "মই পঢ়িম বাৰু, ক'ত পঢ়িব লাগে মোক ঠিক কৰি দিয়ক।" শুভলগ্ন চাই শঙ্কৰৰ বিদ্যাৰম্ভ কৰা হ'ল, আৰু তেওঁক মহেন্দ্ৰ কন্দলিৰ পঢ়াশালিত নাম লগাই দিয়া হ'ল। শঙ্কৰে অলপ দিনৰ ভিতৰতে বহুত পঢ়িব পাৰিলে। তেওঁৰ বুদ্ধিৰ প্ৰখৰতা দেখি কন্দলিয়ে বৰ সন্তোষ পালে আৰু আচৰিত মানিলে।

এদিন সকলো ছাতৰে পাঠ শেষ কৰি ঘৰাঘৰি গ'ল, কিন্তু শঙ্কৰ পঢ়াশালিতে শুই থাকিল। তেওঁৰ গাত ৰ'দ পৰাত এটা সাপে



শঙ্কৰদেৱ

তেওঁৰ ওপৰত ফণা ধৰি ছাঁ দি আছিল, এনেতে মহেন্দ্ৰ কন্দলিয়ে আহি দেখা পোৱাত সাপটো গুচি গ'ল। বিদ্যাৰ সোৱাদ পাই শঙ্কৰে

দিনে ৰাতিয়ে বিদ্যা শিক্ষা কৰাৰ বাহিৰে আন একোতে মন নিদিছিল। মহাপুৰুষ সকলৰ লক্ষণেই এনেকুৱা। অতি অলপ দিনৰ ভিতৰতে তেওঁ বহুত শাস্ত্ৰ অধ্যয়ন কৰিব পাৰিছিল। তাৰ পিচত তেওঁ যোগ শাস্ত্ৰ পঢ়ি যোগ অভ্যাস কৰিছিল।

শঙ্কৰদেৱ দেখিবলৈ বৰ শুৱনি পুৰুষ আছিল। তেওঁৰ শৰীৰো বৰ সুস্থ আৰু সৱল আছিল। এদিন তেওঁ বাটেদি যাওঁতে এটা দুষ্ট ষাঁড়ে তেওঁক খেদি আহিছিল। তেওঁ ততালিকে ককালত কাপোৰ বান্ধি লৈ দুই হাতে ষাঁড়টোৰ দুই শিঙত ধৰি তাক পিচ হোঁহাকাই পেলাই দিলে। ষাঁড়টো মৰাৰ দৰে হৈ অলপ বেলি পৰি থাকি, উঠি লৰ মাৰিলে।

যথা সময়ত শঙ্কৰদেৱে বিয়া কৰালে। তেওঁৰ প্ৰথম ঘৈণীয়েকৰ নাম সূৰ্য্যৱতী আছিল; তেওঁৰ গৰ্ভত শঙ্কৰৰ মনু নামে এজনী ছোৱালীৰ জন্ম হয়। সেই কন্যাক তেওঁ হৰি নামে কায়স্থ এজনলৈ বিয়া দিছিল। ইয়াৰ পিচতে তেওঁৰ পত্নীৰ মৃত্যু হয়।

শঙ্কৰদেৱে মনত বৰ আঘাত পাই, তীৰ্থ যাত্ৰা কৰে। সকলো তীৰ্থ ঘুৰি পকি তেওঁ আকৌ নিজৰ দেশলৈ উভতি আহে। তেওঁক পাই সকলো আত্মীয় কুটুম্বই মনত সন্তোষ পালে। সকলোৰে অনুৰোধত তেওঁ পুনৰ কালিন্দ্ৰী নামে এগৰাকী কন্যা বিয়া কৰালে।

সদায় তেওঁ শাস্ত্ৰ আলাপ, শাস্ত্ৰ চৰ্চ্চা আৰু ধৰ্ম্ম আলোচনাতে কাল নিয়াইছিল। নানা দেশ ফুৰি আহি তেওঁ বহুদৰ্শিতা আৰু বহু শক্তি লাভ কৰিছিল। যথা সময়ত মাধৱদেৱৰ লগত শঙ্কৰদেৱৰ দেখা হয়। শঙ্কৰদেৱৰ গুণত মুগ্ধ হৈ মাধৱদেৱে শঙ্কৰদেৱক গুৰু মানি ললে।

শঙ্কৰদেৱ আৰু মাধৱদেৱে অসমৰ সকলো ঠাইতে মহাপুৰুষীয়া ধৰ্ম্মপ্ৰচাৰ কৰি ফুৰিছিল। হৰিনাম, হৰি কীৰ্ত্তনেই শঙ্কৰৰ একমাত্ৰ ধৰ্ম্ম। তেওঁ দশম, কীৰ্ত্তন, আদি পুথি ৰচনা কৰিছিল। তেওঁৰ পুথি আজিও অসমীয়াৰ আদৰৰ বস্তু। শঙ্কৰদেৱৰ তিথি আজিও অসমৰ সকলো ঠাইতে পালন কৰা দেখিবলৈ পোৱা যায়। শঙ্কৰদেৱৰ নিচিনা এজন মহাপুৰুষে অসমত জন্মগ্ৰহণ কৰাত আজিও অসমবাসীয়ে নিজকে নিজে ধন্য মানি গৌৰৱ কৰি আহিছে। মহাপুৰুষ শঙ্কৰদেৱে দেশৰ হিত সাধনৰ কাৰণে যি মহাব্ৰত ধৰি মহাপুৰুষীয়া ধৰ্ম্ম প্ৰচাৰ কৰি থৈ গৈছে, সেই ধৰ্ম্মই আজিলৈকে তেওঁক অসম ভূমিত অমৰ কৰি ৰাখিছে।

লৰাহঁত, চোৱাঁচোন এই দুখীয়া অসমত শঙ্কৰদেৱ-মাধৱদেৱৰ দৰে কেনেকুৱা মহাপুৰুষসকলৰ জন্ম হৈছিল! তেওঁলোক জন্ম গ্ৰহণ কৰা আজি চাৰিশ বছৰৰ ওপৰ হ'ল। তেওঁলোকৰ প্ৰচাৰিত নাম ধৰ্ম্ম আজি অসমীয়াৰ ঘৰে ঘৰে।

হে ছাত্ৰ-ছাত্ৰীসকল, আজি আমাৰ দেশৰ উন্নতিৰ বিষয়ে তোমালোকৰ ওপৰতে সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰিছে। তোমালোকে মহাপুৰুষ সকলৰ আৰ্হিৰে নিজৰ জীৱন গঢ়ি তুলি, দেশৰ দুখ দুৰ্গতি দূৰ কৰিবলৈ চেষ্টা কৰা যেন। মানুহৰ অসাধ্য একো নাই, চেষ্টা কৰিলেই সকলো কৰিব পাৰে।

## অনুশীলন

১। শঙ্কৰদেৱ কোন্ শকত জন্মগ্ৰহণ কৰিছিল, আৰু তেওঁৰ জন্ম ঠাই ক'ত?
২। তেওঁৰ লৰাকালৰ বিষয়ে কি জানা?
৩। তেওঁ প্ৰচাৰ কৰা ধৰ্ম্মৰ বিষয়ে কি জানা আৰু সেই ধৰ্ম্মৰ নাম কি?

# যত্ন কৰিলে ৰত্ন পায়

বহুদূৰ বাট দেখি ৰ'লা কিয়া লৰা
মূৰ কপালত হাত থই ?
কঁাইট দেখিয়ে কিয় চক খালা লৰা
নিছিঙি গোলাপ আছা বই ?

পানী দেখি উলটিব খোজা কিয় লৰা
নিছিঙি পতুম মনোহৰ ?
বগা কলা ডেউকাৰে সময়-পখিলা,
উৰি যায়, চোৱঁা নিৰন্তৰ।

সোণৰ শৈশৱ কাল গলে আৰু নাহে
পখিলাই কাণে কাণে কয়,
ধেমালিত মজি লৰা সোণাময় দিন
অবাৱত নকৰিবা ব্যয়।

যেতিয়া থাকিব কাম কৰিব লগীয়া,
কৰোঁ বুলি ধৰিবা মনত ;
ওপৰ টিঙত ভৰি দিব খোজে যিটো
প্ৰথমে সি বগাব পৰ্ব্বত।

পৰ্ব্বতৰ কাষৰত থিয় হৈ বাৰু
একে থিৰে আকাশলৈ চাই,
থাকিলে সাবটি হাত বিনা পৰিশ্ৰমে,
উঠিব কি পাৰে কোনোবাই ?

যদিও পিছল খোৱা বাৰে বাৰে তুমি,
হিয়া যেন নিৰাশ নহয়,
কৰা যত্ন বাৰে বাৰে হ'ব শেষ কালে
হেৰা লৰা তোমাৰেই জয়।

পৰ্ব্বতৰ ওখ টিং দেখি হেৰা লৰা,
উঠিবলৈ হেলা নকৰিবা ;
দুখ নকৰিলে সুখ ক'ত পাবা তুমি
যত্ন কৰা ৰত্নক লভিবা।

—আনন্দচন্দ্ৰ আগৰৱালা

## অনুশীলন

১। শব্দাৰ্থ শিকা :—
কঁাইট, শৈশৱ, নিছিডি, ডেউকা, যত্ন।
২। "যত্ন কৰিলে ৰত্ন পায়" এই কবিতাটিৰ পৰা কি শিক্ষা পালা ?
৩। সময়ক কিয় পখিলাৰ লগত তুলনা কৰিছে ?
৪। পদ্যটো মুখস্থ কৰা।


# গদাধৰ সিংহ

আহোম ৰজাৰ ভিতৰত গদাধৰ সিংহ এজন অসাধাৰণ বাহুবলী ৰজা আছিল। তেওঁৰ যশস্যা গোটেই অসমতে বিয়পি পৰিছিল। সকলো প্ৰজাই তেওঁৰ গুণত মুগ্ধ হৈছিল।

গদাধৰ সিংহ ৰজা হোৱাৰ আগতে চুলিকফা বুলি এজন কমবয়সীয়া লৰা-ৰজাই ৰাজত্ব কৰিছিল। কেইজনমান মন্ত্ৰীয়ে ষড়যন্ত্ৰ কৰি এজনৰ পিচত এজনকৈ কেবাজনো ৰজাৰ প্ৰাণ বিনাশ কৰি শেষত এই লৰাৰজা জনকে ৰাজপাটত বহুৱাইছিল। সেই কালৰ নিয়ম মতে কোনো ৰাজকোঁৱৰৰ অঙ্গহীন থাকিলে তেওঁ ৰজা হব নোৱাৰে।

লৰা-ৰজাই ভাবিলে, মন্ত্ৰীবিলাকৰ একো ঠিক নাই, তেওঁবিলাকে তেওঁক বেয়া পালে আগৰ ৰজাসকলক বধ কৰাৰ দৰে তেওঁকো বধ কৰি আকৌ আন এজন ৰাজকোঁৱৰক ৰাজপাটত বহুৱাব পাৰে। তেওঁ ৰাজপাটত উঠিয়ে য'ত যেনেকৈ ৰাজকোঁৱৰৰ খবৰ পাইছিল, চক্ৰান্ত কৰি তেওঁবিলাকক ধৰাই আনি প্ৰত্যেকৰে একোটা অঙ্গ ঘূণীয়া কৰি এৰি দিছিল। লৰা-ৰজাই গদাপানি কোঁৱৰৰ যশস্যা চাৰিওফালে শুনিবলৈ পাই তেওঁক ধৰি আনিবলৈ মানুহ পঠিয়ালে। গদাপাণিয়ে লৰা ৰজাৰ এই ষড়যন্ত্ৰৰ কথা বুজিব পাৰিছিল। গদাধৰৰ ভাৰ্য্যা জয়মতী এগৰাকী পতিব্ৰতা সতী তিৰোতা আছিল। তেওঁ গদাপাণিক নগাপৰ্ব্বতত লুকাই থাকিবলৈ পৰামৰ্শ দিলে। সতীৰ সৎ পৰামৰ্শ মতে গদাপাণিয়ে নগাপৰ্ব্বতত আশ্ৰয় ললেগৈ।

ইফালে লৰা-ৰজাই গদাপানিক বিচাৰি নাপাই তেওঁৰ ভাৰ্য্যা জয়াক ধৰাই নিয়ালে। প্ৰথমে সতীক ৰজাৰ ওচৰলৈ নিয়া হল। ৰজাই তেওঁক স্বামীৰ বাতৰি সুধিলে। সতীয়ে কোনো মতেই স্বামীৰ অনুসন্ধান ৰজাৰ আগত নকলে। ৰজাৰ খং উঠি জয়মতীক মুকলি পথাৰত বান্ধি যেতিয়ালৈকে গদাধৰৰ কথা নকয়, তেতিয়ালৈকে তেওঁক শাস্তি দি থাকিবলৈ চাওডাংহঁতক আদেশ কৰিলে। ৰজাৰ আদেশ পাই চাওডাংহঁতে জয়মতীক নানা ৰকম শাস্তি



দিবলৈ ধৰিলে। মহাসতী জয়মতীয়ে সকলো কষ্ট নীৰৱে সহ্য কৰি ৰ'ল। লৰা-ৰজাই জয়াক এই অমানুষিক যন্ত্ৰণা দিয়াৰ কথা অসমৰ দেশ বিদেশে সকলো ঠাইতে জনাজাত হৈ পৰিল। অৱশেষত এই কথা নগাপৰ্ব্বতত লুকাই থকা গদাপানিৰ কাণত পৰিলগৈ। প্ৰিয়তমা ভাৰ্য্যাৰ দুখৰ কথা শুনি গদাপানিয়ে ছদ্মবেশ ধৰি জয়াৰ ওচৰ পালেহি।

তেওঁৰ কাৰণে জয়মতীয়ে অকাতৰে তেনে নিৰ্য্যাতন সহ্য কৰা দেখি তেওঁৰ হৃদয় দগ্ধ হৈ গল।

তেওঁ নগাৰ বেশ ধৰি জয়াৰ ওচৰলৈ আহি এবাৰ নহয় তিনিবাৰকৈ জয়াক কলে, "হেৰ মানুহজনী, ইমান কষ্টভোগ কৰিছ কিয়, গিৰিয়েৰৰ কথা কৈ নিদিয় কিয় ?" জয়মতীয়ে দেখিলে, যাৰ কাৰণে তেওঁ এই নিৰ্য্যাতন নীৰৱে সহ্য কৰিছে, সেইজনেই আগত আহি দেখা দি সৰ্ব্বনাশ কৰে। একো উপায় নেদেখি, তেওঁ এই বুলি কৈ গিৰিয়েকক নিজৰ মনৰ ভাৱ জানিবলৈ দিলে—"মই মোৰ গিৰিহঁতৰ কথা নকওঁ, আনৰ বা হৈছে কি, ইয়াৰ পৰা গুচি বা নাযায় কিয় ?" গদাপাণিয়ে বুজিবলৈ আৰু বাকী নাথাকিল, যদি তেওঁ সতীৰ কথা উপেক্ষা কৰি নিজে ধৰা দি ভাৰ্য্যাক ৰক্ষা কৰিব খোঁজে, তেন্তে সতী জীৱন্ততে মৰা হব আৰু সতীক যে লৰা-ৰজাই এনেকুৱা শাস্তি দিছে সেই শাস্তিৰ প্ৰতিশোধ তেওঁ কেতিয়াও লব নোৱাৰিব, কিয়নো তেওঁৰ সৈন্য সামন্ত একোৱেই নাই। সাত পাচ ভাবি তেওঁ ঈশ্বৰক সাক্ষী কৰি কলে, "হে প্ৰভু, মোৰ গাত আৰু দোষ নাই, মই নিজে আহি জয়াক মোৰ সমিধান দি নিজক ৰক্ষা কৰিবলৈ কলো। তেওঁ কোনো মতে মান্তি নহল। আজি মোৰ জয়াৰ ভাৰ তোমাতে অৰ্পণ কৰিলোঁ। শত্ৰুৰ প্ৰতিশোধ লবলৈ নিজে সাজু হবৰ কাৰণে জয়াক অকলে ঘোৰ বিপদত পেলাই আঁতৰি যাবলৈ ওলালোঁ।"

গদাপাণিকোঁৱৰ গুচি গল। যোল দিন লৰা-ৰজাৰ চাওডাঙৰ অমানুষিক অত্যাচাৰ সহ্য কৰি মহাসতী জয়মতীয়ে বৈকুণ্ঠধামলৈ প্ৰয়াণ কৰিলে। তথাপি স্বামীৰ সন্তেদ নিদিলে। গদাপাণিয়ে জয়মতীৰ মৃত্যু সম্বাদ পাই প্ৰতিহিংসা অনলত জ্বলি উঠিল।

তেওঁ অশেষ যত্নৰ বলত সৈন্য সামন্ত গোটাই লৈ লৰা ৰজাক খেদাই নিজে ৰাজসিংহাসনত বহিল। তেওঁ অসীম প্ৰতাপেৰে ৰাজ্য-শাসন কৰি নিজৰ সুকীৰ্ত্তি ৰাখি থৈ গল। তেওঁৰ ৰাজত্বকালত দেশত বহুতো ভাল কাম কৰাইছিল। পূৰ্ব্বৰ পীড়নৰ পৰা প্ৰজাসকলক ৰক্ষা কৰিছিল।

## অনুশীলন

১। গদাধৰ ৰজাৰ বিষয়ে কি জানা কোৱাঁ।

২। তেওঁ জয়মতীক অন্তৰেৰে ভালপোৱাৰ প্ৰমাণ ক'ত পোৱা যায়?

৩। জয়মতীৰ দুখ দেখিও কিয় তেওঁ নিজে ধৰা দি জয়াক ৰক্ষা নকৰিলে?—শিক্ষকে ভালকৈ বুজাই দিব।

# বান্দৰ

তোমালোকে সকলোৱে বান্দৰ দেখিছা। বান্দৰ কেবা জাতিৰো আছে। কিছুমান বান্দৰ সৰু, কিছুমান বৰ ডাঙৰ ডাঙৰ। বান্দৰবোৰ গছৰ ওপৰত থাকে, আৰু ইহঁত বৰ বুধিয়ক জন্তু। বান্দৰ মানুহৰ পৰম শত্ৰু; ইহঁতে সুবিধা পালেই মানুহৰ বাৰীৰ তামোল, কুঁহিয়াৰ, পকা আম, পকা কঁঠাল, মাটি কঁঠাল, কল, পকা অমিতা, লাউ, কোমোৰা, জিকা, বেঙেনা যিহকে পায় তাকে খাই আহৰি কৰে। ওচৰত হাবি থকা বাৰীত বান্দৰৰ নিমিত্তে কোনো শস্য কৰিবৰ উপায় নাই! বাৰীৰ বস্তুবোৰ



বান্দৰে কোন তলকত খায়হি, মানুহে ততকে ধৰিব নোৱাৰে। সিহঁতে জাক বান্ধি আহে, লৰাছোৱালীলৈ সিহঁতে ভয় নকৰে বৰং লৰাক ভয় খুৱাবলৈ ভাবুকিহে দিয়ে। বান্দৰে বন্দুকৰ আৱাজক ভয় কৰে, বন্দুকৰ শব্দ শুনিলেই পলাই ফাঁট মাৰে। কিছুমান ঠাইত বান্দৰৰ উৎপাত ইমান বেচি যে মানুহে তত নাপাই বান্দৰ খেদাবলৈ মাটিৰে বাটলুগুটি সাজি ৰ'দত শুকাই থয় আৰু বান্দৰ অহা গম পালেই ধেনুৰে বাটলুগুটি মাৰি দিয়ে। বাটলুগুটি মৰা দেখিলে বান্দৰবোৰ জাপ মাৰি মাৰি পলায়।

গো-নেজীয়া বুলি এজাত বান্দৰ আছে, সিহঁতে মানুহক আমনি নিদিয়ে। এজাতি নিলাজী বান্দৰ আছে, সিহঁতে মানুহক বৰ লাজ কৰে। মানুহ দেখিলেই সিহঁতে তলমূৰ কৰে।

তোমালোকে হলৌ বান্দৰৰ মাত শুনিব পোৱা। ইহঁতে হলৌ হলৌ কৰি চিঞঁৰি থাকে। আফ্রিকা, আমেৰিকা আদিৰ ফালে বৰ ডাঙৰ ডাঙৰ বান্দৰ দেখিবলৈ পোৱা যায়। কিছুমান বান্দৰ মানুহৰ সমান ডাঙৰ। ইহঁতক বনমানুহ বোলা যায়; ইহঁতৰ বৰ খং আৰু ইহঁতে সোনকালে পোহ নামানে। ইহঁতৰ নেজ নাই।

বান্দৰ দেখিবলৈ প্ৰায় মানুহৰ দৰে; নেজ আৰু নোম নথকা হলে ইহঁতকো এবিধ মানুহকে বুলিব পৰা গলহেঁতেন। মহামতি ডাৰুইনৰ মতে ক্রমবিকাশৰ ফলত বানৰৰ পৰাই মানুহৰ উদ্ভৱ হৈছে। বান্দৰবোৰক ভালকৈ শিকাব পাৰিলে ইহঁত শিকনি লয়। বোধকৰোঁ তোমালোকে বান্দৰৰ নাচ আৰু চাৰ্কাচ আদিত সিহঁতৰ ধেমেলীয়া খেল দেখিছাহঁক। বান্দৰবোৰে হেনো সিহঁতৰ ভিতৰত পৰস্পৰ মাত বুজি পায়।

ডাক্তৰ ৰিচার্ড এল্‌ গার্ণাৰে বোলে বহুত বছৰৰ চেষ্টাৰ ফলত বান্দৰৰ মাত বুজিব পৰা হৈছিল। বান্দৰৰ মাত শিকিবৰ কাৰণে তেওঁ হেনো বহুত বছৰ হাবিত আছিলগৈ। তেওঁ কিছুমান বান্দৰ পুহিছিল আৰু সিহঁতক মানুহৰ দৰে লিখা পঢ়াও শিকাইছিল। মানুহৰ দৰে তেওঁৰ পোহনীয়া বান্দৰবোৰে সকলো কাম কৰিব জানিছিল।

## অনুশীলন

১। বান্দৰ কিয় মানুহৰ পৰম শত্রু?

২। ডাক্তৰ ৰিচার্ডে কেনেকৈ বান্দৰক শিক্ষা দিছিল?

৩। ক্রমবিকাশ কি শিক্ষকে বুজাই দিব।

# বিনয়

হেৰা মোৰ প্ৰিয় লৰা ! উপদেশ লোৱাঁ ।
সকলোৰে ওচৰত নম্ৰ কথা কোৱাঁ ॥
নম্ৰভাৱে কথা কয় যি জনে সদায় ।
সকলোৱে সিজনৰ যশগুণ গায় ॥
বিপদলৈ ভয় নাই বিনয়ী জনৰ ।
হলেও বিপদ তাৰ সহায় বিস্তৰ ॥
গুণৰ মধ্যত গুণ বিনয় প্ৰধান ।
বিনয়ী জনৰ ক'তো নাই অকল্যাণ ॥

—ধনাই বৰা

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—
যশগুণ, অকল্যাণ, বিস্তৰ ।
২। "বিপদলৈ ভয় নাই বিনয়ী জনৰ"—কিয় ?
৩। বিনয়ী মানুহ কিয় সকলোৰে প্ৰিয় পাত্ৰ ?
৪। শেষৰ চাৰি শাৰীৰ গদ্য কৰা ।

# ঈশ্বৰ

ঈশ্বৰ পৰম দয়ালু। ৰজা, ধনী, নিৰ্ধন, সুখী, দুখী, ভিক্ষুক সকলো প্ৰাণী তেওঁৰ মানত সমান। তেওঁ দয়া কাকো বেচি, কাকো কম কৰে এনে নহয়। যি যেনে কাম কৰে, তেওঁ তাক তেনে ফল দিয়ে। সকলো প্ৰাণীৰে দোষ, গুণ তেওঁ সমানে বিচাৰ কৰে। তেওঁ সদায় নিৰপেক্ষ।

আমি বহুত সময়ত পিতৃ-মাতৃ, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আদিৰ আগত আমাৰ দোষ লুকাই ৰাখিব পাৰোঁ। কেতিয়াবা আকৌ তেওঁবিলাকে আমাৰ দোষ ধৰিব পাৰিলেও তালৈ আওকান কৰে আৰু আমাৰ মৰমত সেই দোষৰ কোনো দণ্ড বিধান নকৰে। ঈশ্বৰৰ দয়া আৰু মানুহৰ মৰম এই খিনিতে বেলেগ। ঈশ্বৰৰ ওচৰত আমি আমাৰ অন্যায় কাম লুকাব নোৱাৰোঁ। তেওঁ আমাক অন্যায়ৰপৰা ন্যায় পথলৈ আনিহে এৰে। । আমাক অন্যায় কৰা দেখিলে তেওঁ তাৰ কাৰণে আমাক শাস্তি ভোগায়। তেওঁ আমাৰ প্ৰতি ক্ৰোধ বা কপট কৰি যে আমাক শাস্তি দিয়ে এনে নহয়। কেৱল আমি যাতে অন্যায় এৰি:ন্যায়ত:চলো, তেওঁ তাকেহে চিন্তা কৰে। তেওঁৰ কৃপাতে আমি মনুষ্য জনম:লাভ কৰিছো। আমি যাতে মানুহৰ দৰে আচৰণ কৰি যথাৰ্থ মানুহ হব পাৰো তেওঁ তাকেহে বিচাৰে। আমাক তেওঁ ভাল বেয়া বুজিবৰ শক্তি দিছে, যি শক্তি আনবিলাক জীৱজন্তুৰ গাত নাই। সেই কাৰনেই কোনো প্ৰলোভনত পৰি আমি যেতিয়া প্ৰথমে কিবা:বেয়া বা অন্যায় কামত হাত দিব খোঁজো, আমাৰ মনে

কয়-এই কাম কৰা উচিত নহয়। তেতিয়াই যদি আমি সেই কাম নকৰো বুলি এৰি দিওঁ, তেতিয়া হলে আৰু দুনাই কাম কৰিবলৈ আমাৰ মন নাযায়। কিন্তু বহুতে এই খিনিতে পৰাজয় মানে। তেওঁবিলাকে লোভত পৰি নিজৰ মনে অন্যায় বুলি কোৱা কামতো হাত দিয়ে। ফলত এইয়ে হয়, বাৰে বাৰে অন্যায় কৰি তেওঁবিলাকে অন্যায় কৰিবলৈ পিচত ভয়কে নকৰা হয়। কিন্তু আমাক অন্যায় কৰা দেখিলে ঈশ্বৰে এনেই চাই নাথাকে। আমাক অন্যায়ৰ পৰা ওলোটাবলৈ তেওঁ নানা ৰকম চেষ্টা কৰে। বাৰে বাৰে অন্যায় কৰি শাস্তি ভোগ কৰি কৰি এনে এটা সময় আহে, যেতিয়া মানুহৰ অন্যায় কামলৈ ভয় ওপজে আৰু অৱশেষত ন্যায়ভাবে চলিবলৈ বাধ্য হয়।

মানুহে যেতিয়া অকস্মাৎ অন্যায় আচৰণ কৰি মনত বৰ অনুতাপ পায়, ঈশ্বৰে তেওঁক ক্ষমা কৰে আৰু অন্যায় কাৰ্য্য এৰি দিবলৈ চেষ্টা কৰাত তেওঁক সহায় কৰে।

সেই কাৰণে লৰাহঁত তোমালোকক কওঁ সঙ্গদোষত যদি তোমালোকে কেতিয়াবা মিছা কোৱা আদি অন্যায় কামত হাত দিব খোজা— প্ৰথমেই তোমলেকেৰ নিজৰ মনক সুধিবা সেই কাম কৰা ভাল হবনে নহয়? তোমালোকৰ মনত সেই কাম কৰা অন্যায় বুলি নিশ্চয় লাগিব। মনত তেনেভাৱ হোৱা মাত্ৰকতে সেই কাম এৰি পেলাবা। এবাৰ, দুবাৰত নোৱাৰিলেও বাৰে বাৰে যদি অন্যায় নকৰিবলৈ চেষ্টা কৰি থাকা নিশ্চয় কৃতকাৰ্য্য হ'ব পাৰিবা। যিবোৰৰ কপাল ভাল তেওঁবিলাকে অন্যায় কৰি এবাৰ শাস্তি পালেই তাক কৰিবলৈ এৰি পেলায়। কালত তেনেকুৱা লৰাবোৰ ডাঙৰ মানুহ হব পাৰে।

যি সদায় ন্যায় পথত চলে তেওঁক ঈশ্বৰে সহায় কৰে আৰু তেওঁ সকলো মানুহৰে প্ৰিয়পাত্ৰ হয়। সংসাৰত তেনে মানুহৰ সুযশ বাঢ়ে।

তোমালোকে সদায় মনত ৰাখিবা,—ঈশ্বৰ করুণাময়, তেওঁ সকলোৰে মঙ্গল কামনা কৰে। তেওঁৰ অপ্ৰিয় কাম কৰা আমাৰ কেতিয়াও উচিত নহয়।

## অনুশীলন

১। অৰ্থ শিকা :—

আত্মীয়, শান্তি, অৱশেষ, বন্ধু, চিন্তা, ঈশ্বৰ, দণ্ড, চেষ্টা, নিশ্চয়, ন্যায়, অকস্মাৎ, কৃতকাৰ্য্য।

২। ঈশ্বৰৰ দয়া আৰু আত্মীয় স্বজনৰ মৰমৰ পাৰ্থক্য কি ?

৩। সুখী, দুখী সকলো প্ৰাণীক ঈশ্বৰে কি চকুৰে চায় ?

৪। ঈশ্বৰৰ প্ৰতি মানুহে কেনেকুৱা আচৰণ কৰা উচিত ?

# অতি লোভ

এসময়ত কামৰূপ জিলাৰ বৰপেটা চহৰত এজন বৰ ধনী সদাগৰ আছিল। তেওঁৰ সমান ধনী মানুহ সেই অঞ্চলত দ্বিতীয় জন নাই বুলিলেও হয়। ইমান ধন সম্পত্তিৰ অধিকাৰী হৈও সদাগৰৰ মনত অলপো শান্তি নাছিল। কথাতে কয়, “মানুহক যিমানে পায়, সিমানে লাগে।” আৰু বেচি ধন সম্পত্তি কেনেকৈনো হব, সদাগৰে দিনে ৰাতিয়ে তাকেহে চিন্তিবলৈ ধৰিলে। কেতিয়াবা তেওঁ আকাশৰ ফালে চাই ভাবে, “দেহি ঐ! যদি আকাশত ওলোৱা তৰাবোৰৰ সমান মোৰ টকা পইচা হলহেতেন! দিনে ৰাতিয়ে টকাৰ চিন্তা তেওঁৰ মনৰপৰা নুগুচাই হল। টকাৰ চিন্তা কৰোতে কেতিয়াবা তেওঁ খাবলৈকে পাহৰি যায়। যেতিয়া তেওঁৰ বৰ ভোক লাগে তেতিয়াহে তেওঁৰ মনত পৰে যে তেওঁ একো খোৱা বাই। এইদৰে মনৰ অশান্তিত সদাগৰে কাল কটাবলৈ ধৰিলে। এই অশান্তি কিন্তু তেওঁৰ মনে পতা।

হঠাৎ এদিন কোনোবাই আহি তেওঁক কলে যে ক'ৰবাৰ পৰা এজন সন্ন্যাসী আহিছে, তেওঁৰ গাত ঐশ্বৰিক শক্তি আছে। মানুহে তেওঁৰ ওচৰত যিহকে প্ৰাৰ্থনা কৰে তেওঁ তাকে দিব পাৰে। সন্ন্যাসীৰ নাম শুনি সদাগৰৰ অন্তৰত আশাৰ উদয় হল। মনতে ভাবিলে, “ইমান দিনৰ মূৰত প্ৰভুৱে মোৰ মনৰ কামনা পূৰ্ণ কৰিব খুজিছে। অলপো পলম নকৰি সদাগৰে ততালিকে সন্ন্যাসীৰ ওচৰ পালেগৈ, আৰু তেওঁৰ ভৰিত পৰি সেৱা কৰিলে। সন্ন্যাসীয়ে সুধিলে, “বাছা, তোমাক কি লাগে?”

সদাগৰে কলে, "প্ৰভু, কৃপা কৰি যদি মোৰ প্ৰতি দয়া দৰশাব খুজিছে তেন্তে আশীৰ্ব্বাদ কৰক মই যি বস্তুতে হাত দিওঁ সেয়ে যেন সোণ হয়।" এনে আচৰিত বৰৰ কথা শুনি সন্ন্যাসীয়ে কলে, "বাছা, তুমি কিয় অদ্ভুত বৰ মাগিছা? ভাবি চোৱাচোঁন এই বৰ তোমাৰ আপদ নহবনে?" ধন সোণৰ লোভত সদাগৰে, সকলো পাহৰিলে। তেওঁ ভাবিলে, "মই চোৱা বস্তুৱেই যদি সোণ হয়, তেন্তে মোৰ ধন সোণৰ কি অভাৱ হব? যিমান ইচ্ছা যায় সিমান সোণ কৰি ল'ব পাৰিম। ইয়াত ভাবি চাবলৈ আৰু কি আছে?" তেওঁ ফুটাই সন্ন্যাসীক কলে, "প্ৰভু, আপোনাৰ বৰ মোৰ প্ৰতি কেনেকৈ আপদ হব পাৰে?" কৃপা কৰি মোৰ অভীষ্ট বৰ দান কৰি কৃতাৰ্থ কৰে যেন। সন্ন্যাসীয়ে কলে, "বাৰু, তোমাৰ ইচ্ছা পূৰ্ণ হক, কাইলৈ ৰাতিপুৱাৰেপৰা তুমি যিহতে হাত দিয়া সেয়ে সোণ হব।" বৰ পাই সাউদ আনন্দত বিভোল হল। সন্ন্যাসীৰ বৰ নফলিয়াই বুলি ভাবি কেতিয়াবা যদি মনত নিৰাশাৰ ভাৱ উদয় হব খোজে, তেওঁ ততালিকে ভাবে সন্ন্যাসীৰ বৰ নিশ্চয় ফলিয়াব। আগৰ কালতো মুনি, ঋষিসকলৰ গাত এনেকুৱা ঐশ্বৰিক শক্তি আছিল। তেওঁবিলাকে মুখেৰে যিহকে কৈছিল সেয়ে হৈছিল। এই সন্ন্যাসী জনো মুনি ঋষিৰ নিচিনা মানুহ ইত্যাদি নানা কথা ভাবি তেওঁ মনক পতিয়ন দিছিল।

সেই দিনা ৰাতি সদাগৰৰ টোপনি নাহিল, কেতিয়া ৰাতিপুৱা হয় ওৰে ৰাতি তেওঁ তাকেহে চিন্তিছিল। যেই ৰাতিপুৱা হ'ল, তেওঁ দেখিলে তেওঁৰ বাহিৰে ঢাৰি পাটী গোটেইখন কাপোৰে কানিয়ে সোণ হৈ আছে। তেওঁ আনন্দত বিভোল হল। তেওঁ এফালৰ পৰা শোৱা

খোটালীত থকা গোটেইবোৰ বস্তু হাতেৰে চুই সোণ কৰি যাবলৈ ধৰিলে।

এখন ঢাৰি-পাটীত লৰাছোৱালীৰে সৈতে তেওঁৰ ঘৈণীয়েক শুই আছিল, সেই ঢাৰি-পাটী তেওঁ চুই দিয়া মাত্ৰকে শুই থকা লৰা তিৰোতাৰে ঢাৰিপাটীখন সোণ হৈ গল। এই দৃশ্য দেখি সদাগৰ বিবুদ্ধি হল, গোটেই আকাশখন যেন তেওঁৰ মূৰৰ ওপৰত ভাগি পৰিল।

তেতিয়া তেওঁৰ সন্ন্যাসীৰ কথা মনত পৰিল, "ভালেহে সন্ন্যাসীয়ে ই বৰ আপদ হব পাৰে বুলি কৈছিল।" সদাগৰৰ ধন সোণৰ মায়া ক'ৰবালৈ গল, লৰা-তিৰোতাৰ শোকত তেওঁ হিয়া ভুকুৱাই কান্দিবলৈ ধৰিলে। ঘৰৰ লগুৱা বান্দী সকলোবোৰ সেই ঠাইলৈ লৰি আহি সদাগৰৰ বিলাই দেখি সকলো বিবুদ্ধি হল। চাওঁতে চাওঁতে মানুহেৰে সদাগৰৰ ঘৰ ভৰি পৰিল, কিন্তু কোনেও ভাবি চিন্তি স্থিৰ কৰিব নোৱাৰিলে, কি বুলিনো সদাগৰক এষাৰ সান্তনা বাণী শুনাব। একেৰাহে তিন দিন নাখাই-নবই কান্দি-কাতি সদাগৰ লেচাৰ হৈ পৰিল। সদাগৰৰ দুখ চকুৰে চাই থাকিব নোৱাৰা হল। আত্মীয়-পৰিজনে তেওঁক নানাভাৱে কৈ মেলি কিবা অলপ খুৱাবলৈ স্থিৰ কৰিলে। তেওঁক কিবা অলপ খাবলৈ দিয়া হল, তেওঁ একো খাবৰ ইচ্ছা নকৰি কলে, "মোৰ পিয়াহত প্ৰাণ যায় যেন লাগিছে মোক খাবলৈ পানী এগিলাছ দিয়া।" যেই তেওঁৰ হাতত এগিলাছ পানী দিয়া হল, পানী গিলাছ সোণ হৈ গল। সকলোৱে দেখি বিচূৰ্ত্তি খালে, ইফালে সদাগৰৰ পিয়াহত ধাতু যাই যেন হল। একো উপায় নেদেখি সকলোৱে ভাবি চিন্তি স্থিৰ কৰিলে যে সদাগৰক কোনো উপায়েৰে আকৌ সন্ন্যাসীৰ তালৈ লৈ যাব লাগিল। সদাগৰৰ দুৰ্দ্দশা দেখি

কিজানি সন্ন্যাসীয়ে দয়া কৰেই। সদাগৰক সন্ন্যাসীৰ ওচৰলৈ লৈ যোৱা হল, সদাগৰে সন্ন্যাসীৰ ভৰিত দীঘল দি পৰি হুক হুক কৰি কান্দিবলৈ আৰু মিনতি কৰি সন্ন্যাসীক কবলৈ ধৰিলে, "প্ৰভু, আপোনাৰ কথা অগ্ৰাহ্য কৰি মোৰ এই দশা হল। মোৰ অপৰাধ ক্ষমা কৰক, মই নিজৰ পাপৰ ফলত লৰা-তিৰোতা সকলোকে হেৰুৱালোঁ। ধন সোণৰ মায়া আৰু মোৰ নাই, প্ৰভু আপোনাৰ বৰ ঘূৰাই লৈ মোক ৰক্ষা কৰক।" সদাগৰৰ তুতিত সন্তুষ্ট হৈ সন্ন্যাসীয়ে কলে, "বাছা, মই এই কথা তোমাক পূৰ্ব্বতেই কৈছিলোঁ। বিহক, তোমাৰ যে ধন সোণৰ দুৰাকাঙ্ক্ষা দূৰ হল এইয়ে পৰম সৌভাগ্য। মোৰ বৰ মই ওলোটাই লৈছোঁ; যোৱা তোমাৰ লৰা তিৰোতায়ো প্ৰাণ পাব। আশীৰ্ব্বাদ কৰিছোঁ, তোমাৰ মঙ্গল হ'ক, আৰু তোমাৰ অন্তৰৰপৰা সকলো দুৰাকাঙ্ক্ষা দূৰ হ'ক।" সদাগৰে কলে, "প্ৰভু, আপোনাৰ কৃপাত মোৰ যথাৰ্থ শিক্ষা হল।" সেইদিনাৰেপৰা সদাগৰৰ মনৰপৰা টকা পইচাৰ চিন্তা দূৰ হল। লৰা তিৰোতাৰ লগত নিজৰ অৱস্থাতে সুখে-সন্তোষে কাল কটাবলৈ ধৰিলে।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—

শান্তি, আশীৰ্ব্বাদ, বিবুদ্ধি, মুহূৰ্ত্ত, সন্ন্যাসী, অদ্ভুত, অস্থিৰ, পূৰ্ব্ব, মহাত্মা, কৃপা, বস্তু, সন্তুষ্ট।

২। অতি লোভৰ পৰিণাম যে ভীষণ তাক ব্যাখ্যা কৰা।

---

# স্বভাৱ

স্বভাৱ অমূল্য নিধি ৰাখিবা মনত
স্বভাৱে লোকক তোলে ওখ আসনত,
স্বভাৱে কৰিব পাৰে সকলোকে জয়,
স্বভাৱ বলতে নৰো দেৱতুল্য হয়।

দেহৰ শুৱনি যেনে বসন ভূষণ,
স্বভাৱেও কৰে তেনে জীৱ বিতোপন।
স্বভাৱৰ সতে নাই একোৰে তুলনা,
হয়নে নহয় চোৱাঁ কৰি বিবেচনা।

বিদ্বানে সন্মান পায় বিদ্যাৰ বলত,
প্ৰশংসাও পায় বহু জ্ঞানী সমাজত।
নিখুঁত স্বভাৱ কিন্তু আছে যি জনৰ,
গোটেই সংসাৰে কৰে তেওঁক আদৰ।

স্বভাৱ গুণতে চোৱাঁ তেনে সাধুজন,
লোকৰ বিশ্বাসী আৰু ভক্তিৰ ভাজন,
সমাজ চানেকি তেওঁ পৃথিবী ভূষণ,
মৰিও অমৰ হই থাকে চিৰন্তন।

স্বদেশ বিদেশ সকলোতে মহাসুখী,
এতেকে স্বভাৱ গঢ়া তেনে সাধু দেখি।
কৰিব পাৰিলে সজ তোমাৰ স্বভাৱ,
পৃথিবীত একোটোৰে নেথাকে অভাৱ।

—দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—
স্বভাৱ, বিশ্বাসী, অমূল্য, ভূষণ, প্ৰশংসা, দেৱতুল্য, বিদ্যা, পৃথিৱী।
২। সজ স্বভাৱ মানুহৰ কেনেকৈ অমূল্য ধন, তাক বুজাই দিয়া।
৩। "নিখুত স্বভাৱ···চিৰন্তন"—গদ্য কৰা।

# উমানন্দ

তোমালোকে উমানন্দৰ নাম শুনিছা, আৰু বোধ কৰোঁ তোমালোকৰ ভিতৰত বহুতে উমানন্দৰ মন্দিৰো দেখিছা। উমানন্দৰ মন্দিৰ ব্ৰহ্মপুত্ৰৰ মাজত আছে আৰু গুৱাহাটী চহৰৰ পৰা এই মন্দিৰ ভালকৈয়ে দেখা পায়। এই উমানন্দ মন্দিৰত সেৱা কৰিবলৈকে দেশ-বিদেশৰপৰা বহুত যাত্ৰী অহা যোৱা কৰে। ই এটি শিৱৰ মন্দিৰ। কামাখ্যা দৰ্শন কৰিবৰ আগতে উমানন্দ দৰ্শন কৰিব লাগে বুলি জনাজাত।



উমানন্দৰ বিষয়ে এটি পুৰণি আখ্যান আছে। তোমালোকে ভাৰতৰ দক্ষিণ সাগৰৰ মাজত থকা সিংহল দ্বীপৰ নাম শুনিব পোৱা। আগৰ দিনত সেই সিংহল দ্বীপেই হেনো ৰাক্ষসৰ ৰজা ৰাৱণৰ লঙ্কাৰাজ্য আছিল। ৰাৱণ, শিৱৰ বৰ ভক্ত আছিল। প্ৰতিদিনে তেওঁ কৈলাসলৈ গৈ শিৱক পূজা কৰি আকৌ লঙ্কালৈ উভতি আহিছিল।

কিন্তু দিনে দিনে কৈলাসলৈ গৈ শিৱক পূজা কৰাতকৈ ৰাৱণে তেওঁৰ নিজৰ ৰাজ্য লঙ্কালৈকে শিৱক আনি লবৰ মন কৰিলে। ৰাৱণৰ মনৰ ইচ্ছাৰ কথা শিৱক জনোৱাত শিৱই প্ৰথমে কৈলাস এৰি যাবলৈ কোনোমতে মান্তি নহল। কিন্তু ৰাৱণে যেতিয়া শিৱক নিবৰ কাৰণে নেৰানেপেৰাকৈ লাগিল, শিৱই কলে, "তুমি যদি ৰাটত ক'তো নোথোৱাকৈ মোক গোটেইখন কৈলাসৰ সত্ৰৰে সৈতে দাঙি লঙ্কালৈ লৈ যাব পাৰা, তেতিয়াহে মই যাব পাৰোঁ।" শিৱৰ কথামতে ৰাৱণে শিৱক গোটেই সত্ৰৰে সৈতে নিজৰ মূৰত তুলি লৈ লঙ্কালৈ যাবলৈ ওলাল।

ৰাৱণে শিৱক লঙ্কালৈ লৈ যোৱা দেখি স্বৰ্গত দেৱতাসকলে বৰ ভয় খালে। দেৱতাসকলে মনতে ভাৱিবলৈ ধৰিলে, "শিৱক সদায় সন্তুষ্ট ৰখাৰ কাৰণেই ৰাৱণে আমাক দেৱতাসকলক কাকো ভয় নকৰে, ৰাৱণৰ প্ৰতাপত আমি সদায় অস্থিৰ। এতিয়া যদি তেওঁ সদাশিৱক লঙ্কালৈ লৈ গৈ সদায় মনৰ হেপাহেৰে পূজা কৰেগৈ শিৱৰ অনুগ্ৰহত ৰাৱণৰ প্ৰতাপ: আৰু চাব কোনে? লাগে তেতিয়া ৰাৱণে আমাৰপৰাও দেৱলোক কাঢ়ি লব আৰু আমাৰ দুৰ্গতিৰ সীমা নোহোৱা হব।" কেনেকৈ ৰাৱণক শিৱক লঙ্কালৈ লৈ যোৱাত বাধা দিব পাৰে, দেৱতাসকলে তাৰে উপায় চিন্তিবলৈ ধৰিলে।

ৰাৱণে শিৱক মূৰত তুলি বিজুলী বেগেৰে লঙ্কাৰ ফালে যাবলৈ ধৰিলে। এইদৰে কিছু বাট যোৱাৰ: পিচত, দেৱতাসকলৰ মায়াত ৰাৱণৰ হঠাৎ সৰুপানী চুব লাগিল। কোনোমতেই ৰ'ব নোৱাৰি, শিৱক বাটতে মূৰৰপৰা নমাই থৈ ৰাৱণে হাতমুখ: ধুবলৈ বাধ্য হল।

আগৰ কথা মতে ৰাৱণে শিৱক এৰি যাব লগাত পৰিল। কিন্তু ৰাৱণে মন পতিয়াব নোৱাৰি, আকৌ শিৱক মূৰত তুলি লৈ লঙ্কালৈ

যাবলৈ ওলাল। কিন্তু কি আচৰিত, বাৰে বাৰে চেষ্টা কৰিও মহাবলৱন্ত ৰাৱণে শিৱক মূৰত তুলি লব নোৱাৰিলে। অৱশেষত নিৰাশ অন্তৰেৰে ৰাৱণে নিজৰ ৰাজ্যলৈ উলটি যাবলৈ বাধ্য হল।

ৰাৱণে য'ত শিৱক নমাই থৈছিল, সেয়ে উমানন্দ হল। যি ঠাইত ৰাৱণে হাত মুখ ধুবলৈ বহিছিল, সেই ঠাইৰ নাম কৰ্ম্মনাশা হল। কৰ্ম্মনাশা বোলাৰ কাৰণ হৈছে সেই ঠাইতে মুখ হাত ধুবলৈ বহোঁতেই ৰাৱণৰ কৰ্ম্ম নাশ হল।

আজিকালিও উমানন্দ দৰ্শন কৰিবলৈ অহা যাত্ৰীবিলাকে কৰ্ম্মনাশা দেখিলে কৰ্ম্ম নাশ হয় বুলি ভয় কৰি হেনো সেইফালে নাচায়।

তোমালোকে উমানন্দৰ মন্দিৰ দেখিব পোৱা। মন্দিৰটি বৰ ধুনীয়াকৈ সজা। বৰ্ত্তমানৰ মন্দিৰ গদাধৰ সিংহ স্বৰ্গদেৱে সজায়। গদাধৰ সিংহৰ দিনৰেপৰা আজিলৈকে এই মন্দিৰত পূজা-সেৱা চলি আহিছে। পূজা কৰা পূজাৰী থাকিবৰ কাৰণে মন্দিৰত ব্যৱস্থা আছে। ইয়াৰ সেৱা পূজা চলাবলৈ বহুতো দেৱোত্তৰ বা নিষ্কৰ মাটি আছে। দলৈয়ে তাৰ তত্বাৱধান কৰে।

শিৱৰাত্ৰিৰ দিনা উমানন্দ দৰ্শন কৰিবলৈ অহা যাত্ৰীৰ ভিৰ বৰ বেচি হয়, বিৰ দিও বাট উলিওৱা টান হয়। সেই মেলাত লোকসকলৰ সুবিধাৰ কাৰণে আজিকালি সেৱকসকলে দিনে ৰাতিয়ে পৰিশ্ৰম কৰিও ক্লান্ত নহয়। এনে সেৱাভাৱ অতি প্ৰশংসনীয়।

## অনুশীলন

১। অৰ্থ শিকা :—দ্বীপ, দুৰ্গতি, মন্দিৰ, সন্তুষ্ট দৰশন, আখ্যান, অস্থিৰ।
২। উমানন্দৰ বিষয়ে কি পুৰণি আখ্যান আছে ?
৩। ৰাৱণে কিয় দ্বিতীয় বাৰ শিৱক মূৰত তুলি লব নোৱাৰিলে ?

# কৃতবোধ

অতি পুৰণি কালত কোনো এক দেশত তপদেৱ নামেৰে এজন ব্ৰাহ্মণ আছিল। তেওঁৰ কৃতবোধ নামেৰে এটি লৰা আছিল। সেই লৰাটিৰ বিহনে ব্ৰাহ্মণ ব্ৰাহ্মণীৰ সংসাৰত আৰু কোনো নাছিল। বামুণে বৰ যত্নেৰে লৰাটিক শিক্ষা দি মানুহ কৰিলে। লৰাটিয়ে



যেতিয়া নিজে আৰ্জ্জন কৰিব পৰা হল, তেতিয়া তেওঁ সংসাৰ এৰি তপস্যা কৰিবৰ কাৰণে হাবিলৈ যাবলৈ ওলাল মাক বাপেকে তেওঁৰ অভিপ্ৰায় বুজিব পাৰি মনত বৰ দুখ পালে। পুতেকক বহুত বুজনি দি তপস্যা কৰিবলৈ যাবলৈ হাক দিলে আৰু কলে যে তেওঁ গলে

তেওঁবিলাকক প্ৰতিপাল কোনে কৰিব। তথাপি কৃতবোধে পিতৃমাতৃৰ অনুৰোধ উলঙ্ঘা কৰি জ্ঞান লাভৰ কাৰণে অৰণ্যত তপস্যা কৰিবলৈ গল।

বহুত কাল তপস্যা কৰাৰ পিচত তেওঁ তপস্যাত সিদ্ধি লাভ কৰিলে। তেওঁ পিতৃমাতৃৰ ওচৰলৈ আৰু উলটি নগল। তেওঁ দেশে বিদেশে ঘূৰি ফুৰিবলৈ ধৰিলে। এইদৰে ফুৰি ফুৰোঁতে এদিন হঠাৎ এটা বগলীয়ে তেওঁৰ মূৰৰ ওপৰত বিষ্ঠা ত্যাগ কৰিলে। তাতে বগলীটোলৈ তেওঁৰ বৰ খং উঠি চোৱা মাত্ৰকে বগলীটো ততালিকে ভস্ম হৈ মাটিত পৰিল। তেতিয়া তেওঁৰ মনত অহঙ্কাৰ জন্মিল। ঘটনাটো ঘটাৰ কিছুমান দিনৰ পিচত কৃতবোধে এদিন দুপৰীয়া কোনো এজন গৃহস্থৰ ঘৰত অতিথিৰূপে উপস্থিত হলগৈ। সেই সময়ত গৃহস্থৰ পুতেকে পিতাকৰ সেৱা শুশ্ৰূষাত ব্যস্ত থকাত অতিথি জনক যথাযোগ্য-ৰূপে সম্মান দেখুৱাব নোৱাৰিলে। যথোচিত সন্মান নাপাই কৃতবোধৰ বৰ খং উঠিল আৰু গৃহস্থৰ পুতেকলৈ চাই কবলৈ ধৰিলে, "তুমি মোক তোমাৰ অতিথি বুলি জানিও একো সোধপোছ কৰা নাই, মই এতিয়াই তোমাক শাপি ভস্ম কৰিম।" গৃহস্থৰ পুতেকে কলে "আপুনি কিয় ইমান খং কৰিছে, মই পিতাক সেৱা শুশ্ৰূষা কৰিছোঁ, এতিয়া মই তেওঁক এৰি আন কথাত লাগিলে মোৰ পাপ হব। তেওঁৰ শুশ্ৰূষা শেষ কৰি মই আপোনাক যথোচিত সেৱা সৎকাৰ কৰিম। কৃতবোধে গৃহস্থৰ পুতেকৰ কথা শুনি তেওঁক শাপ দিবলৈ প্ৰস্তুত হল। তেতিয়া গৃহস্থৰ পুতেকে কলে, "তোমাৰ অহঙ্কাৰ হৈছে, কিন্তু মোক বগলীৰ দৰে ভস্ম কৰিব নোৱাৰা। পিতা-মাতাৰ সেৱা শুশ্ৰূষাই মোৰ একমাত্ৰ কৰ্ত্তব্য।" কৃতবোধে লৰাজনৰ কথা শুনি বৰ আচৰিত হল আৰু

তেওঁক সুধিলে, "মই যে বগলীটো ভস্ম কৰিছিলোঁ। সেই কথা তুমি কেনেকৈ জানিলা ? কঠোৰ তপস্যা কৰিও মই যি জ্ঞান পাব পৰা নাই, সেই জ্ঞান তুমি কেনেকৈ পালা" ? গৃহস্থৰ পুতেকে কলে, "বাৰানসী ক্ষেত্ৰত তুলাধৰ নামে এজন ব্যাধ আছে, তেওঁৰ ওচৰলৈ গলে সকলো জানিব পাৰিবা।

পিচদিনা কৃতবোধে ব্যাধৰ ওচৰলৈ গৈ নিজৰ মনৰ কথা প্ৰকাশ কৰিলে। তুলাধৰে কলে, "পিতা-মাতা সাক্ষাৎ দেৱতা ; তুমি তেওঁবিলাকৰ মনত কষ্ট দি তপস্যা কৰি সিদ্ধি লাভ কৰিবলৈ ইচ্ছা কৰিছা, সেইটো কেনেকৈ হব ? তেওঁবিলাকৰ প্ৰতি কৰ্ত্তব্য পালন কৰাই তোমাৰ প্ৰধান ধৰ্ম্ম। তেনে কৰিলেই তুমি দিব্য জ্ঞান লাভ কৰিব পাৰিবা। সন্তানৰ পিতৃ-মাতৃৰ প্ৰতি কৰ্ত্তব্য হৈছে বুঢ়া বয়সত তেওঁবিলাকক সেৱা শুশ্ৰূষা কৰা। যেতিয়া তুমি সৰু আছিলা, তোমাৰ পিতৃ-মাতৃয়ে কত যত্ন কৰি তোমাক খুৱাই ধুৱাই ডাঙৰ দীঘল কৰিলে, এতিয়া তুমি তেওঁবিলাকৰ প্ৰতি কৰ্ত্তব্য পালন নকৰি তপস্যা কৰি মুক্তি লাভ কৰিবলৈ বিচাৰিলে কেনেকৈ পাৰিবা ? মই সমাজৰ ঘিণলগা ব্যাধ-বৃত্তি কৰিও কেৱল পিতৃমাতৃৰ সেৱা শুশ্ৰূষা কৰাৰ কাৰণে আজি মোৰ এনে ভাল অৱস্থা"।

ব্যাধৰ কথা শুনি কৃতবোধৰ জ্ঞান—চকু মেল খালে আৰু ঘৰলৈ উলটি আহি মাক-বাপেকৰ সেৱা-শুশ্ৰূষা কৰিবলৈ ধৰিলে। তেওঁ অলপ দিনৰ ভিতৰতে জ্ঞান লাভ কৰি সুখে সন্তোষে কাল নিয়াবলৈ ধৰিলে।

পিতৃ-মাতৃ আমাৰ পৰম গুৰু, তেওঁবিলাকৰ সেৱা সৎকাৰ কৰা আমাৰ প্ৰধান কৰ্ত্তব্য। এই পৃথিবীত সকলোৱে নিজ নিজ কৰ্ত্তব্য

পালন কৰা উচিত। নিজ কৰ্ত্তব্য পালন নকৰি কোনও এই সংসাৰত সুখী হব নোৱাৰে। তোমালোকেও সদায় নিজৰ কৰ্ত্তব্য মন দি পালন কৰিবা, তেনে কৰিলেই এই জগতত ধনী, মানী, সুখী হৈ কাল কটাব পাৰিবা।

## অনুশীলন

১। বানান আৰু অৰ্থ শিকা :—যথাযোগ্য, শুশ্ৰূষা, তপস্যা, ভস্ম, অভ্যৰ্থনা, দৃষ্টিত, ঘিণলগা, সিদ্ধি, গৃহস্থৰ। উলজ্যা—আজ্ঞা নমনা।


২। কৃতবোধে কেনেকৈ সিদ্ধি লাভ কৰিলে ?

৩। ব্যাধে তেওঁক কি উপদেশ দিছিল ?

৪। কৃতবোধৰ অহঙ্কাৰ কেনেকৈ ভঙ্গ হল ?

# জৱহৰলাল নেহেৰু

জৱহৰলাল নেহেৰু স্বৰ্গীয় মতিলাল নেহেৰুৰ একমাত্ৰ পুত্ৰ। তেখেতৰ স্বাৰ্থত্যাগত আজি সমগ্ৰ ভাৰত মুগ্ধ। ঐশ্বৰ্য্য ৰাজভোগ বিলাসত লালিত-পালিত হোৱা জৱহৰলালে আজি সকলোকে পৰিত্যাগ কৰি দেশৰ কামত নিজক উছৰ্গা কৰি দিছে। ৰাজ অট্টালিকা স্বৰূপ 'আনন্দ ভৱন'ক কংগ্ৰেছৰ নামত দান কৰিছে। এখেতৰ প্ৰিয়তমা ভাৰ্য্যা স্বৰ্গীয়া কমলা নেহেৰুৱে দেশৰ কামত কেবাৰাৰো কাৰাগাৰ বৰণ কৰি অকালতে স্বাস্থ্যধন হেৰুৱাই স্বামীৰ আগত ইহ-লীলা সম্বৰণ কৰিলে। এনেকুৱা প্ৰাণতুল্য ভাৰ্য্যাৰ শোকেও তেখেতক দেশৰ কামত বাধা দিব নোৱাৰিলে। অবিচলিত ভাৱে পূৰ্ব্বৰ দৰেই মহাপুৰুষে দেশৰ কামত নিজক নিয়োগ কৰিহে ৰাখিলে।



এখেতৰ সন্তানৰ ভিতৰত একেটি মাত্ৰ কন্যা, তেওঁৰ নাম ইন্দিৰা গান্ধী। বিজয় লক্ষ্মী নেহেৰুৰ নাম সকলোৱে শুনিছে। এওঁ জৱহৰলাল নেহেৰুৰ ভনীয়েক।

কংগ্ৰেছে যেতিয়া মন্ত্ৰীত্ব গ্ৰহণ কৰিছিল তেতিয়া তেওঁ যুক্ত প্ৰদেশৰ স্বায়ত্ত শাসন বিভাগৰ মন্ত্ৰী হয়। এখেতেই তিবোতাৰ ভিতৰত প্ৰথম মন্ত্ৰী। জৱহৰলাল নেহেৰুৰ পৰিয়ালৰ ভিতৰত বৰ্ত্তমানত তেখেত আৰু তেখেতৰ কন্যা ইন্দিৰা গান্ধী, এই দুই জনেই। জৱহৰলাল নেহেৰুৰ কিহৰ অভাব আছিল। তেওঁ যি অতুল ধন সম্পত্তিৰ অধিকাৰী আছিল তাৰেই আজীৱন সুখেৰে কটাব পাৰিলেহেঁতেন ; কিন্তু দেশক উদ্ধাৰ কৰাকে তেওঁ জীৱনৰ ব্ৰত কৰি লৈছে। মহাপুৰুষ সকলৰ লক্ষণেই এনে, দেশৰ আগত নিজৰ স্বাৰ্থ তেওঁবিলাকৰ মানত অতি তুচ্ছ। জৱহৰলালৰ উদাৰ প্ৰকৃতিত সকলো ভাৰতবাসী মুগ্ধ হৈ তেওঁক দুবাৰো কংগ্ৰেছ মহাসভাৰ সভাপতিৰ আসনত বহুৱায়। স্বাধীন ভাৰতৰো প্ৰথম প্ৰধান মন্ত্ৰী পদত পণ্ডিত জৱহৰলালকে অধিষ্ঠিত কৰা হৈছে। পণ্ডিত নেহেৰু বৰ্ত্তমানে অকল ভাৰততে নহয়, গোটেই পৃথিৱীতে আন্তৰ্জ্জাতিক খ্যাতি সম্পন্ন লোক।

## অনুশীলন

জৱহৰলালৰ জীৱনীত বিশেষত্ব কি ?

---

# পানী

পানী আমাৰ জীৱন স্বৰূপ। মানুহৰ শৰীৰত তিনি ভাগৰ এভাগ পানী আছে। পানীৰ অভাৱত কোনো প্ৰাণীয়ে জীয়াই থাকিব নোৱাৰে। পানী আমাৰ সকলো কামতে লাগে। খোৱাৰ বাহিৰেও পানীৰে আমি গা ধোঁও, পানীৰে ঘৰ মচোঁ, ময়লা ধুই পেলাওঁ, আৰু কাপোৰ কানি ধুই পৰিষ্কাৰ কৰি লওঁ। নানা কামত পানীৰ আৱশ্যক হয়। মানুহ আৰু আন জীৱজন্তুৰ বাহিৰেও পানীৰ অভাৱত গছ, লতা, শস্য আদিও জীয়াই থাকিব নোৱাৰে।

আয়তন দুইভাগ উদজান (Hydrogen) আৰু এক ভাগ অম্লজান (Oxygen) গ্যাস, এই দুইটাৰ সংযোগতে পানী হয়। পানীৰ তিনিটা ৰূপ—বাষ্পীয়, পনীয়া আৰু গোটা। কিছুমান বিশেষ খনিজ পদাৰ্থ পানীত মিহলি হৈ থকাৰ গুণে চাবোন গুলিলে সহজে ফেন নুঠে, তাৰে ভাত ৰান্ধিলেও ভাত ভালকৈ নিসিজে, কাপোৰ ধুলেও পৰিষ্কাৰ নহয় আৰু এই পানী হজম কৰাও টান। উক্ত পদাৰ্থবিলাক মিহলি ❘কা পানীত সহজে চাবোনৰ ফেন উঠে আৰু কাপোৰ কানি ধুলেও পৰিষ্কাৰ হয়। এই পানীৰে সিজা কাৰ্য্যও সহজে সমাধা হয়।

সমুদ্ৰত ৰ'দৰ তাপ পৰি পানী বাষ্প হৈ ওপৰলৈ গৈ মেঘত পৰিণত হয়। সেই মেঘত ঠাণ্ডা বতাহ লাগিলেই তাৰপৰা বৰষুণৰ সৃষ্টি হয়। বৰষুণৰ পানীৰে নৈ পুখুৰী নাদ ভৰি পৰে।

নৈ, ঝৰণা, হ্ৰদ আদিৰ পৰাই আমি পানী, পাওঁ। বৰষুণৰ পানী এটাইতকৈ বিশুদ্ধ পানী, কিন্তু প্ৰথম বৰষুণৰ জাক আকাশৰ

ধূলি বালিয়ে অপৰিষ্কাৰ কৰি দূষিত কৰে। সেই কাৰণে বিশুদ্ধ বৰষুণৰ পানী ধৰিবলৈ হলে প্ৰথম বৰষুণ জাক বাদ দিহে ধৰিব লাগে।

আমি বিশুদ্ধ পানী ব্যৱহাৰ কৰা উচিত। দূষিত পানীয়ে মানুহৰ বৰ ক্ষতি কৰে। যি নাদ পুখুৰীৰ পানী খোৱাৰ কাৰণে ব্যৱহাৰ কৰা হয় তাক পৰিষ্কাৰ কৰি ৰাখিব লাগে। তাত বেয়া বস্তু পেলোৱা, কাপোৰ কানি বা গা ধোৱা উচিত নহয়, তেনে কৰিলে পানী দূষিত হয়।

পানী উতলালে তাত থকা বেমাৰ আদিৰ বীজ মৰি যায়; গতিকে পানী উতলাই খালে বেমাৰ আদিৰ দ্বাৰা আক্ৰান্ত হোৱাৰ ভয় কম থাকে। ফিলটৰত পানী ছাকিলে বহুত পৰিমাণে পানীৰ দূষিত অংশবোৰ নাইকিয়া হয়। মাজে সময়ে পানী খোৱা নাদ পুখুৰীত চূণ আদি দিব লাগে। তেনে বীজাণু নাশক ঔষধ দিলে পানী বিশুদ্ধ হয়।

## অনুশীলন

১। পানী কেনেকৈ আমাৰ জীৱন স্বৰূপ বুজাই দিয়া।

২। কিয় পৰিষ্কাৰ পানী ব্যৱহাৰ কৰিব লাগে?

৩। পানী পৰিষ্কাৰ কৰি ৰাখিবলৈ হলে কি কৰিব লাগে?

সমাপ্ত

MOTI RAM BORA BALIKA VIDYAPITH
Estd 1963
D...GONG ASSAM.